www.epaper.asombarta.in

PRGI REGD. NO. (Title) : ASSASS01389

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

❛ সন্তুষ্ট মানুহ কেতিয়াও দুখীয়া নহয় আৰু অসন্তুষ্ট মানুহ কেতিয়াও ধনী নহয়।
— ছক্ৰেটিছ — ❜

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৬১ ❐ মঙ্গলবাৰ ❐ ২৯ জুলাই, ২০২৫ চন ❐ ১২ শাওন, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 161 ❐ Tuesday ❐ 28th July, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

অপাৰেশ্যন সেন্দূৰ; পাকিস্তানৰ আক্ৰমণ বিফল

## লোকসভাত ভাৰতীয় সশস্ত্ৰ বাহিনীৰ সফলতাৰ প্ৰশংসা ৰাজনাথ সিঙৰ



**অসম বাৰ্তা, নতুন দিল্লী, ২৮ জুলাই ঃ** সোমবাৰে লোকসভাত 'অপাৰেশ্যন সেন্দূৰ'ৰ ওপৰত তীব্ৰ বিতৰ্কৰ মাজত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং ভাৰতীয় সশস্ত্ৰ বাহিনীৰ সাহসিকতা আৰু সফলতাৰ কথা দৃঢ়তাৰে উল্লেখ কৰে। তেওঁ স্পষ্ট কৰে যে পাকিস্তানৰ যিকোনো আক্ৰমণক ভাৰতীয় নিৰাপত্তা ব্যৱস্থাই সম্পূৰ্ণৰূপে বিফল কৰিছে। পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিক্ৰিয়া হিচাপে ৭ মে'ত আৰম্ভ হোৱা এই অভিযানৰ জৰিয়তে পাকিস্তানৰ নটা সন্ত্ৰাসবাদী শিবিৰৰ ওপৰত নিখুঁত আক্ৰমণ চলোৱা ▸▸৬ পৃষ্ঠাত

অবৈধ বেদখলকাৰীৰ ভূমি উচ্ছেদৰ অজুহাতত অসম চৰকাৰৰ নাগালেণ্ডৰ ভূমি দখল; বিদ্ৰোহীৰ অভিযোগ

## হাতত মাৰণাস্ত্ৰ লৈ উৰিয়ামঘাটৰ ৰেংমা বনাঞ্চলত নগা বিদ্ৰোহীৰ অবাধ বিচৰণ



**অসম বাৰ্তা, গুৱাহাটী, ২৮ জুলাই ঃ** অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা বনাঞ্চলত বেদখলকাৰীৰ বিৰুদ্ধে আগন্তুক উচ্ছেদ অভিযানৰ পূৰ্বে এটা চাঞ্চল্যকৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। নগা সশস্ত্ৰ সংগঠন NSCN-K(নিকি-চুমী)য়ে এই ভিডিঅ'ৰ দায়িত্ব স্বীকাৰ কৰিছে, য'ত তেওঁলোকৰ সদস্যসকলক হাতত মাৰণাস্ত্ৰ লৈ ▸▸৩ পৃষ্ঠাত



## বিতৰ্কিত ঠিকাদাৰ ৰুদ্ৰ পাঠকৰ ঘৰত SITৰ অভিযান

**অসম বাৰ্তা, বঙাইগাঁও, ২৮ জুলাই ঃ** বঙাইগাঁৱৰ সহকাৰী অভিযন্তা যোষিতা দাসৰ ৰহস্য- ▸▸৬ পৃষ্ঠাত

▪ ৭০ শতাংশ বেদখলকাৰীৰ ভূমি ত্যাগ ▪ সহস্ৰাধিক আৰক্ষী-বন বিভাগৰ জোৱানৰ সমৰসজ্জা


# আজি ৰেংমা বনাঞ্চলত চলিব বুলড'জাৰ

**অসম বাৰ্তা, সৰুপথাৰ, ২৮ জুলাই ঃ** অসমৰ উৰিয়ামঘাট সীমান্তৰ ৰেংমা বনাঞ্চলত অবৈধভাৱে বসবাসকাৰী বেদখলকাৰীৰ বিৰুদ্ধে অসম চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ সাজু হৈছে। আজি এই অঞ্চলত ব্যাপক উচ্ছেদ অভিযান চলোৱাৰ পৰিকল্পনা কৰা হৈছে। এই অভিযানৰ বাবে প্ৰায় ৭০০-৮০০ আৰক্ষীৰ লগতে বন বিভাগ আৰু কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিশ ফ'ৰ্চ (চি আৰ পি এফ)ৰ ▸▸৬ পৃষ্ঠাত



আজিৰ কলম

## ব'ল ব'ম-ব'ল ব'ম



শৰৎ চন্দ্ৰ চিৰিং ফুকন

"ব'ল ব'ম - ব'ল ব'ম।" সমগ্ৰ ভাৰতবৰ্ষৰ বাবে হিন্দু ধৰ্ম তথা সমাজৰ এয়া অতি পবিত্ৰ আৰু জনপ্ৰিয় অনুষ্ঠান। সাম্প্ৰতিক সময়ত এয়া এটি শাওণমহীয়া মাঙ্গলিক উৎসৱলৈ পৰ্যবসিত হৈছে। প্ৰতি বছৰৰ শাওণ মাহৰ প্ৰতিটো দেওবাৰৰ বাবে এয়া এটি ▸▸৬ পৃষ্ঠাত

## অসমৰ উচ্ছেদ অভিযানৰ বিৰুদ্ধে সাংসদৰ সমৰ্থন বিচাৰি এ আই ইউ ডি এফৰ প্ৰতিনিধি দলৰ সাক্ষাৎকাৰ

**অসম বাৰ্তা, গুৱাহাটী, ২৮ জুলাই ঃ** অসমৰ বিভিন্ন প্ৰান্তত চলি থকা কঠোৰ উচ্ছেদ অভিযানৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে অল ইণ্ডিয়া ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্ট (এ আই ইউ ডি এফ)। এই অভিযানক অমানৱীয় আৰু অসাংবিধানিক বুলি ▸▸৬ পৃষ্ঠাত

ভাৰতৰ বিদেশ নীতিৰ ব্যৰ্থতাক লৈ সৰৱ সাংসদ গৌৰৱ গগৈৰ

## পাকিস্তানক ধিক্কাৰ জনোৱাৰ ক্ষেত্ৰত ব্যৰ্থ ভাৰতৰ বিদেশ নীতি

**অসম বাৰ্তা, নতুন দিল্লী, ২৮ জুলাই ঃ** লোকসভাত পহলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু অপাৰেচন সিন্দুৰৰ বিষয়ে তীব্ৰ বিতৰ্কৰ সময়ত কংগ্ৰেছৰ সাংসদ ▸▸৬ পৃষ্ঠাত



স্মাৰ্ট প্ৰিপেইড মিটাৰ যোগানৰ নামত হাজাৰ হাজাৰ কোটি টকাৰ ঠিকাত ব্যাপক কেলেংকাৰী

## দুৰ্নীতিৰ কেন্দ্ৰবিন্দুত পৰিণত বিজুলী ভৱন



অসম বাৰ্তা, গুৱাহাটী, ২৮ জুলাই: গুৱাহাটী প্ৰেছ ক্লাৱত সোমবাৰে অনুষ্ঠিত এক সংবাদমেলত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতৃত্বই অসম পাৱাৰ ডিষ্ট্ৰিবিউচন কোম্পানী লিমিটেড (এপিডিচিএল)ৰ প্ৰিপেইড স্মাৰ্ট মিটাৰ সংস্থাপনৰ ক্ষেত্ৰত সংঘটিত ব্যাপক অনিয়ম আৰু সংস্থাটোৰ ভিতৰত চলি থকা দুৰ্নীতিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনায়। সংগঠনটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া ▸▸৬ পৃষ্ঠাত

## অসমৰ ভূখণ্ডত NSCNৰ কোনো কাৰ্যকলাপ নাই আৰু ভৱিষ্যতেও হ'ব নোৱাৰে ঃ বিশ্বজিৎ ফুকন



**অসম বাৰ্তা, উৰিয়ামঘাট, ২৮ জুলাই ঃ** অসম-নাগালেণ্ড সীমান্তৰ গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ ৰেংমা বনাঞ্চলত বেদখলকাৰীৰ বিৰুদ্ধে বৃহৎ উচ্ছেদ অভিযানৰ প্ৰস্তুতি চলিছে। কাইলৈ প্ৰায় ১১ হাজাৰ বিঘা ভূমিৰ ▸▸৬ পৃষ্ঠাত

আৰক্ষীয়ে এয়া দুৰ্ঘটনা বুলিয়েই নিশ্চিত কৰিছে

## মই পলোৱা নাছিলো, পলোৱা হ'লে ইয়ালৈ আহিব নোৱাৰিলোহেঁতেন ঃ অভিনেত্ৰী নন্দিনী কাশ্যপ

**অসম বাৰ্তা, মহানগৰ, ২৮ জুলাই ঃ** গুৱাহাটীৰ মাজমজিয়াত দেওবাৰে নিশা জনপ্ৰিয় অভিনেত্ৰীৰ গাড়ীৰ খুন্দাত গুৰুতৰভাৱে আহত হৈছিল এজন শ্ৰমিক। পেটৰ তাড়নাত পুৱতি নিশা কাম কৰিবলৈ ওলাই অহা চামিউল হক নামৰ যুৱকজনক ঘণ্টাত ১২০ কিলোমিটাৰ স্পীডত বিলাসী বাহন চলাই অহা নন্দিনী কাশ্যপে মহটিয়াই ▸▸৬ পৃষ্ঠাত



## অপাৰেশ্যন মহাদেৱ ঃ শ্ৰীনগৰত সন্ত্ৰাসবাদ বিৰোধী অভিযানত তিনি সন্ত্ৰাসবাদী নিহত

**অসম বাৰ্তা, অনলাইন ডেস্ক, ২৮ জুলাই ঃ** জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ লিডৱাছ অঞ্চলত ভাৰতীয় সেনাৰ চিনাৰ কৰ্পছে 'অপাৰেশ্যন মহাদেৱ' নামৰ সন্ত্ৰাসবাদ বিৰোধী অভিযান আৰম্ভ কৰিছে। সোমবাৰে আৰম্ভ হোৱা এই অভিযানত হৰৱানৰ মুলনাৰ অঞ্চলত নিৰাপত্তাৰক্ষী আৰু সন্ত্ৰাসবাদীৰ মাজত তীব্ৰ গুলীচালনা হৈছে। ভাৰতীয় সেনাৰ তথ্য অনুসৰি, এই সংঘৰ্ষত এতিয়ালৈ তিনিজন সন্ত্ৰাসবাদী নিহত হৈছে। চিনাৰ কৰ্পছে মাইক্ৰ'ব্লগিং প্লেটফৰ্ম এ'ত জনোৱা মতে, "লিডৱাছৰ ▸▸৬ পৃষ্ঠাত



## প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ ড° হিমন্ত বিশ্ব শৰ্মাৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৌহাৰ্দ্যপূৰ্ণ সাক্ষাৎ কৰে। ড° শৰ্মাই প্ৰধানমন্ত্ৰীৰ সৈতে ৰাজ্যৰ বিভিন্ন খণ্ডৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰে। অহা ▸▸৬ পৃষ্ঠাত




কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে মাজুলীক মাহী আইৰ দৃষ্টিৰে চোৱাৰ অভিযোগ

## পুনৰ নিবিদা প্ৰক্ৰিয়াৰ মাজতে যোৰহাট মাজুলী দলঙৰ কেইবাটাও খুঁটাত বৃহৎ ফাঁট

## অভিযন্তা জ্যোষিতা দাসৰ মৃত্যুৰ চিবিআই তদন্তৰ দাবীত প্ৰদেশ কংগ্ৰেছৰ ভাৰ্চুৱেল প্ৰতিবাদ

**অসম বাৰ্তা, গুৱাহাটী, ২৮ জুলাই ঃ** নতুন প্ৰজন্মৰ অভিযন্তা জ্যোষিতা দাসৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ চিবিআই তদন্তৰ দাবীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে আজি সামাজিক মাধ্যমত এক ব্যাপক প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। ▸▸৬ পৃষ্ঠাত



**অসম বাৰ্তা, উজনী মাজুলী, ২৮ জুলাই ঃ** যোৰহাট-মাজুলী সংযোগী দলংৰ ইটোৰ পাছত সিটো অথন্তৰ নুগুচাই হৈছে। ২০১৬ চনত আধাৰশিলা স্থাপনেৰে দলং খনৰ প্ৰক্ৰিয়া আৰম্ভ হৈ পৰৱৰ্তী পাঁচটা বছৰৰ মূৰত ২০২১ বৰ্ষত দলং খনৰ আনুষ্ঠানিক নিৰ্মাণ কাৰ্য্য মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুভাৰম্ভ কৰাৰ পিছত অতি লেহেমীয়া গতিৰে দলংৰ কাম-কাজ চলি মাত্ৰ ৩৩ শতাংশ কামৰ অগ্ৰগতিৰ মাজতে যোৱা বৰ্ষৰ ছেপ্টেম্বৰৰ পৰা দলং খনৰ ▸▸৬ পৃষ্ঠাত

# মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, মাকুম, ২৭ জুলাই ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা নীতিৰ আধাৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কীৰ্তিমান ছাত্ৰ-ছাত্ৰী সকলক উৎসাহ আৰু প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যেৰে মাকুম আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতি বছৰে বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। বিগত বৰ্ষ সমূহৰ দৰে এই বৰ্ষটো মাকুম আঞ্চলিক ছাত্ৰ সন্থাই শনিবাৰে মাকুম স্থিত আগমন ভৱনত মাকুম অঞ্চলৰ কীৰ্তিমান ছাত্ৰ ছাত্ৰী সকলক উৎসাহ আৰু প্ৰেৰণা যোগোৱাৰ কাৰণে বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে। কোৰাছ আদিৰে আৰম্ভ হোৱা আজিৰ সমৰ্দ্ধনা অনুষ্ঠানৰ সভা খনিৰ সভাপতিত্ব কৰে আছুৰ প্ৰাক্তন ছাত্ৰ নেতা অনন্ত ফুকনে। তাৰ পাছতে অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে ছাত্ৰ- ছাত্ৰী সকলক উদ্দেশ্যি উৎসাহ আৰু প্ৰেৰণা মূলক বক্তব্য প্ৰদান কৰে। আজিৰ অনুষ্ঠানত মুঠ ১৬০ গৰাকী ছাত্ৰ - ছাত্ৰীক একোখনিকৈ অঙ্গ বস্ত্ৰ, সম্বৰ্ধনা পত্ৰ, এটা ফাইল আৰু এটা গছ পুলিৰে সমৰ্দ্ধনা জনোৱা হয়। তদুপৰি মাকুম জ্ঞানোদয় জাতীয় বিদ্যালয়ৰ কৰ্তৃপক্ষই মাকুম কেন্দ্ৰৰ পৰা সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰ প্ৰিয়ানুজ দত্তক বিশেষ ভাৱে বঁটা প্ৰদান কৰে। আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী



সাধাৰণ সম্পাদক সমৰ গোহাঁই, কাৰ্যনিৰ্বাহক সদস্য জিতেন্দ্ৰ চুতীয়া, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰতিম নেওগ, সাধাৰণ সম্পাদক কনচেং গগৈ, মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষ্যা ড° মালবিকা ফুকন ভুঞা, তিনিচুকীয়া অসামৰিক চিকিৎসালয়ৰ পৰামৰ্শদাতা আবুল আলি, মাকুম সাহিত্য সভাৰ সভাপতি, সম্পাদক, আছুৰ বিভিন্ন আঞ্চলিক সমিতিৰ বিষয়ববীয়া সকল, স্থানীয় দল-সংগঠনৰ বিষয়ববীয়া সকল প্ৰমুখ্যে কৰি কৃতীমান ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক-অভিভাবিকা সকল উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থকা সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সমৰ গোহাঁইয়ে সম্বৰ্ধনা জ্ঞাপন কৰা ছাত্ৰ-ছাত্ৰী সকলক ফলাফলৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি শিক্ষাৰ লগতে এখন সুস্থ সমাজ গঢ়ি তোলাত অগ্ৰাধিকাৰ দিব পাৰে তাৰেই আশা প্ৰকাশ কৰে। তদুপৰি ৰাজ্যৰ মহাবিদ্যালয় সমূহত অৱসৰী শিক্ষক নিযুক্তিৰ সিদ্ধান্তৰ বিৰোধিতা কৰি ৰাজ্যত নিবনুৱা সমস্যা সমাধান কৰিবলৈ আজিৰ এই অনুষ্ঠানৰ পৰাই দাবী জনায় ছাত্ৰ নেতা গৰাকীয়ে। প্ৰতিবছৰে মাকুম আঞ্চলিক ছাত্ৰ সন্থাই এনেদৰে ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰিব পৰা অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ পোৱাত সভাপতি শিৱা দাস আৰু সাধাৰণ সম্পাদক মনোৰম চুতীয়াই সকলোকে কৃতজ্ঞতা জনোৱাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে।

## জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা, মেধাৱী শিক্ষাৰ্থীক অভিনন্দন

# কাৰেং চাপৰি গাঁওৰক্ষী বাহিনীৰ সপ্তম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৭ জুলাই ঃ** যোৰহাট পুলিবৰ থানাৰ এলেকাভুক্ত কাৰেং চাপৰি গাঁৱৰক্ষী বাহিনীৰ সপ্তম প্ৰতিষ্ঠা দিৱস ২৫ জুলাইত কাৰেং চাপৰি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয় প্ৰাংগনত পালন কৰে। এই উদ্দেশ্যে পুৱা পৰিৱেশ নিকাকৰণৰ পাছতে বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মূল্য সিং পেগুৱে গছপুলি ৰোপণ কৰে। প্ৰতিযোগী নাম পঞ্জীয়নৰ পাছতে অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাত পিংকি মৰাণে প্ৰথম, তৰা কুটুমে দ্বিতীয়, জ্যোতিকা পেগু, পিয়ালী কুটুমে তৃতীয়, কবিতা আবৃত্তিত চুমচুমি পেগুৱে প্ৰথম, সুপ্ৰিয়া পেগুৱে দ্বিতীয়, সিদ্ধান্ত পেগুৱে তৃতীয়, নৃত্য প্ৰতিযোগিতাত কাষ্টুমী কুটুমে প্ৰথম, সোণাক্ষী দত্তই দ্বিতীয়, দিপু মৰাঙে তৃতীয়, ৰোহন পেগুৱে উদগনি স্থান লাভ কৰে। সখীনাথ পেগুৱে উদ্বোধন কৰা ভালেসংখ্যক শিশোৱে অংশগ্ৰহণ কৰা প্ৰতিযোগিতা পৰিচালনা কৰে সহকাৰী শিক্ষক দিলীপ পেগু, মীনাক্ষী দলে পেগুৱে। দুপৰীয়াৰ পৰা প্ৰধান শিক্ষক প্ৰভাত মৰাঙৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আদৰণী ভাষণ আগবঢ়ায় গাঁওৰক্ষী বাহিনীখনৰ সভাপতি ৰবীন্দ্ৰনাথ পেগুৱে। সম্পাদক গৌতম মৰাঙ নায়ক, ৰণোজ পেগুৱে আঁতধৰা সভাত গাঁৱৰক্ষী বাহিনীৰ লক্ষ্য, উদ্দেশ্য আৰু কৰণীয়ৰ সম্পৰ্কত সদৌ অসম গাঁওৰক্ষী বাহিনীৰ উপ-সভাপতি অৰুণ শৰ্মা, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া, পুলিবৰ থানা গাঁওৰক্ষী বাহিনীৰ চক্ৰ সংগঠক দিগন্ত কুমাৰ বৰা, সভাপতি হৰেন ভূমিজ, সমাজকৰ্মী গৌতম দলে, প্ৰমুখ্যে ভালেকেইগৰাকীয়ে বক্তব্য আগবঢ়ায়। পুলিবৰ থানাৰ আৰক্ষী বিষয়া সোণাৰাম গগৈ, গাঁৱৰক্ষী বাহিনীৰ উপ-সভাপতি জয়ন্ত মাধৱ শইকীয়া, জ্ঞানজ্যোতি মহিলা গাঁৱৰক্ষী বাহিনীৰ দীপাঞ্জলি বৰা, ৩৯ নং উত্তৰ বালিগাঁও পৰ্বতীয়া গাঁও পঞ্চায়তৰ সভাপতি খগেন মৰাঙ প্ৰমুখ্যে স্থানীয় ভালেসংখ্যক লোক উপস্থিত থকা মুকলি সভাখনতে স্থানীয় এলেকাটোৰ ১৯ গৰাকী বৰ্ষীয়ান ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে উচ্চ মাধ্যমিকৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ২১ গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ১৯ গৰাকী শিক্ষাৰ্থীক কাৰেং চাপৰি গাঁৱৰক্ষী বাহিনীয়ে অভিনন্দন জনোৱাৰ লগতে প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত মুকলি সভাতে পুৰস্কাৰ প্ৰদান কৰে।

## কচুৱাৰ বৰপানী বাগানত চুৰিকাণ্ড

**অসম বাৰ্তা, কচুৱা, ২৭ জুলাইঃ** যোৱা কালি বিয়লি নগাঁও জিলাৰ কচুৱা থানাৰ অন্তৰ্গত শিঙিমাৰী বৰপানী চাহ বাগানৰ গোপাল বাৰুৰ ঘৰত চুৰিকাণ্ড সংঘটিত হয়। ঘৰত কোনো নথকাৰ সুযোগ লৈ কোনো দুস্কৃতিকাৰীয়ে ঘৰৰ দৰ্জা আৰু তলা ভাঙি ঘৰত প্ৰৱেশ কৰি আ-অলংকাৰ আৰু নগদ ত্ৰিশ হাজাৰ টকা লুটি নিয়ে বুলি জানিব দিয়ে। এই সম্পৰ্কে আজি ভুক্তভোগী শিবাণী বাৰুয়ে কচুৱা থানাত এজাহাৰ দাখিল কৰে। ইপিনে কচুৱাৰ বিভিন্ন প্ৰান্তত কিছুদিন মুৰে মুৰে দিনে নিশাই চুৰিকাণ্ড সংঘটিত হোৱাত ৰাইজে আতংকত থাকিবলগীয়া হয়।

## ধমধমাৰ উপেন মিনা ফাউণ্ডেচনৰ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, ধমধমা, ২৭ জুলাইঃ** বাক্সা জিলাৰ শান্তিপুৰস্থিত স্বেচ্ছাসেৱী সংগঠন উপেন মিনা ফাউণ্ডেচনৰ ২০২৫ বৰ্ষৰ অভিনন্দন আৰু প্ৰেৰণা বঁটা অনুষ্ঠানটি অহা ৯ আগষ্টত ধমধমাৰ নিকটবৰ্তী শান্তিপুৰ মিলন হাইস্কুলত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে বিগত বৰ্ষসমূহৰ দৰে এইবেলিও মেট্ৰিকত ষ্টাৰ মাৰ্ক প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ লগতে অসমৰ সংগীত জগতৰ জনপ্ৰিয় নাম হিৰাশ্ৰী বৈশ্য, কবি মনিকা দাস, সাংবাদিক ভাস্কৰজ্যোতি ডেকা, নাগাৰা নামৰ শিল্পী শংকৰ তালুকদাৰক ২০২৫ বৰ্ষ প্ৰেৰণা বঁটা প্ৰদান কৰিব বুলি মুখ্য পৰিচালক ৰজনী বৈশ্যই জানিবলৈ দিছে। ইতিমধ্যেই নুৰ ইছলাম আলীক সভাপতি, প্ৰণৱ কুমাৰ বৈশ্য কাৰ্যকৰী সভাপতি, প্ৰণৱ তালুকদাৰক সম্পাদক, সৌৰভ কুমাৰ তালুকদাৰ আৰু ধ্ৰুৱজ্যোতি বৰাক সহঃ সম্পাদক হিচাপে লৈ এখন তেৰ জনীয়া পৰিচালনা সমিতি গঠন কৰিছে।

## গোলাঘাটত অসম উড়িয়া সন্মিলনৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত আটছাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ বৰাইক

# ৰাজপথৰ আন্দোলন নহয়, চাহ জনগোষ্ঠীৰ মাজত হ'ব লাগিব বৌদ্ধিক আন্দোলন

## এই চৰকাৰে চাহ জনগোষ্ঠীৰ মাজলৈ বিপ্লৱ আনিছে

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৬ জুলাইঃ** "শিক্ষাৰ পোহৰে আলোকিত কৰি এটা জাতিৰ দিক নিৰ্ণয় কৰে। চাহ জনগোষ্ঠী ৰাইজক কোনো আঁচনিয়ে সঁচা অৰ্থত আগবঢ়াই নিব নোৱাৰে। উপযুক্ত শিক্ষাৰ জৰিয়তে জনগোষ্ঠীটোৰ ভৱিষ্যত প্ৰজন্মই নিজকে মানুহ হিচাপে প্ৰস্তুত কৰি উপযুক্তভাৱে গঢ়ি তুলিব পাৰিলে জনগোষ্ঠীটো সৰ্বৰ্তে আগবাঢ়ি যাব। গোলাঘাট নগৰৰ পৌৰ সভা কাৰ্যালয়ৰ সভাকক্ষত আজি অসম উড়িয়া মহাসভা, গোলাঘাট জিলা সমিতিৰ উদ্যোগত আয়োজিত কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চাহ জনজাতি ছাত্ৰ সন্থা(আটছা) ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ বৰাইকে এনেদৰে মন্তব্য কৰে। উড়িয়া মহাসভা, গোলাঘাট জিলাৰ সভাপতি চালেগ্ৰাম তাঁতীৰ সভাপতিত্বত অনুষ্ঠানত তেওঁ আৰু কয় যে, শিক্ষা কেৱল জীৱিকা নিৰ্বাহৰ সমল হোৱা উচিত নহয়। বহু কৃতী ছাত্ৰ-ছাত্ৰীয়ে নিজকে ডাক্তৰ, ইঞ্জিনিয়াৰিং, বিষয়া, নেতা, মন্ত্ৰী হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ পাছত জাতিটোৰ বাবে ঘূৰি নাচায়, সমাজখনৰ বাবে, মানুহৰ বাবে তথা সমাজখনৰ কল্যাণৰ বাবে ঘূৰি চোৱাৰ অৱকাশ নহয়। ই চৰম দুৰ্ভাগ্যজনক। চাহ জনগোষ্ঠীৰ নৱ-প্ৰজন্মক দেশ তথা সমাজখনৰ বাবে উৎসৰ্গিত এটা বহল মন লৈ আগবাঢ়িবলৈ তেওঁ আজি উদাত্ত আহ্বান জনায়। অন্যহাতে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি, ভূমিৰ পট্টা আদি ন্যায্য দাবী সমূহেই চাহ জনগোষ্ঠীৰ বাবে একমাত্ৰ নহয় বুলি তেওঁ উল্লেখ কৰি অসমীয়া জাতিটোৰে, অসমৰ জাতীয় জীৱনে চাহ জনগোষ্ঠীৰ পৰা কি বিচাৰে সেইখিনিও উপযুক্তভাৱে হৃদয়ংগম কৰি সচেষ্ট ভূমিকা পালন কৰিলেহে চাহ জনগোষ্ঠীৰ ভেটি অধিক সুদৃঢ় হ'ব বুলি উল্লেখ কৰে। ৰাজপথৰ আন্দোলন নহয়, বৌদ্ধিক আন্দোলনৰ জৰিয়তে চাহ জনগোষ্ঠীৰ সুস্থ, সবল সমাজ গঠনত মনোনিৱেশ কৰিবলৈ লগতে তেওঁ আহ্বান জনায়। পূৰ্বতে বেংক চিনি পোৱা নাছিল চাহ শ্ৰমিক ৰাইজে। নামকটাৰ টকা কেইটাও মধ্যভোগীৰ জৰিয়তে উলিয়াই, মহাজনৰ ওচৰত জমা ৰাখি প্ৰতাৰিত হ'বলগীয়া হৈছিল। শিক্ষাৰ আন্তঃগাঁথনি নাছিল। চাহ বাগিচাত নাছিল পকী ৰাস্তাও। এই চৰকাৰে চাহ জনগোষ্ঠীৰ মাজত একপ্ৰকাৰ বিপ্‌ৱ আনিবলৈ সক্ষম হোৱা বুলিও উল্লেখ কৰে। উড়িয়া মহাসভা, গোলাঘাট জিলা সমিতিৰ সম্পাদক চম্পক নায়কে আঁত ধৰা অনুষ্ঠানত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পুতুল চন্দ্ৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে, জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞা সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যি সাৱলীল বক্তব্য আগবঢ়ায়। অনুষ্ঠানত অসম উড়িয়া মহাসভাৰ কেন্দ্ৰীয় উপ-সভাপতি অসীম তাঁতী, বিশ্বনাথ তাঁতী, পৰেশ তাঁতী, দুধনাথ সিং ৰাজপুত আদি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে।




# শদিয়া সমজিলা আয়ুক্ত, সুদক্ষ এ চি এছ বিষয়া মানস জ্যোতি নাথৰ বিদায় সম্বৰ্দ্ধনা

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৪ জুলাই ঃ** আজি শদিয়া সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সভাকক্ষত আগন্তুক স্বাধীনতা দিৱস-২৫ৰ এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। উক্ত সভাত পৌৰোহিত্য কৰে শদিয়া সমজিলা আয়ুক্ত মানস জ্যোতি নাথে। সভাত সহকাৰী আয়ুক্ত পৰ্চিয়া খনিকৰ, পৃথ্বীৰাজ শইকীয়া, অঙ্কিত মিত্ৰ, অতিৰিক্ত আৰক্ষী অধীক্ষক অৰুণিমা ভুঞা, বিভিন্ন কাৰ্য্যালয়ৰ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকল, শদিয়াৰ বিশিষ্ঠ নাগৰিকসকল, ৰেডক্ৰচ চ'চাইটিৰ সদস্যসকল, লেখিকা সমাৰোহ সমিতিৰ কুণ্ডিল শাখাৰ সদস্যাসকল তথা সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে। সভাত সমজিলা আয়ুক্ত মানস জ্যোতি নাথে সকলোকে সম্ভাষণ জনাই আগন্তুক স্বাধীনতা দিৱস উদযাপনৰ ক্ষেত্ৰত শদিয়া সমজিলা প্ৰশাসনক সহায়-সহযোগিতা আগবঢ়াবৰ বাবে সকলোকে অনুৰোধ জনায়। সভাত আয়ুক্ত নাথে যোৱা বছৰৰ কাৰ্য্যবিৱৰণীৰ বিষয়সমূহ উত্থাপন কৰে আৰু সাল-সলনিৰ সন্দৰ্ভত মতামত পোষণ কৰিবৰ বাবে সকলোকে অনুৰোধ জনায়। উল্লেখ্য যে, শদিয়া সমজিলা আয়ুক্ত মানস জ্যোতি নাথে সৰুপথাৰ সমজিলালৈ বদলি হোৱা হেতুকে উক্ত সভাতেই তেখেতৰ বিদায় সম্ভাষণ জনোৱা হয়। বিদায় সভাৰ আঁত ধৰে ৰেডক্ৰচ চ'চাইটিৰ সভাপতি গুণীন চুতিয়াই। সভাত শদিয়া সমষ্টিৰ বিধায়ক বলিন চেতিয়া আৰু তেখেতৰ সহধৰ্মিনী শুভলক্ষ্মী চেতিয়াও উপস্থিত থাকে। সভাত সমজিলা আয়ুক্ত তথা অসম অসামৰিক সেৱা(এ চি এছ)ৰ দায়িত্বশীল বিষয়া মানস জ্যোতি নাথক ৰেডক্ৰচ চ'চাইটিৰ সদস্যসকল, লেখিকা সমাৰোহ সমিতিৰ কুণ্ডিল শাখাৰ সদস্যাসকল, সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ উপৰিও বিধায়ক বলিন চেতিয়া আৰু তেখেতৰ সহধৰ্মিনীয়েও সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

## যোৰহাট জিলা মুক্তিযোদ্ধা সন্মিলনৰ স্বাধীনতা দিৱসৰ সপ্তাহজোৰা কাৰ্যসূচী

**অসম বাৰ্তা, যোৰহাট, ২৬ জুলাই ঃ** যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনে ৯ আগষ্টৰ ভাৰত ত্যাগ দিৱসৰ পৰা ১৫ আগষ্টলৈকে সপ্তাহজোৰা কাৰ্যসূচীৰে স্বাধীনতা দিৱস পালনৰ আয়োজন কৰিছে। যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ কাৰ্যকৰী সভাপতি গীৰিশ চন্দ্ৰ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৯ আগষ্টৰ ভাৰত ত্যাগ দিৱস উপলক্ষে পুৱা পতাকা উত্তোলন, ১০-৩০ বজাৰ পৰা স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত দেশপ্ৰেমৰ ভাব উদ্বুদ্ধ কৰিবৰ বাবে নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত লীলাৰাম দলৈ (মাধৱ) সোঁৱৰণী স্বাধীনতা সংগ্ৰাম বিষয়ক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। যোৰহাট জিলাৰ ৫জন মুক্তিযোদ্ধাক সম্বৰ্দ্ধনা জনোৱাৰ লগতে জিলাখনৰ বিভিন্ন গাঁও অঞ্চলত সন্মিলনৰ প্ৰতিনিধিৰ দ্বাৰা জনসচেতনতা গঢ়ি তোলা হ'ব। ১৫ আগষ্টৰ বিয়লি মহুৱা চৌধুৰীৰ যোৰহাট কলা নিকেতনৰ ছাত্ৰ-ছাত্ৰী, স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নৃত্য-গীত, নাট্যকাৰ প্ৰশান্ত কুমাৰ দাস ৰচিত আৰু ধীৰেন্দ্ৰ কুমাৰ গগৈৰ পৰিচালনাত সংগীতালেখ্য প্ৰদৰ্শন হ'ব। সন্মিলনৰ উপ-সভাপতি ড° প্ৰমোদ চন্দ্ৰ নেওগ, সহ সম্পাদক প্ৰণব দলৈ, নিৰেণ শৰ্মা, মুনীন্দ্ৰ নাথ দত্ত, বেদান্ত দত্ত, ডলি শইকীয়া, দেবজিৎ বৰুৱাই আলোচনাত অংশ গ্ৰহণ কৰে। সম্পাদক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে স্বাধীনতা দিৱসৰ কাৰ্যসূচীত জনসাধাৰণৰ সহযোগিতা কামনা কৰিছে।

# অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ খণ্ডীয়া উপ শাখাৰ প্ৰতিনিধি সভা সম্পন্ন, নতুন সমিতি গঠন

অসম বাৰ্তা ডিমৌ, ২৬ জুলাইঃ অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ৰ কেন্দ্ৰীয় সমিতিৰ অধিবেশনৰ পূৰ্বে ৰাজ্যজুৰি চলি থকা গঠন প্ৰক্ৰিয়াৰ অংশস্বৰূপে আজি ডিমৌ শাখাৰ অন্তৰ্গত খণ্ডীয়া উপ শাখাৰ প্ৰতিনিধি সভা এক প্ৰতিনিধি সভা সফলতাৰে সম্পন্ন হয়। খৰাহাট চাহ বাগিচাৰ মাজ লাইন প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত উক্ত সভাখনত সভাপতিত্ব কৰে খণ্ডীয়া উপ শাখাৰ সম্পাদক বিৰেন্দ্ৰ তাঁতীয়ে। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চাহ জনজাতি ছাত্ৰ সন্থা ডিমৌ শাখাৰ সভাপতি বিচিত্ৰ তাঁতীয়ে। পৰ্যবেক্ষকৰূপে উপস্থিত থাকে শাখাৰ সম্পাদক বিশ্ব, কাৰ্যনিৰ্বাহ সদস্য দীপজ্যোতি গোৱালা আৰু দেৱজিৎ কালোৱা। প্ৰতিনিধি সভাৰ আৰম্ভণিত আটছাৰ প্ৰতিষ্ঠাপক নেতাসকল চাইমন সিংহ আৰু সন্তোষ কুমাৰ তপ্পৰ প্ৰতিছবিত বন্তি প্ৰজ্বলনৰ মাধ্যমে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। বন্তি প্ৰজ্বলন কৰে বিশিষ্ট শিক্ষক তথা প্ৰাক্তন ছাত্ৰ নেতা সুমেশ দাসে। সভাত বিশেষ অতিথি হিচাপে উপস্থিত থাকে চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ শিৱসাগৰ জিলাৰ সম্পাদক তাৰুণ কুৰ্মী আৰু আটছাৰ প্ৰাক্তন নেতা ললিত খদালেও। সভাখনত খণ্ডীয়া উপ শাখাৰ অধীনত থকা পাঁচ খন প্ৰাথমিক সমিতিৰ শতাধিক ছাত্ৰ-ছাত্ৰী সকলে অংশ গ্ৰহণ কৰে। বহল জনসমাগম আৰু একতাৰ চিত্ৰ প্ৰদৰ্শন কৰা এই প্ৰতিনিধি সভাত হৰেশ দাসক সভাপতি আৰু শ্যাম দাসক সম্পাদক হিচাপে লৈ ৩১ সদস্যৰ নতুন শক্তিশালী উপ শাখা গঠন কৰা হয়। সভাখনত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা, জাতি-সাংস্কৃতিক অগ্ৰগতি, চাহ জনগোষ্ঠীৰ অধিকাৰ আৰু উন্নয়নমূলক বিভিন্ন বিষয়ত মত বিনিময় কৰে। সভাৰ শেষত নতুন গঠিত উপ শাখাই ভৱিষ্যতে ছাত্ৰ সংগঠনৰ আদৰ্শৰে সৈতে সজাগভাৱে কাম কৰি যাম বুলি দৃঢ় প্ৰতিজ্ঞা ব্যক্ত কৰে।

# বৰক্ষেত্ৰীত মৰাপাটৰ বজাৰ স্থানান্তৰক লৈ ব্যাপক প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৭ জুলাইঃ** নলবাৰীৰ বৰক্ষেত্ৰীৰ চৰ অঞ্চলৰ কৃষক সকলৰ উৎপাদিত মৰাপাট আৰু ধান বিক্ৰীৰ কেন্দ্ৰস্থল পেৰাধৰাৰ বৃহৎ বজাৰখন স্থানান্তৰ কৰাক লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চৰ অঞ্চলত উৎপাদিত মৰাপাট আৰু ধান নাৱেৰে আনি ব্ৰহ্মপুত্ৰৰ ঘাটত গঢ় লৈ উঠা প্ৰায় ত্ৰিশ বছৰ পুৰনি পেৰাধৰা বজাৰত বিক্ৰী কৰি আহিছিল যদিও বজাৰখন স্থানান্তৰ কৰাৰ বাবে এতিয়া পেৰাধৰা ঘাটৰ পৰা বজাৰলৈ পুনৰ গাড়ী ভাৰা কৰি মৰাপাট আৰু ধানসমূহ নিব লগা হোৱাত কৃষকসকল উচিত মূল্যৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। উল্লেখ্য যে শনিবাৰে পেৰাধৰা বজাৰতে এই বছৰৰ মৰাপাট বিক্ৰীৰ শুভাৰম্ভ কৰা হয়। উক্ত বজাৰৰ পৰাই অসমৰ নলবাৰী, বৰপেটা, হাজো, চেঙা, মন্দিয়া, হাউলি, বৰপেটা ৰ'ড আদি বৃহৎ অঞ্চললৈ ব্যাপক হাৰত মৰাপাট ৰপ্তানি হৈ আহিছে। এতিয়া অঞ্চলসমূহৰ কৃষক আৰু পেৰাধৰা মিলিজুলি ব্যৱসায়ী সন্থাই বজাৰখন পেৰাধৰা ঘাটতে ৰাখিবলৈ আহ্বান জনাইছে। এতিয়া প্ৰশ্ন উঠিছে কাৰ ষড়যন্ত্ৰৰ বলি হ'ল কৃষকসকল? কাৰ স্বাৰ্থত চৰকাৰী ভূমিত থকা বজাৰখন অন্য স্থানলৈ স্থানান্তৰ কৰা হ'ল? এইয়া এতিয়া হোজা কৃষসকলৰ লগতে বৃহত্তৰ বৰক্ষেত্ৰী অঞ্চলটোৰ সচেতন মহলৰ বাবে ৰহস্যৰ বিষয়।

# মাটিয়াত তিনি চোৰসহ ৫ কুইন্টল চুপাৰি উদ্ধাৰ



**অসম বাৰ্তা, শিমলীতোলা, ২৭ জুলাইঃ** গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষীয়ে অভিযান চলাই কৃষ্ণাইৰ পৰা ৫ কুইন্টল চুপাৰিসহ তিনিজন চুপাৰি চোৰ গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে কেইদিনমান পূৰ্বে সূতাৰপাৰাৰ চৈয়দ জামাল নামৰ চুপাৰি ব্যৱসায়ীজনে কৃষ্ণাইৰ আমিনুল ইছলামৰ দুটা কোঠালি ভাৰালৈ ৫০ কিলোগ্ৰাম ওজনৰ ২১টা বস্তাভৰ্তি চুপাৰি ৰাখিছিল। কিন্তু চোৰে তলা ভাঙি চুপাৰি বস্তাসমূহ চুৰি কৰি লৈ যায়। ঘটনা সন্দৰ্ভত মাটিয়া আৰক্ষীক অৱগত কৰি বিচাৰ-খোঁচাৰ অব্যাহত ৰাখিছিল যদিও পিছত চুপাৰি চোৰৰ কোনো সন্ধান নাপাই অৱশেষত মাটিয়া আৰক্ষী থানাত এজাৰৰ দাখিল কৰে। আৰক্ষীয়ে গোচৰটো ৫৩/২০২৫ নম্বৰত বিএনএছ আইনৰ ৩৩১(৪)/৩০৫ ধাৰাত ৰুজু কৰি তদন্ত চলাই সূতাৰপাৰাৰ পৰা আমিনুল ইছলাম (৩২)ক আটক কৰি আনি সোধা-পোছা কৰাত সকলো তথ্য পোহৰলৈ আহে। আমিনুল ইছলামে আৰক্ষীৰ আগত দিয়া স্বীকাৰোক্তি অনুসৰি তেওঁৰ কৃষ্ণাইত থকা ঘৰৰ দুটা কোঠালি ভাৰা লৈ চৈয়দ জামালে চুপাৰিখিনি ৰাখিছিল। আমিনুল ইছলামে কৃষ্ণাইৰ সৰদাৰপাৰাৰ শ্বাহৰুখ খান (২১) আৰু কৃষ্ণাইৰ ধাইগাঁৱৰ আলী আকবৰ (৩৩)ৰ সৈতে মিলি চুপাৰিখিনি চুৰি কৰিছিল বুলি আৰক্ষীৰ আগত স্বীকাৰোক্তি দিয়ে। আমিনুল ইছলামৰ স্বীকাৰোক্তিৰ ওপৰত ভিত্তি কৰি মাটিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিপুমণি চৌধুৰীৰ নেতৃত্বত অভিযান চলাই বাকী দুই চুপাৰি চোৰ ক্ৰমে শ্বাহৰুখ খান আৰু আলী

## চলচলিত গ্ৰীষ্মকালীন শিবিৰৰ সামৰণি

**অসম বাৰ্তা, পুৰণিগুদাম, ২৬ জুলাইঃ** নগাঁও জিলাৰ পুৰণিগুদাম ড' বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ এটা গ্ৰীষ্মকালীন শিবিৰ চলচলি পিডিজি হাইস্কুলত যোৱা ১ জুলাইৰ পৰা ২৪ জুলাইলৈ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ছাত্ৰ দৰ্পন শইকীয়া, বিক্ৰমজিৎ ভৰদ্বাজ আৰু ছাত্ৰী প্ৰীতিৰেখা শইকীয়াৰ নেতৃত্বত অনুষ্ঠিত হোৱা এই গ্ৰীষ্মকালীন শিবিৰত শৈক্ষিক দিশৰ উপৰিও সাংস্কৃতিক দিশত গুৰুত্ব আৰোপ কৰে ছাত্ৰ-ছাত্ৰী কেইগৰাকীয়ে। বিশেষকৈ গ্ৰীষ্মকালীন শিৱিৰত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰৰ পৰা ১১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে তেজীমলা নাটক মঞ্চস্থ কৰি উপস্থিত দৰ্শকসকলক মুগ্ধ কৰে। মহাবিদ্যালয়ৰ পঞ্চম যান্মাষিকৰ ছাত্ৰ-ছাত্ৰী তিনিগৰাকীয়ে গ্ৰীষ্মকালীন শিবিৰত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰাৰ উপৰিও নাটকৰ প্ৰশিক্ষণ দি নাট মঞ্চস্থ কৰাটোয়ে শিৱিৰত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে।

# গোলাঘাট মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ বাৰ্ষিক অধিবেশন সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৭ জুলাইঃ** গোলাঘাট মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিবেশনখনি যোৱা ২৫ জুলাইত কেন্দ্ৰীয় শিক্ষা খণ্ডৰ অন্তৰ্গত পূব খুমটাই কেন্দ্ৰৰ (মেলামৰা) মৌখোৱা মুক্তাব প্ৰাথমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। বাৰ্ষিক অধিবেশন উপলক্ষে পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহকুমা সন্মিলনীৰ সভাপতি বিশ্বজিৎ গগৈয়ে। স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে মহকুমা সন্মিলনীৰ মুখ্য উপদেষ্টা হেমকান্ত বৰাই। স্মৃতি তৰ্পণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সদ্য প্ৰয়াত উপ সভাপতি শ্বৰিফ হাচানৰ প্ৰতিছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ আঁত ধৰে সত্যব্ৰত ৰাজখোৱা আৰু মহকুমা সন্মিলনীৰ উপ-সভাপতি দিলীপ ফুকনে। অন্যহাতে সেইদিনা পুৱা বৃক্ষৰোপণ কাৰ্যসূচী শোভাৰম্ভ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি অনিল বৰুৱা আৰু কেন্দ্ৰ সন্মিলনীৰ সভাপতি নৱজ্যোতি বৰুৱা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি চাহাজত আলিয়ে। ইয়াৰ পাছতেই অনুষ্ঠিত হোৱা সম্বৰ্ধনা সভাখনিত পূব খুমটাই কেন্দ্ৰৰ শিক্ষক শিক্ষয়িত্ৰী দ্বাৰা পৰিৱেশন কৰা সমবেত সংগীতেৰে শুভাৰম্ভ কৰা হয়। সভাখনিৰ উদ্বোধক হিচাপে উপস্থিত থাকে গোলাঘাট কেন্দ্ৰীয় শিক্ষাখণ্ডৰ শিক্ষা বিষয়া নিলাক্ষী ৰাজকুমাৰী। মৌখোৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী ফৰিদা বেগম বৰমোল্লাই বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰা সভাত পূব খুমটাই (মেলামৰা) কেন্দ্ৰৰ ইতিপূৰ্বে অৱসৰ গ্ৰহণ কৰা শিক্ষক শিক্ষয়িত্ৰী সকলক মহকুমা সন্মিলনী তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। গোলাঘাট মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি বিশ্বজিৎ গগৈয়ে সভাপতিত্ব কৰা প্ৰতিনিধি সভাখনি উদ্বোধন কৰে গোলাঘাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি দুলাল শইকীয়াই।

**AFFIDAVIT**
**- শপতনামা -**

পশ্চিম দলগাঁও মৌজাৰ ১/২ নং বৰুৱাঝাৰ গাঁৱৰ ৬৪৭, ১৭৪ নং ম্যাদী পট্টাৰ ১০৫৮, ১০৯ দাগত মোৰ নামটো ভুলৱশত ম: মতলেব আলি হৈ আছে আৰু পিতাৰ নাম চাবেদ আলি হৈ আছে। গাঁও প্ৰধানৰ প্ৰমাণ পত্ৰ, শপত নামা, পান কাৰ্ড, ভোটাৰ তালিকাৰ তথ্য মতে মোৰ শুদ্ধ নামটো হৈছে ম: মতলেব উদ্দিন আৰু পিতাৰ নাম ছাহেদ আলী।

দলগাঁৱৰ পশ্চিম দলগাঁও মৌজাৰ পদোপৰি গাঁৱৰ ১২০ নং ম্যাদী পট্টাৰ ২৪৪ দাগত মোৰ নামটো ভুলৱশত হৈ আছে হাফিজউদ্দিন আহমেদ আৰু পিতাৰ নাম বালি সেখ হৈ আছে। গাঁও প্ৰধানৰ প্ৰমাণ পত্ৰ, শপত নামা, পান কাৰ্ড, ভোটাৰ তালিকাৰ তথ্য মতে মোৰ শুদ্ধ নাম হানিফ উদ্দিন আহমেদ আৰু পিতাৰ নাম বালি সেখ।

# গোলাঘাট মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ বাৰ্ষিক অধিবেশন সম্পন্ন

**অসম বাৰ্তা, খুমটাই, ২৬ জুলাই ঃ** পূব খুমটাই কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত ২৫জুলাইত মৌখোৱা মুক্তাৰ প্ৰাথমিক বিদ্যালয়ৰ চৌহদত এদিনীয়া কাৰ্য্যসূচীৰ গোলাঘাট মহকুমা প্ৰাথমিক শিক্ষাক সন্মিলনীৰ বাৰ্ষিক অধিবেশন খনি অনুষ্ঠিত হৈ যায়। অধিবেশনৰ উপলক্ষে পুৱা পৰিবেশ নিষ্কাশনৰ পিচতেই মহকুমা শিক্ষক সন্মিলনীৰ সভাপতি বিশ্বজিৎ গগৈয়ে পতাকা উত্তোলন কৰি কাৰ্য্যসূচী শুভাৰম্ভণি কৰে। মুখ্য উপদেষ্টা হেমকান্ত বৰাই স্মৃতি তৰ্পণ কৰা অনুষ্ঠানত বৃক্ষৰূপন কৰে শিক্ষক অনিল বৰুৱা, নৱজ্যোতি বৰা আৰু চাহাজত আলিয়ে। শিক্ষক সত্যব্ৰত ৰাজখুৱাই আত ধৰা অনুষ্ঠানত ৰাজ্যিক সন্মিলনীৰ উপ: সভাপতি সদ্য প্ৰয়াত শ্বৰিফ হাচানৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্য প্ৰদান কৰা হয়। গোলাঘাট কেন্দ্ৰীয় শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নিলাক্ষী ৰাজকুমাৰীয়ে উদ্বোধন কৰা সম্বৰ্ধনা সভাত প্ৰধান শিক্ষয়িত্ৰী ফৰিদা বেগম বৰমোল্লাই বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি শিক্ষক সংগঠনৰ ভূমিকা




আৰু শৈক্ষিক বাতাবৰণ ওপৰত বহুমূলীয়া বক্তব্য প্ৰদান কৰে। মহকুমাৰ সন্মিলনীৰ প্ৰাক্তন সভাপতি দুলাল শইকীয়াই প্ৰতিনিধি সভাখন উদ্বোধন কৰা অনুষ্ঠানত মহকুমাৰ বিভিন্ন কেন্দ্ৰ সভাৰ পৰা অহা প্ৰতিনিধি আৰু দৰ্শক প্ৰতিনিধিয়ে ভাগ লয়। মহকুমখ শিক্ষক সন্মিলনীৰ সম্পাদক জ্যোতিপ্ৰকাশ বৰুৱাই আতধৰা উক্ত সভাত শিক্ষকৰ সমস্যা ৰাজকীয় ওপৰত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। শিক্ষক শিক্ষয়িত্ৰী সকলে সমবেত সংগীত পৰিবেশন কৰা অনুষ্ঠানত বহু কেইগৰাকী প্ৰাক্তন শিক্ষক শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অধিবেশনৰ অন্তত পতাকা অবনমিত কৰণেৰে অধিবেশনৰ কাৰ্য্যক্ৰমণিকা সামৰণি পৰে।

**কংগ্ৰেছ, এ আই ইউ ডি এফ এৰি অগপমুখী বহু**

# লেংটিছিঙাৰ সম্বৰ্ধনা সভাত অগপৰ কেন্দ্ৰীয় সভাপতি অপূৰ্ব কুমাৰ ভট্টাচাৰ্য

**অসম বাৰ্তা, অভয়াপুৰী, ২৬ জুলাই ঃ** অসম গণ পৰিষদৰ সৃজনগ্ৰাম বিধান সভা সমষ্টি সমিতিৰ উদ্যোগত আৰু লেংটিছিঙা আঞ্চলিক সমিতিৰ সহযোগত আজি লেংটিছিঙা বজাৰত এক বৃহৎ সম্বৰ্ধনা সভা আয়োজন কৰা হয়। সদ্য সমাপ্ত পঞ্চায়ত নিৰ্বাচনত বিভিন্ন গাঁও পঞ্চায়তৰ পৰা অগপৰ সমৰ্থনত বিজয়ী হোৱা সদস্য আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যসকলক এই সভাত আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে, ২৩টা গাঁও পঞ্চায়তৰ ভিতৰত ১১টা পঞ্চায়তত অগপৰ দখল হোৱা ঘটনাই দলটোৰ সাংগঠনিক শক্তি স্পষ্ট কৰি তুলিছে। এই সম্বৰ্ধনা সভাত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ এৰি



শতাধিক কৰ্মীয়ে অগপত আনুষ্ঠানিকভাৱে যোগদান কৰে। আজিৰ সভাত অগপৰ কেন্দ্ৰীয় উপ সভাপতি অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, কেন্দ্ৰীয় সম্পাদক ভূপেন ৰায়, জিলাৰ সম্পাদক আক্ৰাম আলী, সমষ্টিৰ সভাপতি আব্দুল হক, অভয়াপুৰীৰ সভাপতি পূৰ্ণেন্দু বনিক্য, টাপাট্টাৰী আঞ্চলিক পঞ্চায়ত সভাপতি ৰাজীৱ আলী, প্ৰাৰ্থীত্ব প্ৰত্যাশী ছহিদুল হক প্ৰমুখ্যে বহু নেতা আৰু দলীয় কৰ্মীয়ে অংশগ্ৰহণ কৰে। সভাত ভাষণ প্ৰদান কৰি অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই তৃণমূল পৰ্যায়ত মিত্ৰ দলৰ সংঘাতৰ সম্ভাৱনা স্বীকাৰ কৰি কয়, “যেতিয়া মিত্ৰদল দুয়োটাৰ শক্তি সমান হয়, সংঘাত হবই। তথাপি মিত্ৰতাৰ ধৰ্ম মানি সংযম আচৰণ কৰাটো দুয়ো পক্ষৰ দায়িত্ব।” ভৱিষ্যৎ বিধানসভা নিৰ্বাচন সন্দৰ্ভত তেওঁ মন্তব্য কৰে যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি বঙাইগাঁও, অভয়াপুৰী আৰু সৃজনগ্ৰাম বিধান সভা সমষ্টিত যি দলৰ সাংগঠনিক ভিত্তি অধিক শক্তিশালী, সেই দলকেই প্ৰাৰ্থীত্ব দিয়া হ'ব। বিশেষকৈ নতুনকৈ গঠন হোৱা অভয়াপুৰীৰ দুই সমষ্টিত পঞ্চায়ত নিৰ্বাচনত অগপৰ উল্লেখযোগ্য জয়ই দলটোৰ আত্মবিশ্বাস বৃদ্ধি কৰিছে বুলি তেওঁ মন্তব্য কৰে। আজিৰ এই সম্বৰ্ধনা সভা আৰু যোগদান অনুষ্ঠানৰ জৰিয়তে অগপই সৃজনগ্ৰাম আৰু অভয়াপুৰী সমষ্টিত নিজৰ সাংগঠনিক শক্তি পুনৰ প্ৰতিপন্ন কৰিলে। নিৰ্বাচনলৈ এতিয়াও সময় আছে। অভয়াপুৰী আৰু সৃজনগ্ৰাম সমষ্টিত মিত্ৰজোঁটৰ কোনে প্ৰতিদ্বন্দ্বিতা কৰে তাৰ ওপৰত ভিত্তি কৰি জয়-পৰাজয় নিৰ্ভৰ কৰিব।

# খুমটাইত ২৬ সংখ্যক কাৰ্গিল বিজয় দিৱস উদ্‌যাপন; অভিনন্দন গ্ৰন্থ, কাব্য সংকলন উন্মোচন

**অসম বাৰ্তা, খুমটাই, ২৬ জুলাই ঃ** ভাৰত সীমান্ত কাৰ্গিলত ১৯৯৯চনত পাকিস্তানৰ সৈতে হোৱা যুদ্ধত জয়লাভ কৰি সমগ্ৰ দেশে প্ৰতিবছৰে কাৰ্গিল বিজয় দিৱস উদযাপন কৰি আহিছে। সমগ্ৰ দেশৰ লগতে আজি গোলাঘাট জিলাৰ খুমটাইটো বিগত বৰ্ষ বিলাকৰ দৰেই এইবাৰো কাৰ্গিল শ্বহীদ কেপ্টেইন জিণ্টু গগৈৰ সমাধি ক্ষেত্ৰত জাচিংফা লেখিকা সমাৰোহ সমিতি আৰু পৰিয়াল বৰ্গৰ সহযোগত দিনজোৰা কাৰ্য্যক্ৰমণিকাৰে ২৬সংখ্যক কাৰ্গিল বিজয় দিৱস উদযাপন কৰা হয়। বিজয় দিৱসৰ পুৱা ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বীৰ শ্বহীদ কেপ্টেইন জিণ্টু গগৈৰ পিতৃ তথা প্ৰাক্তন বায়ু সেনাৰ বিষয়া ঠগিৰাম গগৈয়ে। খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই বীৰ শ্বহীদ গৰাকীৰ সমাধিত স্মৃতি তৰ্পণ কৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী ভৱাণী বাইলুংৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। গোলাঘাট জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ডালিমী শইকীয়া বৰাই মুকলি সভাৰ বন্তি প্ৰজ্বলনৰে অনুষ্ঠিত অনুষ্ঠানটি উদ্বোধন কৰে খুমটাই জয়া গগৈ মহাবিদ্যালয়ৰ অধ্যাপিকা গায়ত্ৰী দেৱীয়ে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে বিজয় দিৱসৰ লগত সংগতি ৰাখি জাচিংফা লেখিকা সমাৰোহ সমিতিৰ, সভানেত্ৰী, অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী জিনু গগৈৰ জীৱন পঞ্জীৰ আধাৰত সমিতিৰ সম্পাদিকা লাবণ্য গগৈৰ সম্পাদনাৰে প্ৰকাশিত অভিনন্দন গ্ৰন্থ খনি উন্মোচন কৰে। জীৱন পঞ্জীৰে অভিনন্দন গ্ৰন্থ খনি প্ৰকাশ কৰাৰ বাবে লেখিকা সমিতিক ধন্যবাদ জ্ঞাপন কৰি জুনু গগৈয়ে সাহিত্যৰ দিশত বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত গোলাঘাট জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদকা ৰূপা শইকীয়াই “অনুভৱ” নামৰ কাব্য সংকলন খনি উন্মোচন কৰে। সভাত “কাৰ্গিল যুদ্ধই দি যোৱা প্ৰমূল্যবোধ আৰু শ্বহীদ জিণ্টু গগৈ” শীৰ্ষক বক্তিতানুষ্ঠানত মুখ্য বক্তা হিচাবে ভাষণ দান কৰি হাজো খুৰুং লেখিকা সমিতিৰ সভানেত্ৰী অঞ্জলি বাইলুং গোহাঁইয়ে, আৰু “সাম্প্ৰতিক যুৱ উচ্ছৃংখলতা আৰু নাৰী সমাজৰ দায়বদ্ধতা” বিষয়ৰ ওপৰত গ্ৰন্থাগাৰিক ড° দীপা বৰুৱাই বহুমূলীয়া বক্তব্য আগবঢ়ায়। জাচিংফা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা লাবণ্য গগৈয়ে আতধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে চিত্ৰলেখা ৰাজখুৱাই। অধ্যক্ষ মৃণাল বৰুৱা, প্ৰাক্তন মন্ত্ৰী তথা বিজেপিৰ নেত্ৰী বিস্মিতা গগৈ, আপকুৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকৰ সদস্য নবিন গোহাঁই আদিয়ে বিজয় দিৱসত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। দিৱসৰ অন্তত শলাগৰ শৰাই আগবঢ়াই লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা লাবণ্য গগৈয়ে। দেশ ৰক্ষাৰ হকে প্ৰাণ আহুতি দি বিজয় সাব্যস্ত কৰা উক্ত দিৱসটি চৰকাৰী ভাবে অনুষ্ঠিত কৰিব লাগে যদিও বে-চৰকাৰী অনুষ্ঠানে আয়োজন কৰা বিজয় দিৱসত চৰকাৰী পক্ষৰ এজনো বিষয়া উপস্থিত থকা দেখা নগ'ল। বিজয় দিৱসৰ উপলক্ষে সন্ধিয়া লৈ জোৰ সমদল বাহিৰ কৰাৰ লগতে খুমটাই চাৰি আলি নাট্য মঞ্চত নাট্যাৰ্ঘ আৰু সচেতকৰ দ্বাৰা আয়োজিত১৫দিনীয়া নাট কৰ্মশালাৰ শিক্ষাৰ্থী সকলে পৰিবেশন কৰা জয়ন্ত জিং ফুকনৰ পৰিচালনাৰে “এজাক শান্তিৰ বতাহ” আৰু “মুখাৰ আৰৰ মুখ” নামৰ নাট দুখনি মঞ্চস্থ কৰা হয়।

## নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ হোজাই জিলা প্ৰশাসনৰ ২০২৪-২৫ বৰ্ষৰ শ্ৰেষ্ঠ SMDCৰ বঁটা

**অসম বাৰ্ত, ডবকা, ২৬ জুলাই ঃ** পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক দিশৰ পৰা আৰম্ভ কৰি সামগ্ৰিক দিশৰ উন্নয়নত বিদ্যালয় পৰিচালনা সমিতিৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে জিলাখনৰ মাধ্যমিক স্তৰৰ তিনিখন বিদ্যালয়লৈ এই বঁটা প্ৰদান কৰা হয়। আজি হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত হোজাই জিলাৰ শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত শ্ৰী সপ্ততি এন্দো, বিদ্যালয়সমূহৰ পৰিদৰ্শক শ্ৰীযুত ৰঞ্জন কুমাৰ ডেকা, জিলা আঁচনি বিষয়া শ্ৰীযুত অশোক কুমাৰ গগৈ, শ্ৰুতিমালা গায়ন আৰু জিলাখনৰ সমূহ বিদ্যালয় প্ৰধানৰ উপস্থিতিত জিলা আয়ুক্ত শ্ৰীযুত বিদ্যুৎ বিকাশ ভাগৱতীয়ে উক্ত বঁটা প্ৰদান কৰে। জিলাখনৰ ভিতৰত শ্ৰেষ্ঠ বঁটা তিনিটাৰ প্ৰথম স্থান লাভ কৰি বৃহত্তৰ নীলবাগান সমাজলৈ গৌৰৱ কঢ়িয়াই অনাত পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অভিভাৱক, বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু নীলবাগানবাসী ৰাইজ উৎফুল্ল হৈ পৰা পৰিলক্ষিত হৈছে। বিদ্যালয়খনৰ এনে সফলতাৰ বাবে বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতি আৰু বিদ্যালয় খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীক সামাজিক মাধ্যমযোগে ব্যাপক ভাবে অভিনন্দন জ্ঞাপন কৰা দেখা পোৱা গৈছে।

## নগাঁৱত অগপৰ সাংগঠনিক সভা

# নগাঁও-বটদ্ৰৱা আৰু বঢ়মপুৰ সমষ্টিত অগপ প্ৰাৰ্থীয়ে আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ প্ৰস্তাৱ গ্ৰহণ

**অসম বাৰ্তা, নগাঁও, ২৬ জুলাই ঃ** নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত অসম গণ পৰিষদ দলৰ সমষ্টি সমিতিৰ সাংগঠনিক সভাখনি আজি অনুষ্ঠিত হয়। সভাত যোৱা পঞ্চায়ত নিৰ্বাচনত জয়লাভ কৰা পঞ্চায়ত সদস্য, আঞ্চলিক পঞ্চায়ত সদস্য, পঞ্চায়তৰ সভাপতি পদ লাভ কৰা কৰ্মী সকলক দলৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সভাত কৰ্মী সকলে অসম গণ পৰিষদ দলৰ জৰিয়তেহে অসমৰ স্বাৰ্থ পূৰণ কৰিব পৰা যাব বুলি দৃঢ় মত পোষণ কৰে। কৰ্মী সভাত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অসমৰ ১২৬টা বিধানসভা সমষ্টিৰ ভিতৰত কমেও ৫০টা সমষ্টিত অগপ প্ৰাৰ্থী দিব লাগে বুলি মত পোষণ কৰাৰ লগতে নগাঁও জিলাৰ ৭টা সমষ্টিৰ কমেও চাৰিটা সমষ্টি অগপ প্ৰাৰ্থী দিব লাগে বুলি সিদ্ধান্ত গ্ৰহণ কৰে। সভাই ১৯৮৫ চনৰ পৰা চাৰিবাৰ নিজৰ দখলত ৰখা পূৰ্বৰ নগাঁও সদৰ বিধানসভা সমষ্টি তথা বৰ্তমানৰ নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ লগতে সাতবাৰকৈ দখলত থকা বঢ়মপুৰ বিধানসভা সমষ্টিৰ পৰা অগপ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখ্য যে সময়ে সময়ে মিত্ৰজোটৰ চৰকাৰৰ পৰা দলৰ কৰ্মী সকল বঞ্চিত হোৱা বিষয়টোৱেও প্ৰাধান্য লাভ কৰে। লগতে ভিন ভিন সময়ত দুয়োটা দলৰ মাজত সংঘটিত সংঘাত বিশেষকৈ পঞ্চায়ত নিৰ্বাচনত নগাঁও জিলাৰ বিভিন্ন স্থানত মিত্ৰদলে বুজাবুজি চুক্তি অমান্য কৰা বিষয়টো অধিক গুৰুত্বৰে আলোচনা হয়। অসম গণ পৰিষদ দলক তৃণমূল পৰ্যায়ত শক্তিশালী কৰি অসমৰ ৰাইজৰ ইচ্ছা, আকাংক্ষা পূৰণ কৰিবৰ বাবে আৰু দলীয় কৰ্মী সকলে আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। কুমুদ বেজবৰুৱাই সভাপতিত্ব কৰা সভাখনিত প্ৰাক্তন মন্ত্ৰী তথা অগপৰ জ্যেষ্ঠ নেতা গিৰীন্দ্ৰ কুমাৰ বৰুৱা, কেন্দ্ৰীয় নেত্ৰী মামণি বৰা, শৰৎ হাজৰিকা, পৰাণ গোহাঁই, পৌৰ আয়ুক্ত মুক্তা জয়ছোৱাল, কমল শৰ্মা, গোলাপ শইকীয়া, নিৰঞ্জন বৰা, দিপুজ্জল ৰাজখোৱা, বিদ্যুৎ বৰা আদিয়ে দলৰ সাংগঠনিক দিশৰ ওপৰত বক্তৃতা প্ৰদান কৰে। উল্লেখযোগ্য যে আজিৰ অগপৰ সাংগঠনিক সভাখনে জিলাখনত নতুন মাত্ৰা প্ৰদান কৰিছে।

## পেঙেৰীৰ লালমাটিত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, পেঙেৰী, ২৬ জুলাই ঃ** বাগিছা কোঁৱাত উদ্ধাৰ এজন ২৮ বছৰীয়া যুৱকৰ মৃতদেহ। পেঙেৰীত নিশা পুনৰ উদ্ধাৰ হ'ল আন এটা মৃতদেহ। মৃতদেহটো পেঙেৰীৰ আৰক্ষীৰ থানাৰ অন্তৰ্গত লালমাটি অঞ্চলৰ অজিত মুঢ়াৰ পুত্ৰ সুনিল মুঢ়াৰ। ২৮ বছৰীয়া সুনিল মুঢ়া মঙলবাৰৰ পৰা নিখোজ হৈ আছিল। পৰিয়ালৰলোকে জানিবলৈ দিয়া অনুসৰি মঙলবাৰে পুৱা ১১ মান বজাত কামলৈ ওলাই যোৱা পিছৰে পৰা নিখোজ হৈ আছিল সুনিল মুঢ়াৰ। শনিবাৰে নিশা ঘৰৰ ওচৰৰে চাহ বাগিছাৰ এখনৰ কুঁৱাত মৃত অৱস্থাত উদ্ধাৰ হয় সুনিলৰ মৃতদেহ। পেঙেৰীৰ আৰক্ষীয়ে নিশাই মৃতদেহ কুঁৱা পৰা উদ্ধাৰ কৰা লগতে মৃতদেহৰ মৰোণোত্তৰ পৰীক্ষাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। সুনিলৰ কেনেকৈ মৃত্যু হল সেইয়া বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। আৰক্ষীৰ সঠিক তদন্ততহে মৃত্যুৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব। কিন্তু ইটো পিছত সিটো মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## বঙাইগাঁৱৰ সহকাৰী অভিযন্তা যোচিতা দাসৰ কৰুণ আত্মহত্যা

# একাংশ ৰাজনৈতিক ব্যক্তিৰ বাবে পাশুপাত অস্ত্ৰ

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২৬ জুলাই ঃ** বঙাইগাঁও চহৰৰ নিকটবৰ্তী বৰ্যনগাঁৱত নিৰ্মিয়মান চিলাৰায় মিনি ষ্টেডিয়ামৰ পৰ্যবেক্ষণ কৰাৰ দ্বায়িত্বত থকা সহকাৰী অভিযন্তা যোশিতা দাসৰ কৰুণ আত্মহত্যাৰ লগত জড়িত বুলি দাবী উঠা কাৰ্যবাহী অভিযন্তা দিনেশ শৰ্মা মেধি আৰু সহকাৰী কাৰ্যবাহী অভিযন্তা আমিনুল ইছলামৰ কঠোৰ শাস্তিৰ দাবী তুলিছে আন্তৰাষ্ট্ৰীয় কোচ ৰাজবংশী সন্থাই। এক প্ৰেছ বিবৃতিত সন্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে উল্লেখ কৰে যে, মেধাবী ছাত্ৰী যোশিতা দাসে মেধাৰ ভিত্তিতেই অভিযন্তাৰ চাকৰী লাভ কৰি নতুন সপোন ৰচিবলৈ আৰম্ভ কৰিছিল মাত্ৰ। কিন্তু ধুৰন্ধৰ টকা খকুৱা দুই বিষয়াৰ মানসিক নিৰ্যাতন চিকাৰৰ বলী হৈ কলিতে জীৱন যুদ্ধৰ সৈতে হাৰ মানি আত্মহত্যাৰ দৰে কঠোৰতম সিদ্ধান্ত লবলৈ বাধ্য হ'ল। কাম নৌহওঁতেই কমিছনৰ লালসাত পৰিয়েই আগতীয়াকৈ ধন মোকলোৱাৰ বাবে বিল জমা দিবলৈ কোৱা বিষয়টো যোশিতা দাসৰ আত্মীয়ৰ ভাষ্যৰ পৰাই উন্মোচিত হৈছে। বিবৃতিটোত আকৌ উল্লেখ কৰামতে, মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ অধীনস্থ লোকনিৰ্মাণ বিভাগত চলা কমিচনৰাজৰ কথা একাংশ দ্বায়িত্বৰত ঠিকাদাৰৰ পৰাই উন্মোচিত হৈছে। বিষয়াসকলক কমিচন নিদিলেই আঁচনি ৰূপায়ণ কৰিবলৈ সক্ষম নহয় ঠিকাদাৰসকল। দুই ধুৰন্ধৰ অভিযন্তাই কাম শেষ নৌহওঁতেই বিল দাখিল কৰিবলৈ কোৱা কাৰ্যৰ পৰাই বিষয়টো জল-জল পট-পট হৈ পৰিছে। তদুপৰি সভাপতি বৰ্মনে আকৌ উল্লেখ কৰে যে, যোশিতা দাসে মৃত্যুৰ পূৰ্বে লিখি থৈ যোৱা টোকা আৰু অতি বিশ্বাসী বন্ধু (পুপু)য়ে দিয়া ভাষ্যৰ পৰাই উন্মোচিত হৈছে যোশিতা দাসৰ আত্মহত্যাৰ বাবে দুই অভিযন্তাই দায়ী। তেনেস্থলত দুই অভিযন্তাদ্বয়ক কঠোৰ শাস্তি দিয়াৰ দাবী তোলাৰ বিপৰীতে যোশিতা দাসৰ আত্মহত্যাৰ বিষয়টো ৰাজনীতিকৰন কৰাৰ পৰিপ্ৰেক্ষিতত যোশিতা দাসৰ আত্মহত্যা যেন একাংশ ৰাজনৈতিক দলে পাশুপাত অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি নিজ অভিসন্ধি চৰিতাৰ্থ কৰিবলৈ উঠিপৰি লাগিছে। উলুৰ লগত বগৰী পুৰিবলৈ যেন হাত উজান দিছে স্বাৰ্থত আঘাত কৰা একাংশ ব্যক্তিৰ। টকা খকুৱা দুই অভিযন্তাৰ সলনি ঠিকাদাৰক শাস্তিৰ দাবী তুলিবলৈ অহৰহ চেষ্টা কৰা বিষয়টো ৰাইজে অন্য ধৰণে ভাবিবলৈ বাধ্য হৈছে।

## বামুণদীত প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ প্ৰস্তুতি

**অসম বাৰ্তা, হাজো, ২৭ এপ্ৰিল ঃ** কামৰূপ জিলাৰ এটি অগ্ৰণী ক্ৰীড়া অনুষ্ঠান, বামুণ্দী ক্ৰীড়া সন্থাৰ উদ্যোগত অহা ১০ আগষ্ট ৰবিবাৰৰ পৰা বামুণ্দী হাইস্কুল খেলপথাৰত উপেন চন্দ্ৰ কলিতা আৰু প্ৰভাৱতী কলিতা সোঁৱৰণী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰা হ'ব। বিগত বছৰ সমূহত এই ফুটবল প্ৰতিযোগিতা খনে ক্ৰীড়া প্ৰেমীৰ মন জয় কৰি কামৰূপ জিলাৰ ভিতৰতে এখন লেখত লৱ লগীয়া ফুটবল প্ৰতিযোগিতা বুলি বিবেচিত হৈছে। এই প্ৰতিযোগিতাখনত অসমৰ কেই বাটাও আগশাৰীৰ ফুটবল দলে অংশগ্ৰহণ কৰি আহিছে। এইবেলিও ভূৰবন্ধা আঞ্চলিক নৱজ্যোতি সংঘ মৰিগাঁও, নয়নজ্যোতি স্পোৰ্টচ ক্লাৱ দলৈটোলা, বি এচ এ ধূপধৰা, চান্দমাৰী ফুটবল কোচিং চেণ্টাৰ গুৱাহাটী, ডি এচ এ দামপুৰ, বামুণ্দী ক্ৰীড়া সন্থা, জাপিয়া এফ চি, অসম পুলিচ ১ নং কামাণ্ডো বাহিনী মাণ্ডাকাটা, কে এচ এ বংশৰ, বাৰচু এফ চি চান্দডুবি, মুকালমুৱা এফ চি, বাহগড়া এফ চি দৰং, এচ এ এচ শুৱালকুছি, ৰঙিয়া এফ চিয় অংশগ্ৰহণ কৰিব। অহা ১০ আগষ্ট তাৰিখে প্ৰতিযোগিতা খনৰ আনুষ্ঠানিক ভাৱে উদ্বোধন হোৱা খেলখনত অংশগ্ৰহণ কৰিব ডি এচ এ দামপুৰ আৰু চান্দমাৰী ফুটবল কোচিং চেণ্টাৰ, গুৱাহাটীয়ে প্ৰতিযোগিতা খনৰ আটাইবোৰ খেলতে ক্ৰীড়া প্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা ক্ৰীড়া সন্থাৰ সাধৰণ সম্পাদক জ্যোতিৰ্ম্ময় কলিতাই অনুৰোধ জনাইছে।

**ছাত্ৰ-ছাত্ৰীৰ আবৃত্তি, নৃত্যৰ ছন্দেৰে মুখৰিত কৰ্মশালাৰ সামৰণি অনুষ্ঠান**

# ‘আএলিতা আৰ্ট এণ্ড ক্ৰাফট স্কুলৰ’ চিত্ৰ ভাস্কৰ্য্য, আবৃত্তি আৰু নৃত্য কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, নগাঁও, ২৬ জুলাই ঃ** গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰী সকলৰ অৱসৰৰ সময়ত শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ লক্ষ্যৰে ইণ্ডিয়া বুক অফ ৰেকৰ্ডচ, এচিয়া বুক অফ ৰেকৰ্ডচ ৰ অধিকাৰী গুৱাহাটী মহানগৰীৰ চছলত অৱস্থিত অসম চৰকাৰ তথা ভাৰত চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত “আএলিতা আৰ্ট এণ্ড ক্ৰাফট স্কুলৰ” উদ্যোগত এখনি চিত্ৰ ভাস্কৰ্য্য, আবৃত্তি আৰু নৃত্য পৰিবেশ্য কলাৰ) কৰ্মশালাৰ আজি আবৃত্তি আৰু নৃত্যৰ ছন্দেৰে সফল সামৰণি পৰে। ১০ দিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত এই কৰ্মশালাত নৃত্য প্ৰশিক্ষক হিচাবে দেশ বিদেশত সমাদৃত পৰিবেশ্য কলাৰ নৃত্য প্ৰতিষ্ঠান ‘সূত্ৰধাৰ’, নগাঁৱৰ সঞ্চালক বিশিষ্ট নৃত্য প্ৰশিক্ষক গৌৰৱ হাজৰিকা আৰু সহযোগী প্ৰশিক্ষিকা পৰিবেশ্য কলাৰ উচ্চ ডিগ্ৰী ধাৰী মূৰ্চনা মহন্ত চিত্ৰ- ভাস্কৰ্য প্ৰশিক্ষক হিচাবে প্ৰবীণ চিত্ৰ- ভাস্কৰ্য শিল্পী অতনু বৰুৱা আৰু আবৃত্তি প্ৰশিক্ষক হিচাবে সৰ্বভাৰতীয় সঙ্গীত ও সংস্কৃতি পৰিষদ, কলিকতাৰ স্বীকৃতিপ্ৰাপ্ত কাব্য কানন, গুৱাহাটীৰ প্ৰশিক্ষিকা আবৃত্তি বিশাৰদ মীনাক্ষী দেৱী আৰু মঞ্জুলা দেৱীয়ে। ১৭ জুলাইৰ পৰা ২৬ জুলাইলৈ অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণৰ সামৰণি নন্দী মিকিৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত প্ৰশিক্ষাৰ্থী সকলৰ শ্ৰুতিমধুৰ দলীয় আবৃত্তি, কণমানি ছাত্ৰ-ছাত্ৰী সকলৰ জনপ্ৰিয় সংগীত, জ্যোতি সংগীত, ভূপেন্দ্ৰ সংগীতৰ আধাৰত প্ৰদৰ্শন কৰা নৃত্য ই উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। আএলিতা আৰ্ট এণ্ড ক্ৰাফট স্কুলৰ পৰিচালনা সমিতিৰ সভাপতি সাংস্কৃতিক সংগঠক ধনঞ্জয় তালুকদাৰে সঞ্চালনা কৰা সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাবে অৱসৰপ্ৰাপ্ত জিলা আৰু সত্ৰ ন্যায়াধীশ ৰীতা বৰা শইকীয়াই এক তত্ত্ব গধুৰ বক্তৃতাৰে উপস্থিত সকলোকে মোহাচ্ছন্ন কৰি তোলে। সামৰণি অনুষ্ঠানত ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনস্থ নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ অৱসৰপ্ৰাপ্ত ডেপুটি ডাইৰেক্টৰ তাপস কুমাৰ প্ৰামাণিক, বিশিষ্ট সাংস্কৃতিক সংগঠক দীপাঙ্কৰ কলিতা, নন্দী মিকিৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণী শৰ্মা, বিশিষ্ট গীতিকাৰ-সুৰকাৰ গিৰীশ শৰ্মা, বিশিষ্ট সমাজ সংগঠক ওপৰ চছল বিহু সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক নৱ কুমাৰ মুদৈ, হিন্দী পূৰ্বোদয় কাকতৰ ষ্টাফ ৰিপ'টাৰ সন্তোষ কুমাৰ দাস আৰু যুৱ নেতা হৃদয় ৰঞ্জন দাস আদি ব্যক্তি সকলে ভাষণ প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক অংশগ্ৰহণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। আএলিতা আৰ্ট এণ্ড ক্ৰাফট স্কুলৰ প্ৰধান অধ্যাপিকা জোনাকী কলিতাই মুখ্য অতিথি, সন্মানীয় অতিথি সকলৰ লগতে সকলোকে কৰ্মশালাৰ সফল সামৰণিৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

এক পৃষ্ঠাৰ পৰা

## হাতত মাৰণাস্ত্ৰ লৈ

বনাঞ্চলত অবাধে বিচৰণ কৰা দেখা গৈছে। এই ভিডিঅ'ই সৰ্বত্ৰ তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে। ইতিপূৰ্বে সংগঠনটোৱে এক বিবৃতি জাৰি কৰি ৰেংমা বনাঞ্চলক নাগালেণ্ডৰ অংশ বুলি দাবী কৰিছিল। বিবৃতিত NSCN-K (নিকি-চুমী)য়ে অভিযোগ কৰিছিল যে অসম চৰকাৰৰ উচ্ছেদ অভিযান এটা পৰিকল্পিত পদক্ষেপ। তেওঁলোকৰ দাবী অনুসৰি, অসম চৰকাৰে বিতৰ্কিত সীমান্ত অঞ্চলত দশকজুৰি গোপনে অবৈধ বাংলাদেশী প্ৰব্ৰজনকাৰীক বসতি স্থাপনৰ সুবিধা প্ৰদান কৰিছে। সংগঠনটোৱে কয় যে অবৈধ দখলকাৰীৰ নামত উচ্ছেদৰ অজুহাতত অসম চৰকাৰে নাগালেণ্ডৰ ভূমি দখলৰ প্ৰয়াস চলাইছে, যিয়ে নাগালেণ্ডৰ সৈতে সন্ধিৰ নীতি লংঘন কৰিছে। তেওঁলোকে লগতে নাগালেণ্ড চৰকাৰক কটাক্ষ কৰি কয় যে নাগালেণ্ডৰ ৰাজনীতিবিদসকলে নিজৰ ভূমি ৰক্ষাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। বিবৃতিত কোৱা হৈছে যে নাগালেণ্ড চৰকাৰে সীমান্তৰ নিৰাপত্তা অৱহেলা কৰি কেৱল ডিজিটেল ৰাজ্য হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে, ভৌগোলিক দায়িত্ব পালনত ব্যৰ্থ হৈছে। এই বিবৃতি আৰু ভাইৰেল ভিডিঅ'ই সৰুপথাৰ সমষ্টিৰ লগতে সীমান্তৰ লোকসকলৰ মাজত তীব্ৰ শংকাৰ সৃষ্টি কৰিছে। ইফালে, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনে NSCN-K (নিকি-চুমী)ৰ এই দাবীক অযুক্তিকৰ বুলি আখ্যা দিছে। তেওঁ অভিযোগ কৰিছে যে দুষ্টচক্ৰৰ প্ৰৰোচনাত নগা উগ্ৰপন্থীয়ে এনে দাবী উত্থাপন কৰিছে। বিধায়ক ফুকনে আৰু কয় যে আগন্তুক উচ্ছেদ অভিযান উৰিয়ামঘাটত সফলভাৱে সম্পন্ন হ'ব। এই পৰিস্থিতিয়ে অসম-নাগালেণ্ড সীমান্তৰ উত্তেজনা আৰু জটিলতাক পুনৰ পোহৰলৈ আনিছে। উচ্ছেদ অভিযানৰ আগে আগে সীমান্তৰ নিৰাপত্তা আৰু শান্তি বজাই ৰখাৰ ক্ষেত্ৰত প্ৰশাসনৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখা হৈছে।

**সেনা বাহিনীৰ প্ৰাক্তন বিষয়া কমলেশ্বৰ বৰালৈ বিশেষ সম্বৰ্ধনা**

# মেৰা যুৱ ভাৰত নগাঁৱৰ উদ্যোগত ‘কাৰ্গিল বিজয় দিৱস’ উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ২৬ জুলাই ঃ** অতুলনীয় বীৰত্বৰ শ্ৰদ্ধাঞ্জলি। কাৰ্গিলৰ শিখৰত তেওঁলোকৰ সাহস প্ৰতিধ্বনিত হয়, ভাৰতৰ আত্মাত চিৰকাল খোদিত হৈ ৰ'ব ‘কাৰ্গিল বিজয় দিৱস’ এই মূল মন্ত্ৰ হিচাবে সমগ্ৰ ৰাষ্ট্ৰতে উদযাপন কৰা “কাৰ্গিল বিজয় দিৱস”ৰ কাৰ্য্যসূচীৰ অংশ হিচাবে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনস্থ ‘মেৰা যুৱ ভাৰত’, নগাঁৱৰ উদ্যোগত ‘কাৰ্গিল বিজয় দিৱস’ ভাৰত চৰকাৰৰ পঞ্জীয়নভুক্ত প্ৰতিষ্ঠান ৰিক' গ্লোবেল এডুকেশ্বন এণ্ড ৰিচাৰ্চ ফাউণ্ডেশ্যন, নগাঁৱৰ ব্যৱস্থাপনাত ৰেডিয়েণ্ট একাডেমী, ডিমৰুগুৰি, নগাঁৱত উদযাপন কৰা হয়। আন্তৰ্জাতিক মানৱ অধিকাৰ ৰাজদূত সংস্থাৰ আন্তৰ্জাতিক সম্পাদক প্ৰধান এমব্ৰাচাদৰ ডঃ হৰেশ্বৰ শইকীয়াই বৃক্ষৰোপণ কৰাৰ লগতে দিনজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত আনুষ্ঠানৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। উদ্বোধনী ভাষণত শইকীয়াই কয় যে ‘অবিচ্ছেদ্য বীৰত্বৰ বাবে আমাৰ সাহসী সৈনিক সকললৈ শ্ৰদ্ধাঞ্জলি। তেওঁলোকৰ সাহস কাৰ্গিলৰ উচ্চতালৈকে প্ৰতিধ্বনিত হয়, ভাৰতৰ অন্তৰত চিৰকালৰ বাবে খোদিত হৈ আছে বীৰ সৈনিক সকলৰ বিৰত্বৰ জীৱন গাথা।’ অনুষ্ঠানৰ অংশ হিচাবে ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা, বৃক্ষৰোপণ, প্ৰাক্তন সৈনিকৰ সম্বৰ্ধনা, দেশভক্তি গীতৰ আধাৰত নৃত্যানুষ্ঠান আলোচনা চক্ৰ অনুষ্ঠিত হয়। প্ৰাক্তন সৈনিক ভাৰতীয় সেনা বাহিনীৰ জ্যেষ্ঠ আয়োগ বিষয়া কমলেশ্বৰ বৰাক বিশেষ সম্বৰ্ধনা জনোৱা হয়। আলোচনা চক্ৰত ‘ৰেডিয়েণ্ট একাডেমী’, নগাঁৱৰ অধ্যক্ষা নিভা কুমাৰী বৰাই কাৰ্গিল বিজয় দিৱসৰ তাৎপৰ্য সাৱলীলভাৱে ব্যাখ্যা কৰে। শতাধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী উপস্থিত থকা অনুষ্ঠানত দেশ ভক্তিমূলক গীতৰ আধাৰত প্ৰদৰ্শিত দলীয় নৃত্য ই উপস্থিত সকলো কে আপ্লুত কৰে।

## সম্পাদকীয়

# অস্ত্ৰ অনুজ্ঞাপত্ৰৰ নীতিৰ প্ৰয়োজনীয়তা

অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ স্পৰ্শকাতৰ অঞ্চলত খিলঞ্জীয়া সম্প্ৰদায়ৰ লোকসকলক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ সিদ্ধান্তক সমৰ্থন জনাই ইয়াক তেওঁলোকৰ অস্তিত্ব ৰক্ষাৰ বাবে এক "উপযোগী আৰু প্ৰয়োজনীয় পদক্ষেপ" বুলি অভিহিত কৰিছে। ২৮ মে'ত গৃহীত এই নীতিৰ লক্ষ্য হৈছে ধুবুৰী, মৰিগাঁও, বৰপেটা, নগাঁও, দক্ষিণ শালমাৰা-মানকাচৰ আদি সীমান্তৱৰ্তী জিলাৰ খিলঞ্জীয়া জনসাধাৰণক সীমাৰ্ধাৰৰ পৰা উদ্ভৱ হোৱা নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ মোকাবিলা কৰাত সক্ষম কৰোৱা। মুখ্যমন্ত্ৰীয়ে ইয়াক এক ৰণনীতিৰ দৰে জৰুৰী ব্যৱস্থা হিচাপে চিহ্নিত কৰিছে, কিয়নো অসমৰ পৰিস্থিতি কেতিয়াবা "বিস্ফোৰক" ৰূপ ল'ব পাৰে বুলি তেওঁ সতৰ্কবাণী উচ্চাৰণ কৰিছে। নীতিটোৰ প্ৰয়োগ আগষ্টৰ পৰা আৰম্ভ হ'ব, য'ত যোগ্যতা থকা ব্যক্তিয়ে অনলাইন পৰ্টেলৰ জৰিয়তে আবেদন কৰিব পাৰিব। ইয়াৰ বাবে আবেদনকাৰীৰ অপৰাধমূলক পৰিচয় নাথাকিব লাগিব আৰু ভাৰতীয় অস্ত্ৰ আইনৰ অধীনত আৰক্ষীৰ পৰীক্ষণ পাছ কৰিব লাগিব। অৱশ্যে, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম আৰু নাগালেণ্ডৰ সীমান্তত এই নীতি প্ৰযোজ্য নহয়। মুখ্যমন্ত্ৰীয়ে এই সিদ্ধান্তক ১৯৭৯-৮৫ৰ অসম আন্দোলনৰ সৈতে সংযোগ কৰি কৈছে যে, যদি তেতিয়া থলুৱা লোকসকলক অস্ত্ৰ ধাৰণৰ অনুমতি দিয়া হ'লহেঁতেন, তেন্তে বহুতেই জমিদাৰী হেৰুৱাই বিতাড়িত হ'বলগীয়া নহ'লহেঁতেন। তথাপি, এই সিদ্ধান্ত সমালোচনাও হৈছে। অসমৰ প্ৰাক্তন ডিজিপি হৰেকৃষ্ণ ডেকাই যুক্তি দৰ্শাইছে যে চৰকাৰৰ কৰ্তব্য হৈছে নাগৰিকৰ নিৰাপত্তা নিশ্চিত কৰা, তেওঁলোকক অস্ত্ৰৰ ওপৰত নিৰ্ভৰশীল কৰি তোলা নহয়। তেওঁ ইয়াৰ দ্বাৰা সামাজিক অস্থিৰতা বৃদ্ধি পোৱাৰ আশংকাও প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ প্ৰত্যুত্তৰত স্পষ্ট কৰিছে যে চৰকাৰে অস্ত্ৰ বিতৰণ কৰা নাই, কেৱল আইনগত সুৰক্ষাৰ বাবে অনুজ্ঞাপত্ৰৰ সুবিধা আগবঢ়োৱা হৈছে। এই বিতৰ্কৰ মূৰত এটা প্ৰশ্নই থিয় দিছে: নিৰাপত্তাৰ দায়িত্ব চৰকাৰে ল'ব নে জনতাই? সীমান্তৰ অশান্ত পৰিৱেশত এই নীতিৰ যুক্তিসংগততা থাকিলেও ইয়াৰ সম্ভাব্য অপপ্ৰয়োগৰ প্ৰতি সচেতন হ'ব লাগিব। চৰকাৰে যদি নাগৰিকৰ সুৰক্ষাৰ বাবে দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণ কৰে, তেন্তে অস্ত্ৰৰ প্ৰয়োজনীয়তাই হ্ৰাস পাব। অসমৰ শান্তি আৰু স্থিৰতা ৰক্ষাৰ বাবে আইন-শৃংখলাৰ সুদৃঢ়ীকৰণেই হ'ব পৰম উপায়।

> "চীনা পৰিব্ৰাজক হিউৱেনচাং ছুপ্ত খৃষ্টাব্দত ভাৰতলৈ অহাৰ সময়ত অসমত তাম্ৰলিপ্ত, কামৰূপ, কৰ্ণসুবৰ্ণ আদি ৰাজ্য থকা উল্লেখ পোৱা যায়। মহাভাৰত, পুৰাণ আদিতো তাম্ৰলিপ্ত ৰাজ্যৰ অনেক উল্লেখ আছে। এই তাম্ৰলিপ্ত ৰাজ্য কৈৱৰ্তসকলৰ শাসনাধীন আছিল বুলি হিউৱেনচাংৰ ডায়েৰীত পোৱা যায়। জনশ্ৰুতিমতে তাম্ৰলিপ্ত চহৰ প্ৰায় সাত হাজাৰতকৈও অধিক ধনাঢ্য বণিকৰ বাসভূমি আছিল। কৈৱৰ্তসকলৰ অনেকেই আছিল সমুদ্ৰগামী, নাবিক, বণিক শ্ৰেণীৰ লোক।"

## এক সংক্ষিপ্ত পৰ্যালোচনা

# কেওটসকলক অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত কৰাৰ দাবী সন্দৰ্ভত

**ব্ৰজেন দাস**

Mr. Edward gait চাহাবৰ A history of Assam এই গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰোঁতে সন্দিকৈ কলেজৰ এসময়ৰ মুৰব্বী অধ্যাপিকা চেনেহী বেগমে একাষাৰত লিখিছে যে অসমীয়া ভাষাত এতিয়া লৈকে যিবোৰ বুৰঞ্জী লিখা হৈছে তাৰ মূল উৎস হৈছে চাৰ গেইটৰ A History of Assam এইখন বুৰঞ্জীত মিষ্টাৰ গেইট চাহাবে নিজেই লিখিছে যে 1841 খৃষ্টাব্দত প্ৰকাশিত Robinsonৰ 'Descriptive Account of Assam' খনেই অসমৰ একমাত্ৰ বুৰঞ্জী আছিল। ইয়াৰ পৰৱৰ্তীকালত 1844 আৰু 1884ত অসমীয়া ভাষাত বৰ্ণবাদী হিন্দু কাশীনাথ তামোলী ফুকন আৰু গুণাভিৰাম বৰুৱাই ইতিহাস লিখিছিল বুলি জনা যায়। যি দুখন গ্ৰন্থক গেইট চাহাবে স্বয়ং সম্পূৰ্ণ বুলি ক'ব খোজা নাই। আৰু পৰৱৰ্তীসময়ত আজিলৈকে যিমানবোৰ বুৰঞ্জী লিখিত বা কঠিত আকাৰত পোৱা যায়, সেই সকলোতেই লেখকে ৰহণ খনা নাই বুলি নুই কৰিব নোৱাৰি।

এতিয়া প্ৰশ্ন হ'ল কেওট জনগোষ্ঠীটোৱে অসমত অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত হ'বলৈ স্বাধীনতাৰ সু-দীৰ্ঘ প্ৰায় আঠটা দশকৰ পিচত দাবী তোলাৰ কাৰণ কি? ইতিমধ্যে ১৯৩৫ চনতে বৃটিছ চৰকাৰে ঘোষণা কৰা অসমৰ অনুসূচীত জাতিৰ যোল্লটা উপজাতিক সাংবিধানিকভাবে সুৰক্ষা কবচ দিয়া হৈছে। সেইকেইটা হ'ল-জালো, ভুঁই মালি, কৈৱৰ্ত, নমক্ষুদ্ৰ, বনিয়া, হীৰা, বাঁসফৰ, ধুপী, ডুগলা, লালবেগী, মাহৰা, মেহটাৰ, মুচী, পত্নী, সূত্ৰধাৰ আৰু জাল কেওট। পূৰ্বতে জাল কেওটসকল অসমৰ অনুসূচীত জাতিৰ তালিকাত নাছিল। ১৯৫০ চনত চৰকাৰী অধিসূচনামতে জালকেওটসকলক অসমৰ অনুসূচীত জাতিৰ তালিকাভুক্ত কৰা হয়।

উল্লেখযোগ্য যে কেওট জনগোষ্ঠীয় এটা সংগঠনে সুদীৰ্ঘ পঁইসত্তৰ বছৰৰ পিছত তেওঁলোকক অনুসূচীত জাতিৰ তালিকাভুক্ত কৰিবলৈ চৰকাৰক দাবী জনাইছে। তেওঁলোকৰ যুক্তি হ'ল জাল কেওটসকল কেওটৰে বংশধৰ। সেয়ে সমগ্ৰ কেওটসকলক অনুসূচীতকৰণ (scheduled) কৰাত চৰকাৰৰ অসুবিধা হ'ব নালাগে। তেওঁলোকে আনকি সুনীতিকুমাৰ চতুৰ্পাধ্যায়, কাশীনাথ তামোলি ফুকন, গুণাভিৰাম বৰুৱা আদি কেইখনমান বুৰঞ্জীৰ উদ্ধৃতি দি ক'ব খোজিছে যে কৈৱৰ্ত জনগোষ্ঠী মানেই কেওট জনগোষ্ঠী। সংস্কৃত শব্দ কৈৱৰ্তৰ পৰা কেওট হৈছে। তাতেই লাগিল কেনা। ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে গুণাভিৰাম বৰুৱাই কেওটসকলক আৰ্য জাতি বুলি কৈছে। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈৱৰ্তসকলক অষ্ট্ৰিক বুলি অভিহিত কৰিছে। অন্যহাতে নৃতাত্তিক দিশৰ পৰা কৈৱৰ্ত সম্প্ৰদায়ৰ লোকসকলক দ্ৰাবিড় নতুবা প্ৰাক-দ্ৰাবিড় অন্তৰ্ভুক্ত বুলি পণ্ডিতসকলে ক'ব খোজে। আনকি ড° লীলা গগৈদেৱেও তাকে সমৰ্থন কৰিছে। সেইফালৰ পৰা কৈৱৰ্ত আৰু কেওট একে জনগোষ্ঠী নহয়, ভিন্ন উপজাতি। এতিয়ালৈকে কেওট বা কৈৱৰ্ত জনগোষ্ঠীৰ নিজা বুৰঞ্জী নাই। বিভিন্ন বুৰঞ্জীৰ পৰা কঢ়ি বুটলি আনি দুয়োটা জনগোষ্ঠীয়ে নিজৰ নিজৰ পৰিচয় দাঙি ধৰিব লগা হৈছে। ড° বাণীকান্ত কাকতিদেৱেও তেখেতৰ 'কলিতা জাতিৰ বুৰঞ্জী' ত কৈৱৰ্ত আৰু কেওটসকলৰ কথা বিশেষ বহলাই লিখা নাই। ড° নবীন চন্দ্ৰ শৰ্মাদেৱেও তেখেতৰ 'অসমৰ সাংস্কৃতিক ইতিহাস' গ্ৰন্থত কৈৱৰ্ত সকলৰ আন এটা উপজাতি 'জালিয়া' বুলিহে কৈছে। ড° ধ্ৰুৱজ্যোতি বৰাইও তেখেতৰ 'মোৱামৰীয়া গণ অভ্যুত্থান (প্ৰথম খণ্ড) গ্ৰন্থত কলিতা, কেওট, কৈৱৰ্তসকলক পৃথক জনগোষ্ঠী বুলি অভিহিত কৰিছে। ড° ডম্বৰুধৰ নাথেও 'অসমৰ কৈৱৰ্তসকল' নামৰ প্ৰবন্ধত কেওট আৰু কৈৱৰ্ত একে বুলি কোৱা নাই। তেখেতে মনুসংহিতাৰ উদ্ধৃতি দি কৈৱৰ্তসকলক 'দাস বা মাৰ্গৱ' বুলিহে অভিহিত কৰিছে। কৈৱৰ্তসকলৰ দাবীত ২০১১ চনত হেমকোষৰ সংস্কৰণত 'ডোম' শব্দটোৰ অৰ্থই বেলেগ কৰা হ'ল। আৰু ২০১৩ চনৰ সংস্কৰণত হেমকোষত কেওট মানে এটা হিন্দু ধৰ্মাৱলম্বী সম্প্ৰদায় বুলিহে লিখা দেখা গ'ল।



অন্যহাতে সৌ সিদিনা ২০০১ চনৰ লোকপিয়লমতেও জালিয়া কেওট সকলকহে অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত কৰা দেখা গৈছে। কাৰণ, কেওটৰো কেইবাটাও ভাগ বা উপজাতি আছে। সেইকেইটা হ'ল-হালোৱা, জালোৱা, কুমাৰ, পটিয়া, মৰিয়া, হাৰি, সোণাৰি, মুদৈ ইত্যাদি। গতিকে জালিয়া কেওটসকলক অনুসূচীতকৰণ কৰা আৰু বাকী কেওটসকলক অনুসূচীত (scheduled) নকৰা আঁৰত নিশ্চয় কিবা কাহিনী আছে।

ভাৰতীয় প্ৰেক্ষাপটত বহু কাহিনী আছে, যিবোৰে কৈৱৰ্তসকলক প্ৰতিফলিত কৰি আহিছে। ৰামায়ণত উল্লেখ আছে যে ৰাম বনবাসলৈ যাওঁতে গংগা পাৰ কৰি দিয়া নাৱৰীয়াসকল আৰু তাৰ অধিবাসীসকলক জাল মাৰিবলৈ কোৱাত তাত বহুত সোণ, ৰূপ অলংকাৰ আদি জালোৱাসকলে পাইছিল। আনহাতে জাল পাতি মাছ ধৰিবলৈ বিছৰাসকলেও মাছ, কাছ, শামুক আদি পাই তাতে সন্তুষ্ট লভিছিল। তেতিয়াৰ পৰাই মাছধৰা লোকসকলক কৈৱৰ্ত আৰু সোণ-ৰূপৰ বেপাৰ বাণিজ্য তথা কৃষি কৰা কৰা লোকসকলক কেওট বুলি অভিহিত কৰা হৈছিল।

সম্প্ৰতি অসমৰ প্ৰায় তেৰটা অনুসূচীত জাতিৰ সংগঠনে কেওট জনগোষ্ঠীক অনুসূচীত জাতিৰ তালিকাভুক্ত কৰাত বাধা আৰোপ কৰা দেখা গৈছে। তাকলৈ অসমৰ জনমানসত এটা আলোড়ণৰ সৃষ্টি হৈছে। তেওঁলোকৰ যুক্তিসমূহ আমি বিচাৰ কৰিলে দেখা যায় যে কথাবোৰ বহুত জটিল। তেওঁলোকৰ মতে অনুসূচীত জাতিৰ তালিকাভুক্ত হ'বলৈ হ'লে সেই জাতি বা জনগোষ্ঠীটো সামাজিক, অৰ্থনৈতিক, শৈক্ষিক আৰু ৰাজনৈতিকভাৱে পিছপৰা হ'ব লাগিব। ১৮৯১ চনৰ পৰা ২০১১ চনলৈ হোৱা লোকপিয়লৰ মতে কেওটসকল সাধাৰণ জাতিৰ লোক আৰু তেওঁলোক সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিকভাৱে বহু আগবঢ়া। তদুপৰি যিটো সময়ত অনুসূচীত জাতিৰ লোকসকলক অসমত উচ্চবৰ্ণৰ লোকসকলে লেই-লেই, চেই-চেই কৰিছিল, সেইসময়ত এই কেওটসকলে নিজকে কলিতা জনগোষ্ঠীৰ লোকৰ লগত গাত-গা লগাই সুবিধা লৈ আছিল বুলি জনা যায়। উদাহৰণস্বৰূপে ডাক্তৰ তাৰাপ্ৰসাদ দাসে 'ত্ৰিবেদিকা'ত লিখিছে- 'একালত কৈৱৰ্তসকলক নানা অযুক্তিকৰ আৰু অমূলক কাৰণত হীন বুলি অৱজ্ঞা আৰু ঘৃণা কৰি ৰখাত আৰু তাৰে এমখাক কেওট নাম দি উন্নীত কৰাত এই অৱনমিত জাতিৰ লোকসকলৰো অনেকেই এনে আলোচনা প্ৰয়োজনীয়হীন ভাবি অতীত মৰিল গ'ল, তাৰ কথা অন্ত হ'ল বুলি পাহৰিবলৈ আৰু পাহৰাবলৈ যত্ন কৰি বুজালেও নুবুজা হৈ মনৰ পৰাও বিসৰ্জন দিলে।' (পৃষ্ঠা ১৯৮) ইয়াৰ অৰ্থ এয়ে নেকি যে কেওটসকলে চল চাই কঠীয়া পাৰিব খোজিছে? অন্যহাতে ১৫৭৬ খৃষ্টাব্দত আহোম বংশৰ জয়ধ্বজ সিংহৰ ৰাজত্ব কালত কৈৱৰ্তসকলকে মুখ্য কৰি কেইবাটাও খিলঞ্জীয়া জাতিক অস্পৃশ্য জাতি জাতি বুলি সামাজিকভাবে বৰ্জন কৰাৰ সময়ত কেওটসকল ক'ত আছিল বুলিও অনুসূচিত জাতিৰ দল সংগঠনে প্ৰচাৰ কৰা দেখা গৈছে। অনুসূচিত জাতিৰ সংগঠনসমূহে এইটোও দাবী কৰে যে ১৮৪১ চনৰ ১৩ জুনৰ দিনা বুঢ়ী দিহিং নৈত ধৰ্মীয় প্ৰথামতে নিধিৰাম কেওটে জলত ডুব দি খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰোঁতে তেওঁ যে কৈৱৰ্ত সম্প্ৰদায়ৰ লোক আছিল তাক লুকুৱাই ৰাখিলে। নিজকে নিধী লেবী ফাৰৱেল বুলি পৰিচয় দিলে। আজি কেওটসকলে হলা গছত বাগী কুঠাৰ মাৰিবলৈ সাহস কৰা নাইতো?

উল্লেখনীয় যে চীনা পৰিব্ৰাজক হিউৱেনচাং ৬৩৫ খৃষ্টাব্দত ভাৰতলৈ অহাৰ সময়ত অসমত তাম্ৰলিপ্ত, কামৰূপ, কৰ্ণসুবৰ্ণ আদি ৰাজ্য থকা উল্লেখ পোৱা যায়। মহাভাৰত, পুৰাণ আদিতো তাম্ৰলিপ্ত ৰাজ্যৰ অনেক উল্লেখ আছে। এই তাম্ৰলিপ্ত ৰাজ্য কৈৱৰ্তসকলৰ শাসনাধীন আছিল বুলি হিউৱেনচাংৰ ডায়েৰীত পোৱা যায়। জনশ্ৰুতিমতে তাম্ৰলিপ্ত চহৰ প্ৰায় সাত হাজাৰতকৈও অধিক ধনাঢ্য বণিকৰ বাসভূমি আছিল। কৈৱৰ্তসকলৰ অনেকেই আছিল সমুদ্ৰগামী, নাবিক, বণিক শ্ৰেণীৰ লোক। সেই সময়ত প্ৰায় সকলোবিলাক ভাৰতীয় সামুদ্ৰিক নৌযানেৰে তাম্ৰলিপ্তৰ পৰাই বিদেশলৈ গৈছিল। সপ্তম শতিকাত পৰিব্ৰাজক ফাহিয়ান তাম্ৰলিপ্তৰ পৰাই সিংহললৈ গৈছিল। কৈৱৰ্ত বণিকসকলে ব্যৱহাৰ কৰা নাও-জাহাজবোৰ একোটা প্ৰকাণ্ড ম'ৰা চৰাইৰ দৰে সজা হৈছিল। এই নাওবোৰক ময়ূৰপংক্ষী নৌকা বুলিছিল। কালৰ বিৱৰ্তনত এই নগৰ ধ্বংস হৈ অনেক পৰিৱৰ্তন ঘটিছিল। মিষ্টা এড়ৱাৰ্ড গেইটৰ বুৰঞ্জীৰ পাতে পাতে এই কথা লিপিবদ্ধ আছে। আচৰিত কথা এই অসমত এটা সময়ত ময়ূৰপংখী নাও জাহাজবোৰ কেওটসকলেও চলাই বেপাৰ বাণিজ্য কৰিছিল। তেতিয়া এইসকলে নিজকে কৈৱৰ্ত বুলি ক'বলৈ লজ্জাবোধ কৰিছিল। আৰু এতিয়া কেওটসকলে সেই অতীত গ'ল বুলি সংৰক্ষণৰ আওতালৈ আহিব খোজিছে নেকি বুলি বিদ্যৎমহলত চৰ্চা হৈছে।

প্ৰণিধানযোগ্য যে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যতো অসমৰ দৰে অনুসূচীত জাতিৰ উপজাতি আছে। সেইদৰে জনসংখ্যা অনুপাতে বিভিন্ন ৰাজ্যত সেইসকলৰ সংৰক্ষণৰ হাৰো বেলেগ বেলেগ। উৰিষ্যা, পশ্চিমবঙ্গত হয়তো জালিয়া কেওট নামৰ এটা জনগোষ্ঠীক অনুসূচীত জাতিৰ তালিকাভুক্ত কৰা হৈছে, কৈৱৰ্তসকলো তাৰে অন্য এটা উপজাতি বুলি তালিকাভুক্ত কৰা হৈছে। তেনেস্থলত কৈৱৰ্ত আৰু কেওট একে জনগোষ্ঠী বুলি ভবাৰ যুক্তি ক'ত?

১৯৯১ চনৰ লোকপিয়ল মতে অসমত কৈৱৰ্ত জনগোষ্ঠীৰ জনসংখ্যা আছিল মাত্ৰ ১৬, ৫৯, ৪১২জন। আৰু বৰ্তমান ইয়াৰ সংখ্যা প্ৰায় দুগুণ হ'ল। আনহাতে অনুসূচীত জাতিৰ জনসংখ্যা প্ৰায় পঞ্চল্লিছ লাখ। তাহানিৰ সংৰক্ষণনীতি অনযায়ী অসমত এতিয়াও অনুসূচীত জাতিৰ সংৰক্ষণৰ বিভিন্ন ক্ষেত্ৰত সুবিধা দিয়া হৈছে মাত্ৰ ৭.৫ শতাংশ। অৰ্থাৎ এশজনৰ ভিতৰত অনুসূচীত জাতিৰ এই যোল্লটা উপ-জাতিৰ জনসাধাৰণৰ মাত্ৰ সাত জনহে উপকৃত হয়। তাতে ভূতৰ ওপৰত দানহ পৰাদি ভুৱা চাৰ্টিফিকেট লৈ সুবিধা পোৱা সকলৰ কথাটো আছেই। তেনেস্থলত পুনৰ সাধাৰণ শ্ৰেণীৰ অন্তৰ্ভুক্ত কেওটসকলৰ প্ৰায় দহ লাখ জনসংখ্যাক অনুসূচীত তালিকাভুক্ত কৰিলে সেই যোল্লটা উপ-জাতিৰ অৱস্থা কি হ'ব তাক ভাবিহে অনুসূচীত জাতিৰ প্ৰায় তেৰটা সংগঠনে বিৰোদ্ধাচৰণ কৰিছে।

এইখিনিতে আমাৰ ব্যক্তিগত মতামত এই যে অসমত জনগোষ্ঠীয়ভাবে লোকপিয়ল সম্প্ৰতি অতিব প্ৰয়োজন। বহুক্ষেত্ৰত সংৰক্ষণ ব্যৱস্থাটোক লৈ বহু বিতৰ্ক হোৱা পৰিলক্ষিত হৈছে। এই সংৰক্ষণ কি আৰু কাৰ কাৰণে কৰা হয় তাৰ বহুল চৰ্চা হোৱাৰো আৱশ্যকতা আছে। আজি ছয় জনগোষ্ঠীয়ে অনুসূচীত জনজাতিৰ তালিকাভুক্ত হ'বলৈ দাবী কৰি আহিছে। আনহাতে ট্ৰাইবেল সংঘই তাৰ বিৰোদ্ধাচৰণ কৰিছে। চৰকাৰেও বিষয়টো আলোচনাৰ মাধ্যমেদি শেষ কৰাৰ পোষকতা কৰিছে। একেদৰে কেওটসকলে অনুসূচীত জাতিৰ তালিকাভুক্ত হ'বলৈ বিচাৰিছে আমাৰ ক'বলগীয়া নাই। কিন্তু চৰকাৰে বিৰোদ্ধাচৰণ কৰা দল-সংগঠনৰ লগত আলোচনা নকৰাকৈ কেওটসকলক অনুসূচীত জাতিৰ তালিকাভুক্ত কৰিলে ভুল হ'ব। সংবিধানে কি কয় তাক পুংখানুপুংখকৈ আলোচনা কৰাৰ লগতে জনগোষ্ঠীয় লোক-পিয়ললৈ দুয়োটা পক্ষই বাট চোৱা উচিত।

*ঠিকনা: শিৱসাগৰ*
*ম'বাইল: ৮৬৩৮৭৫৯৬৭৯*

# প্ৰকৃতিত পুষ্টিৰ বিচিত্ৰ ৰূপ

**নৱজ্যোতি বড়া**

বয়সৰ অগ্ৰগতিৰ লগে লগে আমাৰ সকলোৰে শাৰীৰিক, মানসিক বৃদ্ধি আৰু বিকাশ হয়। উপযুক্ত খাদ্যই বৃদ্ধি আৰু বিকাশত অৰিহণা আগবঢ়ায়। খাদ্যৰ পৰা শৰীৰে বিভিন্ন পুষ্টি দ্ৰব্য আহৰণ কৰি বৃদ্ধি আৰু বিকাশৰ বাবে উপযোগী কৰি তোলে। এই প্ৰক্ৰিয়াটোক পৰিপুষ্টি (Nutrition) বুলি কোৱা হয়।

পৰিপুষ্টিক প্ৰধানত: দুটা ভাগত ভাগ কৰা হয় - স্বপোষীত (Autotrophic) আৰু পৰপোষিত (Heterophic)। সেউজীয়া উদ্ভিদে সালোকসংশে-ষণ প্ৰক্ৰিয়াৰে নিজৰ খাদ্য নিজে প্ৰস্তুত কৰি ল'ব পাৰে বাবে ইহঁতক স্বপোষীত পৰিপুষ্টি বুলি কয়। পৰপোষিত পৰিপুষ্টিৰ অন্তৰ্গত জীৱসমূহ খাদ্যৰ বাবে আন আন জীৱৰ ওপৰত নিৰ্ভৰশীল হয়। ভেঁকুৰ, বিভিন্ন বে'ৰিয়া, প্ৰাণী আদি পৰপোষী জীৱবিলাকে নিজৰ খাদ্য নিজে প্ৰস্তুত কৰিব নোৱাৰি আনৰ দ্বাৰা আহাৰ সংগ্ৰহ কৰি পুষ্টি লাভ কৰে।

সেউজীয়া উদ্ভিদে নিজৰ আহাৰ নিজে প্ৰস্তুত কৰি ল'ব পাৰে। উদ্ভিদৰ পাতত থকা সৰু সৰু ছিদ্ৰ পত্ৰৰন্ধ্ৰৰ দ্বাৰা পাতত বায়ুৰ পৰা কাৰ্বনডাইঅ'ইড সোমায়। মাটিত থকা উদ্ভিদৰ শিপাই শোষণ কৰা পানী, খনিজ লৱণ আৰু সূৰ্যৰ পোহৰৰ সহায়ত সালোকসংশে-ষণ প্ৰক্ৰিয়াৰে উদ্ভিদৰ খাদ্য তৈয়াৰ হয়। উদ্ভিদৰ খাদ্য গ্ৰহণ প্ৰক্ৰিয়াটোত শৰ্কৰা (গ্লু-ক'জ) ৰ লগতে অক্সিজেন গেছ উৎপন্ন হয়। উদ্ভিদ দেহৰ বিভিন্ন অংশ যেনে: - পাত, ফল ফুল, বীজ, শিপা আদিত সালোকসংশ্লেষণত প্ৰস্তুত হোৱা খাদ্য শ্বেতসাৰলৈ পৰিৱৰ্তন হয় আৰু ই সঞ্চিত খাদ্য হিচাপে জমা হয়।

এককোষী জীৱ এমিবাৰ দেহত পৰিপুষ্টিৰ বাবে নিৰ্দিষ্ট অংগ নাথাকে। ইহঁতৰ দেহত আঙুলি সদৃশ অংশ থাকে, যাক কূটপদ(pseudopodia) বোলে যি খাদ্য গ্ৰহণত মুখ্য ভূমিকা পালন কৰে। এমিবাই পৰিৱেশত থকা বে'ৰিয়া, ক্ষুদ্ৰ শেলাই আদিক চিনাক্ত কৰি কূটপদেৰে খাদ্যক ঘেৰাও কৰে। সম্পূৰ্ণৰূপে খাদ্যক ঘেৰি এমিবাই তাৰ ভিতৰত খাদ্য গহ্বৰৰ (Food vacoule)ৰ সৃষ্টি কৰে। খাদ্য গহ্বৰত পাচক ৰস নিৰ্গত হৈ খাদ্য হজম হয়। এমিবাৰ এই গোটেই পুষ্টি প্ৰক্ৰিয়াটোক ফেগ'চাইট'চিছ ( Phagocytosis) বোলে।

মানুহৰ পাচন প্ৰক্ৰিয়াত পাচননলী( alimentary canal) আৰু পাচকগ্ৰন্থিয়ে ( digestive gland) বিশেষ ভূমিকা পালন কৰে। খাদ্য গ্ৰহণ কৰাৰ পাছত শৰীৰৰ যি পথেৰে গৈ পাচন, অৱশোষণ, বৰ্জন ঘটে তাক পাচন নলী বোলে। দীঘল, পাকখোৱা, পেশীযুক্ত পাচন নলীৰ অংশবোৰ হৈছে - মুখ, মুখগহ্বৰ, টেঁটু, গ্ৰাসনলী, পাকস্থলী, ক্ষুদ্ৰান্ত, বৃহদান্ত্ৰ, পায়ু। মুখত লালটিৰ সহায়ত কাৰ্বহাইড্ৰেটৰ প্ৰাথমিক হজম প্ৰক্ৰিয়া আৰম্ভ হয়। পাকস্থলীত হাইড্ৰক্ল'ৰিক এচিড ( HCl), পেপচিন আদি উৎসেচকে প্ৰ'টিন ভাঙে। ক্ষুদ্ৰান্ত্ৰত যকৃৎৰ পিত্তৰস, অগ্নাশয়ৰ পাচক ৰস আৰু আন্ত্ৰিক ৰসত থকা বিভিন্ন উৎসেচকে খাদ্য সম্পূৰ্ণৰূপে হজম কৰে। পাচকগ্ৰন্থি যেনে: লালটি, যকৃৎ, অগ্নাশয় আদি গ্ৰন্থিবিলাকে পাচনত সহায় কৰে। পাচননলী আৰু পাচকগ্ৰন্থিৰ সমন্বয়ে খাদ্যক পুষ্টিলৈ ৰূপান্তৰিত কৰি শৰীৰক শক্তি প্ৰদান কৰে।

গৰু, ম'হ, ছাগলী আদিয়ে ভক্ষণ কৰা ঘাঁহ, বন, পাতৰ প্ৰধান উপাদান হ'ল চেলুল'জ। চেলুল'জ হৈছে এবিধ জটিল কাৰ্বহাইড্ৰেট যি মানুহে সহজে হজম কৰিব নোৱাৰে। তৃণভোজী প্ৰাণীবিলাকৰ পাচন নলীত থকা বিভিন্ন বেক্টেৰিয়াৰ সহায়তহে ই হজম হয়। গৰু, ম'হে অতি খৰকৈ খাদ্য গ্ৰহণ কৰি ৰোমন্থ ( Rumen) নামৰ পাকস্থলীৰ বিশেষ কোঠালিত জমা কৰি ৰাখে। ৰোমন্থত খাদ্যৰ সম্পূৰ্ণৰূপে পাচন নহয়। পাগুলা খাদ্য (Cud) পুনৰ ওভতাই আনি চোবাই গিলি থ'ব পাৰে বাবে এই প্ৰাণীবোৰক ৰোমন্থক (Ruminant) প্ৰাণী বুলি কয়। ৰোমন্থক প্ৰাণীৰ পাকস্থলীত ৰোমন্থ, ৰেটিকুলাম, ওমেচাম, এব'মেচাম নামৰ চাৰিটা কোঠালি থাকে। কোঠালিবোৰত খাদ্য গুড়ি হোৱা, কোমল পাগুলা খাদ্যলৈ পৰিৱৰ্তন আৰু পাচক ৰসৰ লগত মিহলি হৈ পাচন হোৱা কাৰ্য সম্পন্ন হয়। পাকস্থলীৰ এই চাৰিটা কোঠালিৰ ভিতৰত উটৰ দেহত ওমেচাম নামৰ কোঠালিভাগ নাথাকে। ৰোমন্থ আৰু ৰেটিকুলাম নামৰ দুয়োটা কোঠালিত মোনাৰ দৰে জলকোষ (Water Cells) থাকে। ইয়াৰ বাবে মৰুভূমিত উটে পানী নোখোৱাকৈ বহুসময় থাকিব পাৰে।

প্ৰকৃতিত পুষ্টিৰ বহু বৈচিত্ৰ্য দেখা পোৱা যায়। এককোষী এমিবাৰ পৰা আৰম্ভ কৰি উদ্ভিদ, মানুহ আৰু গৰুৰ দৰে জটিল প্ৰাণীলৈকে, সকলো জীৱই নিজা পদ্ধতিৰে পুষ্টি লাভ কৰে। এই পুষ্টি প্ৰক্ৰিয়া জীৱৰ জীৱন ধাৰণৰ আধাৰস্বৰূপ।

# সময়োপযোগী প্ৰকৃত আৰু স্বাৰ্থপৰ নেতা-নেত্ৰী চিনাক্তৰ সময়

**কে এ মান্নান**





সাম্প্ৰতিক সময়ত অসমৰ সংখ্যালঘু মুছলমান লোকসকলে উচ্ছেদ, ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন, বাংলাদেশী বা বিদেশীৰ নামত ভাৰতীয় লোকক হাৰাশাস্তি, মুছলমান লোক বাহিৰত গৈ কাম বা ব্যৱসায় কৰাৰ বাধা, সংখ্যালঘু শিক্ষাৰ্থীৰ শিক্ষা গ্ৰহণৰ বিভিন্ন ধৰণৰ সমস্যা, ধৰ্মীয় ক্ষেত্ৰত নানান ধৰণৰ সমস্যা এই বোৰ প্ৰধান সমস্যাৰ উপৰিও আন বহুতো জটিল সমস্যাৰে জৰ্জড়িত হৈ মানুহ চৰম আতঙ্ক বা হতাশাত ভুগি আছে বা মানুহৰ নিদ্ৰা হৰণ হৈছে তেনে জটিল সন্ধিক্ষণত এতিয়া যদিও নিৰ্বাচন বহুত দিন বাকী আছে আমাৰ একাংশ ৰাজনৈতিক নেতা-নেত্ৰী, বিধায়ক নিজৰ সমষ্টিত বোকা ছটিয়াৰ ৰাজনীতি, দলীয় টিকটৰ দৌৰ, নিজ দলৰ সাংগঠনিক কামকাজৰ মনোনিবেশ হোৱা দেখা গৈছে। উচ্ছেদ বা নিৰ্যাতনৰ বলি হোৱা দুৰ্ভগীয়া মানুহ খিনিৰ আৰ্তনাদ বা সমস্যাৰ বিষয়ে তেওঁলোকৰ চিন্তা কৰাৰ সময় নাই। কিছুমান নেতা-নেত্ৰীই কেৱল প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সান্ত্বনা দিয়ে আৰু নিৰ্যাতিতৰ লগত ছেলফী বা ফটো তুলি সামাজিক মাধ্যমত প্ৰচাৰ কৰি পলায়ন কৰা দেখা যায় আৰু একাংশ নেতা বা বিদায়ক আৰু দল সংগঠনে দিনে নিশাই সহায়ৰ চেষ্টা কৰি আছে যদিও তেওঁলোকৰ লগত সহযোগ নকৰা আন একাংশ সুবিধাবাদী নেতা-নেত্ৰী বা বিদায়ক আৰু দল সংগঠন জাতিৰ সংকটৰ সময়ত তেওঁলোকৰ কাণসাৰ নাই। তেওঁলোক কেৱল দালাল শ্ৰেণীৰ লোকৰ দ্বাৰা কাম কৰি নিজৰ স্বাৰ্থসিদ্ধিৰ কাৰণে চিন্তা কৰি থাকে। অথচ নিৰ্বাচনৰ সময়ত সংখ্যালঘু মুছলমান লোকসকলক উদ্দেশ্যি উদাত্ত ভাষণ দিয়ে পিছত জয়ী হোৱাৰ পিছত সকলোবোৰ পাহৰি যায়। এইসকল নেতৃত্বৰ দ্বাৰা জাতিৰ কোনো উপকাৰ হ'বনে?

ভাৰত স্বাধীন হোৱাৰ ৭৫ বছৰ পাৰ হৈ যোৱাৰ পিছতো অসমৰ মুছলমানৰ কোনো এটা সমস্যা সমাধান হোৱা নাই ইয়াৰ মুখ্য কাৰণ হৈছে সংখ্যালঘুৰ লোকসকলে নেতা-নেত্ৰী নিৰ্বাচিত কৰাত যতেষ্ট ভুল আছিল আৰু এনেকুৱা সুবিধাবাদী বা স্বাৰ্থপৰ নেতা-নেত্ৰীৰ কাৰণে অসমৰ মুছলমানৰ আজিৰ অৱস্থা বুলি কব পাৰি। সংখ্যালঘু সম্প্ৰদায়ৰ নেতা-নেত্ৰীসকলে ক্ষমতাত থাকি চৰম অকৰ্মণ্যতাৰ পৰিপেক্ষিতত, নিজ জাতিৰ সমস্যাৰ প্ৰতি উদাসীন মনোভাৱ, অশিক্ষিত বা অতি কম শিক্ষিত নেতাৰ তাণ্ডৱহীন জ্ঞান বুদ্ধি, একাংশই মদ খাই নিচাত মাতাল হৈ জাতিৰ সৰ্বনাশ কামো কৰাৰ বহুত উদাহৰণ আছে। গতিকে অতীতৰ নেতা-নেত্ৰীৰ চৰিত্ৰ বা কৰ্মৰ বৈশিষ্ট্য বিশে-ষণ কৰি সচেতন মহলে ভৱিষ্যতৰ কাৰণে সুদক্ষ বুদ্ধিমত্তা, নিজৰ জাতিৰ প্ৰতি চিন্তাশীল, যিকোনো বিষয়ত আপোচবিহীন যুক্তি প্ৰদৰ্শন কৰিব পৰা সৎ সাহসি নেতা-নেত্ৰী নিৰ্বাচন কৰাৰ প্ৰয়োজন নাই নে? সাম্প্ৰতিক জাতিৰ জটিল সন্ধিক্ষণত সমস্যাৰ প্ৰতি যিজন নেতা-নেত্ৰীৰ কোন গুৰুত্ব নাই বা কোনো ভূমিকা লোৱা নাই ভাবিব লাগিব সেইজনৰ নেতা-নেত্ৰী স্বাৰ্থপৰ তেনেকুৱা নেতা-নেত্ৰীৰ দ্বাৰা জনসাধাৰণৰ কোনো উপকাৰ নহয় বুলি চিনাক্ত কৰিব পাৰি আৰু এনেকুৱা নেতা-নেত্ৰী বৰ্জন কৰিবই লাগিব সমান্তৰালভাৱে যিজন নেতা-নেত্ৰী জাতি উদ্ধাৰ কাৰণে দিন ৰাতি একাকাৰ কৰি কাম কৰি আছে আৰু বাকী সকলোবোৰ ব্যক্তিগত চিন্তা পাহৰি গৈছে তেওঁলোকক আচলতে প্ৰকৃত নেতা-নেত্ৰী হিচাপে চিনাক্ত কৰিব পাৰি। আমাৰ মাজত প্ৰকৃত নেতা-নেত্ৰীৰ সংখ্যা অতি কম হোৱাৰ কাৰণেই সমস্যা সমাধানৰ ক্ষেত্ৰত যুঁজিও সফল হ'ব পৰা নাই।

গতিকে সংখ্যালঘুৰ সকলোবোৰ নেতা-নেত্ৰী, দল, সংগঠন, বুদ্ধিজীৱী, আইনজীৱি, সাহিত্যিক, লিখক, ৰাজনীতিৰ উৰ্ধত সকলো ঐক্যবদ্ধহৈ নিৰ্যাতিত জাতিৰ কল্যাণৰ হকে জাতি-ধৰ্ম-বৰ্ণ-ভাষা-নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ নিৰপেক্ষ দল সংগঠন নেতা-নেত্ৰীৰ লগত গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হৈ প্ৰকৃত ভাৰতীয় লোকৰ প্ৰতি অন্যায় কৰা যে হৈ আছে সেই সম্পৰ্কে আলোকপাত কৰি ভাতৃত্ববোধেৰে দেশৰ সংবিধানৰ গন্ধিৰ ভিতৰত থাকি চৰকাৰৰ বৈষম্যমূলক, স্বৈৰাচাৰ, অসাংবিধানিক নীতিৰ বিৰুদ্ধাচৰণ কৰি গণতান্ত্ৰাতিক আৰু ন্যায়িক যুঁজত অৱতীৰ্ণ হ'ব লাগে। নহ'লে নিৰ্যাতিত জাতিৰ কোনো এটা সমস্যাৰ সমাধান সম্ভৱপৰ নহ'ব বুলি মই ভাৱোঁ। জয় হিন্দ, জয় আই অসম।

## পথাৰত মেলিছে ছিঁৰাল ফাট, কৃষক ৰাইজৰ হাঁহাকাৰ

# বগাহাতীত পৰিণত জলসিঞ্চন বিভাগ

**অসম বাৰ্তা, কমলপুৰ, ২৮ জুলাই ঃ** ৰাজ্যৰ চৌদিশে বিকাশৰ গংগা বোৱাই দিয়া বুলি বাৰম্বাৰ দাবী কৰি থকাৰ সময়তো কিন্তু ৰাজ্য চৰকাৰে কৃষিপ্ৰধান ৰাজ্য অসমৰ জলসিঞ্চনৰ সুবিধা সৃষ্টিত নিৰ্বিকাৰ হৈ আছে। শাওন মাহৰ পথাৰত নাই পানী। পানীৰ অভাৱত কমলপুৰৰ খেতিয়কৰ মাজত সৃষ্টি হৈছে হাহাকাৰ। কমলপুৰ সমষ্টিৰ অন্তৰ্গত ৰাইপাট গাঁও পঞ্চায়তৰ সমীপৰ ৰাইপাটৰ গাঁৱৰ ধনুকা, খলেহমাৰী পথাৰত জলসিঞ্চন বিভাগ আছে কিন্তু পানী নাই। দীৰ্ঘদিন ধৰি পানীৰ অভাৱত বাত চাই থকা খেতিয়ক সকলে হোণ্ডা মেচিনেৰে পানী দি খেতি কৰাৰ সিদ্ধান্ত লৈছে। 1 নং ৰাইপাট জলসিঞ্চন বিভাগৰ পানী যোগান আঁচনি আছে যদিও তাৰ ড্ৰেইন সমূহ দীৰ্ঘদিন ধৰি পৰিত্যক্ত অৱস্থাত আছে। প্ৰতি বছৰে ড্ৰেইন সমূহৰ মেৰামতিৰ নামত বৃহৎ পৰিমাণৰ ধন মোকলাই আনে যদিও কোনো ধৰণৰ উপকৃত নোহোৱাৰ অভিযোগ স্থানীয় খেতিয়কৰ। জলসিঞ্চন বিভাগৰ কৰ্মচাৰী মাজে আহে কাৰ্যালয়লৈ আৰু বহি বহি চৰকাৰৰ দৰমহা লাভ কৰি থকাৰ অভিযোগ স্থানীয় ৰাইজে। বিয়াগোম জলসিঞ্চন বিভাগ থকাৰ পিছতো এতিয়া মূৰে-কপালে হাত দিছে খেতিয়কৰ লগতে ৰোৱনীসকল। জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱত খৰালি বাদেই, ভৰ বাৰিষাতো শালি ধানৰ পথাৰত এইবাৰ জলসিঞ্চন প্ৰয়োজনীয় হৈ পৰিছে। পিছে বৰষুণো নাই, চৰকাৰী জলসিঞ্চনৰো অভাৱ। ফলত দি ৰাজ্যৰ বহু পথাৰত কৃষকে খেতি আৰম্ভই কৰিব প পৰা নাই। মুখ্যমন্ত্ৰী আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰীয়ে জলসিঞ্চনৰ সা-সুবিধাক লৈ বিভিন্ন ন অজুহাত দেখুৱাই ল'ৰা-ধেমালি কৰি আছে যদিও বিগত দহ বছৰত বিজেপি নেতৃত্বাধীন মিত্ৰ দলৰ ও চৰকাৰে কৃষকৰ পথাৰত পানী দিয়াৰ বাবে কোনো সদিচ্ছা নেদেখুৱালে।বৰষুণ নিৰ্ভৰ হৈ কৃষকেক খেতি-বাতি কৰি আছিল যদিও এইবাৰ বৰষুণ নোহোৱাত কৃষকে মূৰে-কপালে হাত দিবলগীয়া হৈছে। কৃষি কাৰ্যৰ বাবে অন্য খৰচ আছেই। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলে অৱগত কৰোৱা অনুসৰি ৰ চৰকাৰীভাৱে অতি কম খৰচত পানী যোগানৰ এনে ব ব্যৱস্থা থাকিলে কৃষকসকলে বছৰৰ যিকোনো হ সময়তে বিবিধ খেতি কৰিবলৈ সক্ষম হ'লহেঁতেন। বিভাগীয় সূত্ৰৰ পৰা লাভ কৰা তথ্য অনুসৰি ৰাজ্যৰ প্ৰায় 52.75 লাখ হেক্টৰ কৃষিভূমি যদিও তাৰ ভিতৰত প্ৰায় 27 লাখ হে''ৰতহে খেতি কৰা হয়। এই 27 লাখ হেক্টৰৰ ভিতৰত প্ৰায় 10 লাখ হেক্টৰত ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰে আৰু বাকী প্ৰায় 17 লাখ হেক্টৰত মজলীয়া আৰু বৃহৎ পানী যোগান প্ৰকল্পৰে জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ তাহানিতে - পৰিকল্পনা লৈছিল ৰাজ্যৰ জলসিঞ্চন বিভাগে। পিছে সেই পৰিকল্পনা পৰিকল্পনা হৈয়েই ৰ'ল। বিভাগীয়ভাৱে লাভ কৰা তথ্য অনুসৰি 27 লাখ হেক্টৰ খেতি কৰা মাটিৰ ভিতৰত মাত্ৰ 8.90 লাখ হেক্টৰ খেতি কৰা মাটিতহে বিভাগে জলসিঞ্চনৰ সা-সুবিধা সৃষ্টি কৰিছে। 8.90 লাখ হে'ৰ মাটিত জলসিঞ্চনৰ সা-সুবিধা সৃষ্টি কৰিছে যদিও এইখিনি মাটিৰ কৃষকেও পথাৰত পানী লাভ কৰা নাই। 1000 খনৰো অধিক বিভিন্ন সৰু-বৰ আঁচনি বিকলহৈ পৰি থকা বিভাগটো কাৰ্যতঃ বগাহাতীতহে পৰিণত হৈছে। সা-সুবিধা সৃষ্টি কৰা মাটিখিনিতো বিভাগে কিয় পানী যোগান ধৰিব পৰা নাই। বিভাগীয় সূত্ৰে জানিবপৰা মতে বিভিন্ন আঁচনি মেৰামতিৰ বাবে চৰকাৰে প্ৰয়োজনীয় ধনৰ যোগান নধৰে। অথচ চৰকাৰে ধনৰ অভাৱ নাই বুলি ঘোষণা কৰি আহিছে। বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত জলসিঞ্চন আঁচনি ক্ষতিগ্ৰস্ত হয় যদিও সেইসমূহো সময়মতে মেৰামতি কৰিবলৈ বিভাগক পৰ্যাপ্ত ধন মুকলি কৰি দিয়া নহয়। তদুপৰি অনিয়মীয়া বিদ্যুৎ যোগান, ট্ৰেন্সফৰ্মাৰ, এইচ টি লাইনৰ বিজুতি আদিৰ সমস্যাও আছে। বিভাগে আনকি মটৰ, পাম্প আদিৰ চুৰি কাৰ্যও ৰোধ কৰিবপৰা নাই। এনে পৰিস্থিতিত ৰাজ্যৰ কৃষিখণ্ড দিনে দিনে নিশকতীয়া হ'বলৈ ধৰিছে।




# জাফাৰ লখিমপুৰ জিলা সমিতি গঠন

### অসম বাৰ্তাৰ সাংবাদিক দিপ প্ৰতিম বৰাক প্ৰচাৰ সম্পাদকৰ দায়িত্ব

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ২৮ জুলাই ঃ** লখিমপুৰ জিলাৰ শংকৰদেৱ কলেজত অনুষ্ঠিত হোৱা জাফাৰ লখিমপুৰ জিলা সমিতিৰ অধিৱেশনত নতুনকৈ শক্তিশালী জিলা সমিতি গঠন কৰা হয়। এই সমিতিত 'অসম বাৰ্তা' কাকতৰ লখিমপুৰ জিলাৰ বিশেষ সাংবাদিক দিপ প্ৰতিম বৰাক প্ৰচাৰ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, জাৰ্ণেলিষ্ট এছ'ছিয়েচন ফৰ আছাম চমুকৈ জাফাৰ লখিমপুৰ জিলা সমিতিৰ 19 সংখ্যক বাৰ্ষিক অধিৱেশন আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠান লখিমপুৰ জিলাৰ শংকৰদেৱ মহাবিদ্যালয়ৰ ডিজিটেল সভাকক্ষত 26 জুলাইত সম্পন্ন হয়। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে জাৰ্ণেলিষ্ট এছ'চিয়েচন ফৰ আছামৰ লখিমপুৰ জিলা সমিতিৰ 19 সংখ্যক বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। 25 জুলাইত বিয়লি কাৰ্যনিৰ্বাহক সভা শেষ হোৱাৰ পিছত বিশেষ প্ৰতিনিধি সভাখন অনুষ্ঠিত হয়। সাংবাদিক মজিন সোণোৱালক মুখ্য উপদেষ্টা, প্ৰাগ নিউজৰ সাংবাদিক কুশল শইকীয়াক সভাপতি, ৰাজু বৰাক সাধাৰণ সম্পাদক হিচাপে লৈ 34 জনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়। দ্বিতীয় দিনাৰ কাৰ্যসূচীত পুৱা পতাকা উত্তোলন কৰে জাফাৰ লখিমপুৰ জিলাৰ সভাপতি কুশল শইকীয়াই, ছহিদ তৰ্পন কৰে সাধাৰণ সম্পাদক ৰাজু বৰাই আৰু গছৰ পুলি ৰোপণ কৰে বিশিষ্ট সমাজকৰ্মী প্ৰমোদ আগৰৱালাই। আনহাতে বন্তি প্ৰজ্বলন কৰে বান্দৰদেৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বিশ্বেশ্বৰ দত্তই। মুকলি সভাৰ সঞ্চালনা কৰে জাফাৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি পংকজ ডেকাই। কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক কুঞ্জ মোহন ৰায়ে উদ্বোধনী ভাষণ দিয়াৰ পিছত জিলাখনৰ কেইবাটাও জাতীয় সংগঠনৰ বিষয়ববীয়াই বক্তব্য ৰাখে। উক্ত মুকলি সভাতে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মেধাৱী ছাত্ৰী ৰিহা ৰিয়া কলিতা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মেধাৱী ছাত্ৰী ৰ'দালী দত্তক বিশেষ সম্বৰ্ধনা জনোৱা হয়। মুকলি সভাত জাফাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক কুঞ্জ মোহন ৰায়, কাৰ্যকৰী সভাপতি পংকজ ডেকা, কেন্দ্ৰীয় উপ-সভাপতি বাবু ৰাভা হাকাছাম, সাংগঠনিক সম্পাদক আৰ্ছাদ ৰহমান বৰা, সাংগঠনিক সম্পাদক দীপজ্যোতি ডেকা উপস্থিত থকাৰ লগতে শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সোণাৰাম কলিতা উপস্থিত থাকে।

## ধুবুৰীত গভাইত চোৰক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, ধুবুৰী, ২৮ জুলাই ঃ** ধুবুৰী চহৰৰ পাশ্বৱৰ্তী আইৰণজংলা প্ৰথম খণ্ডত আৰক্ষীয়ে অভিযান চলাই নুৰু শেখ নামৰ এজন গভাইত চোৰক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে নুৰু শেখ নামৰ গভাইত চোৰজন আইৰণজংলা প্ৰথম খণ্ডকে ধৰি বিভিন্ন অঞ্চলত তেওঁৰ এজন নাবালক পুত্ৰৰ দ্বাৰাই দোকান, ঘৰ, দলঙৰ ৰড, নগদ ধন ইত্যাদি চুৰি কাৰ্য সংঘটিত কৰি আহিছিল। কালি নিশা এ এম কো ৰোড বজাৰ আৰক্ষী চকীৰ আৰক্ষীয়ে নুৰু শেখক গ্ৰেপ্তাৰ কৰি থানালৈ লৈ আনে। ধুবুৰী সদৰ থানাই গ্ৰেপ্তাৰ কৰা নুৰু শেখ নামৰ গভাইত চোৰজনক ন্যায়িক আজি আদালতলৈ প্ৰেৰণ কৰে। এ এম কো ৰোড বজাৰ আৰক্ষী চকীৰ আৰক্ষীয়ে গভাইত চোৰ নুৰু শেখৰ নাবালক ল'ৰাজনক বিচাৰি অভিযান অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

### বৰক্ষেত্ৰীত অগপৰ ব্যাপক তৎপৰতা

# দৌলাশাল-ৰামপুৰ আঞ্চলিক সমিতি গঠন



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৮ জুলাই ঃ** "অগপৰে মিত্ৰতা অবিহনে কোনো দলে চৰকাৰ গঠন কৰিব নোৱাৰে।" বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে অগপ দলৰ কেন্দ্ৰীয় সমিতিৰ নেতা গুণমণি ভূএগুৰ্ৱই। আগন্তুক 2026ৰ বিধানসভাৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলবোৰৰ লগতে প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ মাজত ব্যাপক নিৰ্বাচনী কুচকাৱাজ আৰম্ভ হৈছে। বিশেষকৈ আঞ্চলিক দল অসম গণ পৰিষদে দলৰ সাংগঠনিক ভেটি অধিক মজবুত কৰাৰ লক্ষ্যৰে প্ৰতিখন জিলাত আঞ্চলিক সমিতিসমূহ পুনঃগঠন কৰাৰ বাবে তৎপৰ হৈ পৰিছে। বৰক্ষেত্ৰীৰ বিভিন্ন প্ৰান্তত ব্যাপক তৎপৰ হৈ পৰিছে অগপ দলৰ কৰ্মীসকল। নলবাৰী জিলাৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত দৌলাশাল-ৰামপুৰ আঞ্চলিক সমিতিখনকালি গঠন কৰা হয়। দৌলাশাল হাইস্কুলত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে অগপৰ জ্যেষ্ঠ সদস্য উৎসৱ নাথে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অগপৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টি সমিতিৰ সম্পাদক জাহিৰ আৱাল চৌধুৰীয়ে। সভাত বৰক্ষেত্ৰী বিধানসভা সমষ্টি সমিতিৰ সভাপতি তথা জ্যেষ্ঠ অগপ নেতা খগেন্দ্ৰ নাথ মেধিয়ে দলটোৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ সন্দৰ্ভত মত প্ৰকাশ কৰে। সভাত বিশিষ্ট অতিথি, কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া গুণমণি ভূএগুৰ্ৱই ভাষণত কয়- "ৰাজ্যখনৰ শক্তিশালী আঞ্চলিক দল অসম গণ পৰিষদৰ মিত্ৰতা অবিহনে কোনো দলে অসমত চৰকাৰ গঠন কৰিব নোৱাৰে। অহা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ লগতে অসম গণ পৰিষদ দলৰ মৰ্যাদাপূৰ্ণ মিত্ৰতা অক্ষুণ্ণ থাকিব।" সভাত কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য বাসৱ ডেকা, সমষ্টি সমিতিৰ উপ-সভাপতি বীৰেন্দ্ৰ চৌধুৰী আৰু দিলীপ কুমাৰ শৰ্মাকে ধৰি কেইবাগৰাকীও শীৰ্ষ পৰ্যায়ৰ অগপ নেতা উপস্থিত থাকে। সভাৰ আৰম্ভণিতে দৌলাশাল গাঁৱৰ অগপ কৰ্মী বিপুল বৰ্মনৰ মৃত্যুত শোক প্ৰকাশ কৰি মৌন প্ৰাৰ্থনা কৰে। বৰক্ষেত্ৰীৰ প্ৰাক্তন ছাত্ৰ নেতা তথা অগপৰ নিষ্ঠাবান কৰ্মী মনোৰঞ্জন মেধিয়ে আঁত ধৰা সভাখনত ধনোৰাম নাথক সভাপতি, হৰেকৃষ্ণ বৈশ্য আৰু সঞ্জয় তালুকদাৰক উপ-সভাপতি আৰু দেৱ বৈশ্যক সম্পাদক হিচাপে লৈ 31 জনীয়া দৌলাশাল-ৰামপুৰ আঞ্চলিক সমিতিখন গঠন কৰা হয়। সভাতে আকাশদ্বীপ মেধিক সভাপতি আৰু পাৰ্থপ্ৰতিম বৰ্মনক সম্পাদক হিচাপে লৈ দৌলাশাল-ৰামপুৰ আঞ্চলিক যুৱ পৰিষদৰ সমিতিখন গঠনৰ লগতে অঞ্জনা বৰ্মনক সভানেত্ৰী আৰু বিনীতা মেধিক সম্পাদিকা হিচাপে লৈ মহিলা পৰিষদখনো একেখন সভাতে গঠন কৰা হয়।

## ধিঙৰ পতিয়া চাপৰী ৰৌমাৰী গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত কমিটিৰ কাৰ্যভাৰ গ্ৰহণ

**অসম বাৰ্তা, টুকটুকী, ২৮ জুলাই ঃ** নগাঁও জিলাৰ 55 নং ধিং বিধান সভা সমষ্টিৰ নিজ ধিং উন্নয়ন খণ্ডৰ অন্তৰ্গত 53 নং পতিয়া চাপৰী ৰৌমাৰী গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত কমিটিৰ কাৰ্যভাৰ গ্ৰহণ আৰু আদৰণি সভাখন আজি পঞ্চায়তৰ কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। আজি দিনৰ 11 বজাত পঞ্চায়তটোৰ প্ৰাক্তন সভাপতি মজিবুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কাৰ্যভাৰ গ্ৰহণ আৰু আদৰণি সভাখনত নৱনিৰ্বাচিত সভানেত্ৰী ৱাহিদা খাতুন, উপ-সভানেত্ৰী ৰেছবিন চুলতানা, ৱাৰ্ড সদস্য ইজাজুল হক, শ্বৰিফুল ইছলাম, সদস্যা নাজিৰা বেগম, পাৰবিনা খাতুন, মিনাৰা খাতুন আৰু আঞ্জুমা খাতুনকে আদি কৰি সকলো ৱাৰ্ড সদস্য - সদস্যা সকলক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। পঞ্চায়তটোৰ 9 নং ৱাৰ্ডৰ সদস্য ইজাজুল হকে আতঁধৰা সভাখনত পঞ্চায়তটোৰ প্ৰাক্তন সভাপতি আব্দুল মান্নান, প্ৰাক্তন আঞ্চলিক সদস্য আমিৰুজ্জামান, বাহাৰুল ইছলাম আৰু সমাজ কৰ্মী ছিৰাজুল ইছলামে নৱনিৰ্বাচিত সভানেত্ৰী, উপ-সভানেত্ৰী আৰু ৱাৰ্ড সদস্য -সদস্যা সকলক কিছুমান উপদেশ দিয়াৰ লগতে পঞ্চায়টোৰ দহখন ৱাৰ্ডত সমান বাবে কাম কৰাৰ লগতে চৰকাৰী আঁচনি সমূহ সফল ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। আজিৰ এই কাৰ্যভাৰ গ্ৰহণ আৰু আদৰণি সভাখনত সমাজ কৰ্মী আব্দুল কদ্দুছ, পঞ্চায়টোৰ সচিব চাহাব উদ্দিনৰ লগতে পঞ্চায়তটোৰ কৰ্মচাৰী সকল উপস্থিত আছিল।

## সৰুপথাৰত অস্মিতা ভাৰত্তোলন মহিলা লীগ

**অসম বাৰ্তা, ধনশিৰি, ২৮ জুলাই ঃ** সৰুপথাৰত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ নিৰ্দেশ মৰ্মে গোলাঘাট জিলা ভাৰত্তোলন সন্থাৰ উদ্যোগত দেওবাৰে সৰুপথাৰ হনুমান মন্দিৰ প্ৰাঙ্গনত অস্মিতা খেলো ইণ্ডিয়া ভাৰত্তোলন মহিলা লীগ 2025-26 অনুষ্ঠিত হয়। অস্মিতা খেলো ইণ্ডিয়াই ভাৰত বৰ্ষৰ সৰ্বস্তৰৰ মহিলাসকলৰ সৱলীকৰণৰ লগতে সকলো দিশত উন্নয়নৰ বাবে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। গোলাঘাট জিলা ভাৰত্তোলন সন্থাই অস্মিতা খেলো ইণ্ডিয়াৰ এই মহিলা ভাৰত্তোলন লীগখনি সৰুপথাৰত অনুষ্ঠিত কৰিবলৈ পাই আনন্দিত হৈ পৰে আৰু এই সুযোগ প্ৰদান কৰাৰ বাবে ভাৰত চৰকাৰৰ ক্ৰীড়া প্ৰাধিকৰণক বিশেষভাৱে ধন্যবাদ জনাই। ভাৰত্তোলন প্ৰতিযোগিতাখনত সৰুপথাৰ সমজিলাৰ বিভিন্ন প্ৰান্তৰ প্ৰায় শতাধিক মহিলা খেলুৱৈয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনত গোলাঘাট জিলা ভাৰত্তোলন সন্থাৰ বিষয়ববীয়া সকলৰ লগতে ভাৰতীয় ভাৰত্তোলন সন্থাৰ উপঃসভাপতি ভৱজ্যোতি গোস্বামী, ভাৰত চৰকাৰৰ ক্ৰীড়া প্ৰাধিকৰণৰ উচ্চ পাৰদৰ্শিতা নিৰ্দেশক অলকেশ বৰুৱা, অসম ভাৰত্তোলন সন্থাৰ সাধাৰণ সম্পাদক মনোজ আদিত্য বড়ো, ধনশিৰি ক্ৰীড়া সন্থা আৰু বহুকেইগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰশিক্ষক তথা খেলুৱৈ উপস্থিত থাকে। আনহাতে মহিলা ভাৰত্তোলন প্ৰতিযোগিতাখনি উপভোগ কৰিবলৈ সৰুপথাৰ হনুমান মন্দিৰ প্ৰাঙ্গনত যথেষ্ট সংখ্যক লোকে ভীৰ কৰে। এনেধৰণৰ প্ৰতিযোগিতাই উঠি অহা প্ৰজন্মক অকল মঞ্চ প্ৰদান কৰাই নহয় ভাৰত্তোলন প্ৰতিযোগিতাৰ প্ৰতি সকলো মহিলা খেলুৱৈক যথেষ্টগুণে উৎসাহী কৰি তুলিব।

# বিশিষ্ট অভিনেতা সুনিত বৰাৰ যোৰহাটৰ লাহদৈগড়ত দুৰ্ঘটনাত মৃত্যু

### গোলাঘাটৰ গমাৰিত শোকৰ ছাঁ; শিৱসাগৰৰ দুখন পঞ্চায়তৰ সচিব হিচাপে কৰ্মৰত আছিল

**অসম বাৰ্তা, মেৰীপানী, ২৮ জুলাই ঃ** অসমৰ বিশিষ্ট অভিনেতা, সমাজকৰ্মী, সাংস্কৃতিক কৰ্মী, শিৱসাগৰ চৰগুৱা আৰু আঠাবাৰী গাঁও পঞ্চায়তৰ কৰ্মৰত সচিব তথা মেৰাপানীৰ 2 নং গমাৰিগুৰিৰ বাৰিছোৱা গাঁৱৰ নিবাসী সুনিত বৰাৰ দেহাৱসান। উল্লেখ্য যে 2 নং গমাৰিগুৰিৰ বাৰিচোৱা গাঁৱৰ প্ৰথমজন চৰকাৰী কৰ্মচাৰী হিচাপে কৰ্মৰত সুনিত বৰাই নিজৰ দৈনিক কৰ্ম সম্পাদনা কৰি শনিবাৰে বিয়লি শিৱসাগৰ ডিমৌৰ পৰা গোলাঘাট 2 নং গমাৰি ঘৰলৈ আহি থাকোঁতে যোৰহাটৰ লাহদৈগড় অভ'ৰ ব্ৰীজৰ ওচৰত এক পথ দুৰ্ঘটনাত পতিত হয়। পাছত লোকজনক চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল 58 বছৰ। সুনিত বৰাৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অনেক গুণমুগ্ধই তেখেতৰ বাসগৃহত ভিৰ কৰেহি। আনহাতে সুনতি বৰাই 1994 চনত আদৰ্শ গমাৰি পঞ্চায়তত সচিব হিচাপে যোগদান কৰাৰ পাছত পৰৱৰ্তী সময়ত মেৰাপানী, ৱাটিং গাঁও পঞ্চায়তত সচিব হিচাপে কৰ্মৰত আছিল। মৃত বৰা বিভিন্ন বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান- প্ৰতিষ্ঠানৰ লগত জড়িত হোৱাৰ উপৰি অসমীয়া বোলছবি 'গৃহলক্ষ্মী', 'বহুত দূৰ হ'ল সপোন বোৰ', 'খা বাপেকে ভীমকল' আদি কৰি কেইবাখনো বোলছবিত অভিনয় কৰিবলৈ সক্ষম হৈছিল। সুনীত বৰাই মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ, দুগৰাকী কন্যা সহ অনেক আত্মীয়ক এৰি থৈ গৈছে। ইফাল সুনিত বৰাৰ মৃত্যুত গোলাঘাট, মেৰাপানী আৰু গমাৰিৰ বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# নামখলাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ আমাৰ বুথ আমাৰ দাবী কাৰ্যসূচী পালন

**অসম বাৰ্তা, খৈৰাবাৰী, ২৮ জুলাই ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিৰ্বাচিত সভাপতি লোকসভাৰ বিৰোধী দলৰ দলপতি গৌৰৱ গগৈৰ নিৰ্দেশ মৰ্মে আমাৰ বুথ আমাৰ দাবী কাৰ্য্যসুচী পালন। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কংগ্ৰেছ দলে আজি সমগ্ৰ ৰাজ্যজুৰি আমাৰ বুথ আমাৰ দাবী শীৰ্ষক কাৰ্যসূচীৰ জৰিয়তে সংগঠনৰ তৃণমূল পৰ্য্যায়ৰ প্ৰকৃত নায়ক বুথ সভাপতি আৰু নিষ্ঠাবান কৰ্মীসকলৰ জৰিয়তে স্থানীয় সমস্যা সমূহৰ বুজ লোৱাৰ উদেশ্যে নিজ নিজ বুথ সমূহত জনসাধাৰণৰ বিশেষকৈ মৌলিক সমস্যা সমূহৰ বুজ লোৱাৰ বাবে এই কাৰ্য্যসুচী ৰূপায়ণ। ছিপাঝাৰ সমষ্টিৰ ব্লক কংগ্ৰেছ কমিতিৰ উদ্যোগত অসম কংগ্ৰেছ কমিটিৰ সম্পাদক কন্দৰ্প কলিতাৰ নেতৃত্বত আৰু অসম কংগ্ৰেছ কমিটিৰ দৰং জিলা তত্ত্বাবধায়ক জ্যোতিময় বৈশ্যৰ লগতে ছিপাঝাৰ ব্লক কংগ্ৰেছৰ সভাপতিৰ উপস্থিতিত নামখলা গাঁও পঞ্চায়তৰ অন্তগত 6 নং আঠিয়াবাৰী ৱাৰ্ডত ক আৰু খ বুথত মৌলিক সমস্যা সমূহৰ বুজ লৈ সমস্যা সমূহৰ সমাধানৰ বাবে চৰকাৰৰ ওচৰত দাবি উত্থাপন কৰিব। অন্যহাতে সমস্যা সমূহ যদি সমাধান কৰিব নোৱাৰে তেন্তে 2026 চনত কংগ্ৰেছ চৰকাৰে চৰকাৰ গঠন কৰিলে তেওঁলোকে নিজে সমস্যা সমূহ সমাধান কৰিব বুলি মত পোষণ কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক কন্দৰ্প কলিতাই স্থানীয় বুথৰ মৌলিক সমস্যা সমূহ সমাধান কাৰ্যসূচীৰ জৰিয়তে আগন্তুক 2026 চনৰ বিধানসভা নিৰ্বাচনলৈ কঁকালত টঙালি বান্ধি ৰণডংকা বজাইছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক কন্দৰ্প কলিতাৰ নিজৰ বুথত অনুষ্ঠিত কৰিলে স্থানীয় সমস্যা সমাধান সভা। এই কাৰ্য্যসুচীত নামখলা মণ্ডল কংগ্ৰেছ কমিটিৰ বিষয়ববীয়া লগতে কংগ্ৰেছ দলক সমৰ্থনৰ কেইবা গৰাকী দলীয় কৰ্মী উপস্থিত হৈ মানুহৰ ঘৰে ঘৰে মৌলিক সমস্যা সমূহৰ বুজ লোৱাত জনসাধাৰণ উৎফুল্ল হোৱা দেখা যায়। এই সভাত প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা অনুষ্ঠিত বুথ মৌলিক সমস্যা আমাৰ বুথ আমাৰ দাবি অনুষ্ঠানত বুথৰ বিভিন্ন গাঁৱৰ জনসাধাৰণে চৰকাৰৰ দমন নীতিৰ বিৰুদ্ধে খোফ উজাৰে। আজি ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ সক্ৰিয় কাৰ্যকৰ্তা সকল একগোট হৈ মানুহৰ ঘৰে ঘৰে গৈ একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় সমস্যা সমূহৰ সমাধানৰ আশ্বাস প্ৰদান কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক কন্দৰ্প কলিতাৰ নেতৃত্বত অনুষ্ঠিত মত বিনিময় আমাৰ বুথ আমাৰ দাবি অনুষ্ঠানত কন্দৰ্প কলিতাক সংগ দিয়ে অসম প্ৰদেশ কংগ্ৰেছৰ RGPRSৰ জিলা আহ্বায়ক প্ৰানেশ্বৰ কলিতা, সমাজ সেৱক দণ্ড চহৰীয়া, কুলেন নাথ উপৰিও বিভিন্ন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত 2026 চনৰ বিধান সভা নিৰ্বাচনত কংগ্ৰেছ চৰকাৰ গঠন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

### জন ডাঙক সভাপতি-ৰোহিত ডাঙক সম্পাদক নিৰ্বাচন

# বিহালীৰ বৰগাং সুন্দৰ লাইনত আছাৰ শক্তিশালী প্ৰাথমিক গোট গঠন

**অসম বাৰ্তা, বৰগাং, ২৮ জুলাই ঃ** বিহালী সমষ্টিৰ বৰগাং সুন্দৰ লাইনত আদিবাসী ছাত্ৰ সন্থাৰ শক্তিশালী প্ৰাথমিক গোট গঠন কৰা হয়। আদিবাসী ছাত্ৰ সন্থাৰ বিহালী আঞ্চলিক সমিতিৰ সভাপতি প্ৰদীপ ওৰাঙৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিহালী আঞ্চলিক সমিতিৰ সম্পাদক উলিয়াম পৰ্জায়ে। সভাৰ সৰ্বসন্মতিক্ৰমে বৰগাং সুন্দৰ লাইনৰ প্ৰাথমিক গোটৰজন ডাঙক সভাপতি আৰু ৰোহিত ডাঙক সম্পাদক হিচাপে লৈ 31 জনীয়া এখন শক্তিশালী প্ৰাথমিক গোট গঠন কৰে। প্ৰাথমিক গোট গঠনৰ উদ্দেশ্য আয়োজন কৰা সভাত উপস্থিত থাকে আছাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী শিক্ষা সম্পাদক জেফ্ৰি কনগাডী, বিশ্বনাথ জিলাৰ উপ-সভাপতি পৱন বাউৰী, প্ৰচাৰ সম্পাদক জীতেন গোড়ৰ লগতে বৰগাং সুন্দৰ লাইনৰ গণ্য-মান্য ব্যক্তিসকল আৰু স্থানীয় সচেতন ৰাইজৰ উপস্থিতি এখন শক্তিশালী প্ৰাথমিক গোট গঠন কৰে। নৱগঠিত প্ৰাথমিক সমিতিখনে আদিবাসীসকলৰ স্বাৰ্থত সদায় নিষ্ঠা আৰু সততাৰে কাম কৰি যাম বুলি সভাত সংকল্পবদ্ধ হয়।

# মহা মহামৃত্যুঞ্জয় মন্দিৰত বহিঃৰাজ্যৰ মহিলা গেঙৰ তাণ্ডৱ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদাম ভেৰভেৰিস্থিত মহামৃত্যুঞ্জয় মন্দিৰলৈ পবিত্ৰ শাওন মাহত ভক্তৰ লানি নিছিগা সোঁত বয়। ভাৰতৰ ভিতৰতে মহাদেৱৰ ভক্তসকলৰ এক ভক্তিৰস্থলী হিছাপে পৰিচিত এই মন্দিৰলৈ পবিত্ৰ শাওন মাহত অসমৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা দৈনিক হাজাৰ-হাজাৰ ভক্তৰ সমাগম হয়। এই ভক্তিৰাআস্থলীলৈ অহা ভক্তসকল যেন এতিয়া টাৰ্গেট হৈ পৰিছে একাংশ লোকৰ। বিশেষকৈ বহিঃৰাজ্যৰ পৰা অহা এটা মহিলা গেঙে এতিয়া ভক্তসকলৰ ভক্তিৰ পৰিবেশৰ সুযোগ গ্ৰহণ কৰি চুৰি কৰিছে মানিবেগ, ম'বাইল ফোনকে ধৰি অন্যান্য মূল্যবান সামগ্ৰী। আজিও ভক্তৰ ভিৰৰ মাজত তেনেধৰণৰ চুৰি কাৰ্যত লিপ্ত হোৱা মহিলা গেঙক হাতে-লোটে ধৰি আৰক্ষীক চমজাই দিয়ে মন্দিৰ কৰ্তৃপক্ষই। মন্দিৰৰ সুৰক্ষা বাহিনীয়ে দিনে-নিশাই সুৰক্ষা দি থকাৰ পিছতো সুৰক্ষা কৰ্মীৰ চকুত ধূলি দি চৌৰ্য্য বৃত্তিত লিপ্ত হোৱা মহিলা গেঙক আটক কৰাৰ পিছতে মন্দিৰৰ ভক্তৰ নিৰাপত্তা দিশটো পোহৰলৈ আহে।

# নগাঁও আয়ুক্তৰ দুৰ্ঘটনা ৰোধৰ সজাগতা সৃষ্টি

## প্ৰকৃতিৰ অপূৰ্ব সমাহাৰ চাপানলা জলপ্ৰপাত জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ বনভোজ দল আৰু ৰাইজক মাইকযোগে আহ্বান

**অসম বাৰ্তা, নগাঁও, ২৮ জুলাই ঃ** আমোদ - প্ৰমোদ আৰু প্ৰকৃতিৰ আমেজ লবলৈ আহ্বান জনাই বনভোজ স্থলীত মদিৰা পান কৰি পৰিবেশ নষ্ট নকৰা আৰু বাহন নচলোৱাৰ আহ্বান নগাঁৱৰ আয়ুক্ত দেৱাশিস শৰ্মাৰ। মদিৰা পান কৰি বাহন চলালে দুৰ্ঘটনা সংঘটিত হয়। চাপানলাত বনভোজ খোৱাৰ পূৰেই মদিৰা সেৱন কৰি বাহন চলোৱাৰ ফলত হোৱা দুৰ্ঘটনাত চাৰিজন লোকৰ ইতিমধ্যে মৃত্যু হৈছে। চলিত বৰ্ষৰ 7টা মাহত মদিৰা সেৱন কৰি বাহন চলোৱাৰ ফলত নগাঁও জিলাত 70জন লোকৰ মৃত্যু হোৱাৰ কথা উল্লেখ কৰি আয়ুক্ত গৰাকীয়ে সকলোকে আপোনালোকৰ জেষ্ঠ ভাতৃ হিচাপে মই অনুৰোধ জনাইছো মদিৰা সেৱন কৰি বাহন নচলাবৰ বাবে জিলা আয়ুক্ত গৰাকীয়ে সৰ্বসাধাৰণ লোকলৈ আহ্বান জনাই। আজিৰ এই সজাগতা অনুষ্ঠানত জিলা পৰিবহণ কাৰ্যালয়ৰ প্ৰবতক বিষয়া কৰ্মচাৰী সকলো উপস্থিত থাকে।



## পুনৰ নিবিদা প্ৰক্ৰিয়াৰ মাজতে

মূল নিৰ্মাণকাৰী সংস্থা আৰু উপ-ঠিকাদাৰী প্ৰতিষ্ঠানে দলংৰ কাম এৰাৰ পিছৰে পৰা দলং খনৰ কাম-কাজ বন্ধ হৈ আছে। ইফালে বৰ্তমান দলং খনৰ পুনৰ নিবিদা প্ৰক্ৰিয়াৰ শেষ পৰ্যায়ত থকাৰ মাজতে পুনৰ যোৰহাট মাজুলী দলং খনৰ কেইবাটাও খুঁটাত বৃহৎ ফাট মেলাৰ লগতে গড়াখহনীয়াৰ কবলতো জাহ যোৱাৰ উপক্ৰম ঘটাত মাজুলীৰ চৌদিশে চাঞ্চল্যৰ সৃষ্টি হৈছে। বিগত দহ মাহে দলং খনৰ নিৰ্মাণৰ কাম বন্ধ হৈ থকাৰ মাজতে এতিয়া দলং খনৰ বৰ্তমানলৈকে নিৰ্মাণ সম্পূৰ্ণ হোৱা প্ৰকল্প স্থলী চোৱাচিতা কৰাৰ অভাৱত এনেদৰে মাজুলীৰ সপোনৰ দলংখন পুনৰ নিৰ্মাণৰ পূৰ্বেই খহনীয়াত নিঃশেষ হৈ যোৱাৰ উপক্ৰমে সকলোকে শংকিত কৰি তুলিছে। ইফালে যোৰহাট মাজুলী দলং খনৰ খুঁটা খহনীয়াৰ কৱলত পৰা আৰু আজিকোপতি দলংখনৰ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ নোহোৱাক লৈ এতিয়া প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আছুৰ কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মাই। শৰ্মাই এই সন্দৰ্ভত কয় নিবিদা প্ৰক্ৰিয়া শেষ কেতিয়া হ'ব আৰু কেতিয়া দলংৰ কাম আৰম্ভ হ'ব সেয়া এতিয়াও নিশ্চিয়তা নোহোৱাৰ সমান্তৰালভাৱে দলংখন যে পুনৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱালৈকে থাকিব সেয়াও এতিয়া অনিশ্চয়তাৰ কৱলত পৰিছে। দলঙৰ খুঁটাত এতিয়া খহনীয়াই স্পৰ্শ কৰিছে। দুই লক্ষ মাজুলীবাসীৰ নিৰাপত্তাৰ স্বাৰ্থতে যি সময়ত দলং খনৰ অতি প্ৰয়োজন আৰু আনফালে মাজুলীৰ মানুহৰ শিক্ষা, স্বাস্থ্য আৰু আৰ্থ সামাজিক উন্নয়নতো ই অতি জৰুৰী বুলি উল্লেখ কৰি তেওঁ কয় বাৰম্বাৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক দলং খনৰ পুনৰ নিৰ্মাণৰ কথা আছুৱে কৈ আহিছে যদিও আজিকোপতি দলংখনৰ কাম পেলাই ৰাখিছে। যাৰ পৰিপ্ৰেক্ষিতত এতিয়া দলংখনৰ খুঁটাত ছিঁৰাল ফাট মেলিছে খহনীয়া লাগিছে। গতিকে মাজুলীখনক কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কিয় মাহী আইৰ দৃষ্টিৰে চাইছে সেয়া নাজানো। কিন্তু মাজুলীবাসী দুই লক্ষ জনসাধাৰণৰ আৰ্থ সামাজিক উন্নয়ন, শিক্ষা-স্বাস্থ্য আৰু মাজুলীবাসীৰ যি অধিকাৰ আৰু সেই অধিকাৰৰ প্ৰশ্নত মাজুলী-যোৰহাট সংযোগী দলংখনৰ নিৰ্মাণ কাৰ্য্য তাৎক্ষণিক ভাৱে পুনৰ নিৰ্মাণ কৰিবলৈ তেওঁ দাবী উত্থাপন কৰে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ যোৱা ২২ মে'ত মুকলি হোৱা যোৰহাট-মাজুলী সংযোগী দলংৰ নিবিদা দাখিলৰ প্ৰক্ৰিয়া শেষ আজি শেষ হৈছে। পৰৱৰ্তী সময়ত নিবিদাৰ সমগ্ৰ প্ৰক্ৰিয়া শেষ হোৱালৈ আৰু এটা মাহৰ প্ৰয়োজন হ'ব আৰু নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰালৈ আৰু কেইবা মাহৰো যে প্ৰয়োজন হ'ব সেয়া নিশ্চিত। অৱশ্যে এনে প্ৰেক্ষাপটত ২০১৬ বৰ্ষৰ পৰা যোৱা প্ৰায় ১০টা বছৰে যোৰহাট মাজুলী সংযোগী দলংখনক শাসকীয় দলে নিৰ্বাচনী টোপ হিচাপে ব্যৱহাৰ কৰাত যে একপ্ৰকাৰে সফল হ'ল তাক লৈ এতিয়া চৰ্চা অব্যাহত আছে। উল্লেখযোগ্য যে ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয় উত্তৰ-পূব মণ্ডল নিবিদা/ পেকেজ নং ৰাষ্ট্ৰীয় ঘাইপথ-১২০১৩/০৫/২০২০/এ এছ/জোন-ভি অনুসৰি জাৰি হোৱা আমন্ত্ৰণমূলক নিবিদা অনুসৰি উত্তৰ পাৰৰ মাজুলী আৰু দক্ষিণ পাৰৰ যোৰহাটৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰেৰে যোৱা পথকে ধৰি ২ লেনযুক্ত মূল দলং নিৰ্মাণৰ বাবে সংশোধিত খৰচৰ আনুমানিক হিচাপ হৈছে ৬০০.৫১ কোটি টকা। নতুন নিবিদা অনুসৰি দলং নিৰ্মাণৰ সময়সীমা হৈছে ২ ( ৭৩০ দিন) বছৰ। মাজুলীবাসীৰ বহু আকাংক্ষিত যোৰহাট মাজুলী সংযোগী দলং খনৰ নিৰ্মাণ কাৰ্য বন্ধ হৈ যোৱাৰ পাছত মাজুলীৰ সাধাৰণ জনতা যোৰহাট মাজুলী সংযোগী দলংখনক লৈ এতিয়া চিন্তিত হৈ আছে। মাজুলীবাসীৰ বহু প্ৰত্যাশিত দলং খনৰ দুই নিৰ্মাণকাৰী সংস্থা ইউ পি ষ্টেট ব্ৰীজ কৰ্পৰেছন আৰু বি আৰ চি কোম্পানীৰ মাজৰ সংঘাতৰ পৰিণতিত যোৱা বৰ্ষৰ ছেপ্টেম্বৰত প্ৰথমে কাম বন্ধ আৰু ইয়াৰ পিছতেই মূল নিৰ্মাণকাৰী সংস্থাই দলংৰ কাম এৰাৰ আনুষ্ঠানিকতাৰ পিছত দলং নিৰ্মাণ স্থলীত নিমাওমাও, মৰিশালি সদৃশ পৰিৱেশে বিৰাজ কৰিছে। উল্লেখযোগ্য যে যোৱা ২০২১ চনৰ ১৮ মাৰ্চত তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, তেতিয়াৰ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত হাজাৰ হাজাৰ দৰ্শকক সাক্ষী কৰি মাজুলীৰ ফুলনিত দেশৰ প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেলী যোৰহাট-মাজুলী সংযোগী দলংৰ নিৰ্মাণ কাৰ্য্য শুভাৰম্ভ কৰাৰ পিছত সেই বৰ্ষতে ২৯ নৱেম্বৰত আনুষ্ঠানিকভাৱে বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৰহাট মাজুলী দলংৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিছিল। সেইবাৰ ৯২৫.৪৭ কোটি টকাৰ মুঠ ব্যয়ৰে নিৰ্মাণ হোৱা দলংৰ মূল নিৰ্মাণকাৰী সংস্থা ইউ পি ষ্টেট ব্ৰীজ কৰ্পৰেচনে বদ্ৰী ৰায় এণ্ড কোম্পানীৰ সহযোগত ৬৫৩ কোটি টকাত নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিছিল। ইফালে দলং সংযোগী পথৰ সৈতে মুঠ ৮.২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মাজুলী-যোৰহাটৰ মাজত বহু প্ৰত্যাশিত দলং খনৰ কাম ৩৩% অগ্ৰগতিৰ মাজতে বন্ধ হৈ পৰাত যোৰহাট মাজুলী সংযোগী দলংখনৰ পৰা মূল ঠিকাদাৰী সংস্থা আঁতৰি যোৱাৰ পিছত সম্প্ৰতি দলংখনৰ নিৰ্মাণ ব্যয়কে ধৰি সকলো প্ৰাককলন সলনি হোৱাৰ লগতে নতুনকৈ দলং খনৰ বাবে ধাৰ্য্য কৰা নিৰ্মাণ পুঁজি এইবাৰ ২০২০-২১ৰ এছ অ' আৰ (Schedule of Rate) অনুসৰি বৃদ্ধি হৈছে।

## বিতৰ্কিত ঠিকাদাৰ ৰুদ্ৰ

জনক মৃত্যুক লৈ তদন্ত আৰম্ভ কৰিছে SITএ। ঘটনাৰে লগত নাম সাঙোৰ খোৱা বিতৰ্কিত ঠিকাদাৰ ৰুদ্ৰ পাঠকৰ অভয়াপুৰীৰ বাসগৃহত আৰক্ষী অভিযান। ঠিকাদাৰ ৰুদ্ৰ পাঠক অভয়াপুৰীৰ বাসগৃহত কেইবাঘণ্টা ধৰি SITএ চলালে অভিযান। ইতিমধ্যে লোকনিৰ্মাণ বিভাগৰ বঙাইগাঁৱৰ অভিযন্তা যোষিতা দাসৰ চৰম সিদ্ধান্তৰ পিছত বিভাগটোৰ তদানীন্তন কাৰ্যবাহী অভিযন্তা দীনেশ শৰ্মা মেধি, SDO আমিনুল ইছলাম আৰু কনচালটেণ্ট দেৱাশিস শৰ্মাক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছে। অভিযোগ উঠিছিল ঠিকাদাৰ ৰুদ্ৰ পাঠকৰ দুৰ্নীতি আৰু জ্যেষ্ঠ অভিযন্তাৰ মানসিক চাপত যোষিতা দাসে চৰম সিদ্ধান্ত ল'বৰ বাবে বাধ্য হৈছিল। শেষ টোকাটো ঠিকাদাৰৰ বাবে চৰম সিদ্ধান্ত লোৱা বুলি প্ৰকাশ কৰিছিল যোষিতা দাসে। বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদৰ পাছত আজি SITএ অভিযান চলাই বিতৰ্কিত ঠিকাদাৰ ৰুদ্ৰ পাঠকৰ বাসগৃহত। কিন্তু অভিযানৰ সময়ত বাসগৃহত নাছিল ঠিকাদাৰ ৰুদ্ৰ কুমাৰ পাঠক। অভিযানকাৰী দলে জব্দ কৰিছে বিভিন্ন নথি-পত্ৰ। উল্লেখ্য যে বঙাইগাঁৱত ভাড়াঘৰত নিজৰ জীৱন শেষ কৰি দিছিল লোক নিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা যোষিতা দাসে। বঙাইগাঁৱৰ বৰপাৰাস্থিত ভাড়াঘৰত চিপ লৈ নিজৰ জীৱন শেষ কৰি দিছিল যোষিতা দাসে।

## প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ

৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী মোদীৰ অসম ভ্ৰমণৰ বাবে ৰাজ্যবাসীয়ে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ ৰাজ্যখনৰ উন্নয়নমুখী যাত্ৰাৰ আন এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আশা প্ৰকাশ কৰে। ড° শৰ্মাই ইয়াৰ পাছত নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰে। তেওঁ গহপুৰত নিৰ্মাণ হ'বলগীয়া কনকলতা বৰুৱা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কাৰ্যসূচীলৈ বিত্তমন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনায়। উল্লেখযোগ্য যে বীৰাঙ্গনা কনকলতা বৰুৱালৈ উৎসৰ্গিত এই উচ্চ শিক্ষানুষ্ঠানখন সম্পূৰ্ণ ৰূপে উদ্যোগমুখী শৈক্ষিক দৃষ্টিভঙ্গীক লৈ নিৰ্মাণ কৰা হৈছে। এই বিশ্ববিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং আৰু ৰবটি'ৰ দৰে বিশেষ পাঠ্যক্ৰম থাকিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ সৈতেও ফলপ্ৰসূ বৈঠকত মিলিত হয়। তেওঁ অসমৰ খনিজ সম্পদৰ সম্ভাৱনাময় ক্ষেত্ৰখনৰ বিকাশৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। বৈঠকত মাৰ্ঘেৰিটাত ক'ল ইণ্ডিয়াৰ কাৰ্যসমূহ অধিক উৎপাদনক্ষম কৰি তোলাৰ বিষয়ত বিস্তৃতভাৱে আলোচনা কৰা হয়।

## অভিযন্তা জ্যোষিতা দাসৰ

এই কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, সাংসদ ৰকিবুল হুছেইন, প্ৰাক্তন সভাপতি ভূপেন বৰা, ৰিপুণ বৰা, প্ৰাক্তন সাংসদ আব্দুল খালেক, কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, বিধায়ক দিগন্ত বৰ্মন, শিৱামণি বৰা, ৰেকিবুদ্দিন আহমেদ, আব্দুল বাতেন খণ্ডকাৰ, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, সেৱা দলৰ অধ্যক্ষ দীপ বায়ন, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিপুল গগৈ, প্ৰদ্যুৎ ভূঞাৰ সৈতে জিলা কংগ্ৰেছৰ সভাপতিসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই এক বিবৃতিত জানিবলৈ দিয়ে যে জ্যোষিতাৰ পৰিয়ালে ন্যায় নোপোৱা পৰ্যন্ত কংগ্ৰেছৰ এই সংগ্ৰাম অব্যাহত থাকিব। তেওঁ জোৰ দি কয় যে এই ঘটনাৰ সঠিক তদন্তৰ বাবে চিবিআইৰ হস্তক্ষেপ অত্যন্ত জৰুৰী। জ্যোষিতাৰ মৃত্যুৰ ৰহস্য উদঘাটন আৰু দোষীসকলক ন্যায়ৰ কাষলৈ অনাৰ বাবে কংগ্ৰেছ দল জোৰদাৰ প্ৰতিবাদ জাৰি ৰাখিব বুলি তেওঁ প্ৰতিশ্ৰুতি প্ৰকাশ কৰে। এই কাৰ্যসূচীয়ে সামাজিক মাধ্যমত ব্যাপক সমৰ্থন লাভ কৰিছে আৰু জনসাধাৰণৰ মাজতো এই ঘটনাৰ প্ৰতি সজাগতা বৃদ্ধি কৰিছে।

## আজি ৰেংমা বনাঞ্চলত

জোৱানসকলক প্ৰস্তুত কৰা হৈছে। অভিযানৰ জৰিয়তে বেদখলকাৰীৰ দখলত থকা বনাঞ্চলৰ ভূমি মুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। শনিবাৰে সন্ধিয়া প্ৰশাসনে মাইকযোগে বেদখলকাৰীসকলক স্থান ত্যাগ কৰিবলৈ অন্তিম নিৰ্দেশনা জাৰি কৰিছিল। জানিব পৰা মতে, প্ৰশাসনে ইতিমধ্যে বেদখলকাৰীসকলক সাত দিনৰ সময়সীমাৰ ভিতৰত তেওঁলোকৰ বাসগৃহ খালী কৰি সীমান্ত এৰিবলৈ জাননী প্ৰেৰণ কৰিছিল। এই জাননীৰ পিছত প্ৰায় ৭০ শতাংশ বেদখলকাৰীয়ে সীমান্ত ত্যাগ কৰিছে যদিও এতিয়াও বহু লোক বেদখলকৃত ভূমিত অৱস্থান কৰি আছে। অভিযানৰ বাবে অতিৰিক্ত বুলড'জাৰ সীমান্ত অঞ্চললৈ আনি প্ৰস্তুত কৰা হৈছে। শুকুৰবাৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উৰিয়ামঘাটৰ বেদখলকৃত বনাঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ প্ৰত্যক্ষ পৰ্যবেক্ষণ কৰিছিল। তেওঁৰ এই পৰিদৰ্শনৰ পিছত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিত ফুকনে ফেচবুকত এক বিশেষ পোষ্টৰ জৰিয়তে উচ্ছেদ অভিযানৰ ইংগিত দিছিল। তেওঁৰ পোষ্টত উল্লেখ কৰা হৈছে, "২৯ জুলাই, ২০২৫ সৰুপথাৰৰ বাবে এক গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক দিন হ'ব। ধন্যবাদ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া।" এই পোষ্টৰ জৰিয়তে উৰিয়ামঘাটৰ ৰেংমা বনাঞ্চলত উচ্ছেদ অভিযানৰ বিষয়ে প্ৰায় নিশ্চিত হৈ পৰিছে। স্থানীয় সূত্ৰৰ পৰা জানিব পৰা গৈছে যে বেদখলকাৰীসকলে বনাঞ্চলৰ বিস্তীৰ্ণ অঞ্চলত সুপাৰিৰ বাগানৰ দৰে বাণিজ্যিক খেতিৰ জৰিয়তে প্ৰাকৃতিক বনাঞ্চল ধ্বংস কৰিছে। এই অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত উল্লেখ কৰিছে যে এই বেদখলকাৰীসকলে নিজৰ ইচ্ছাত স্থান ত্যাগ কৰিবলৈ আৰম্ভ কৰিছে, অন্যথা চৰকাৰে বলপূৰ্বক উচ্ছেদৰ জৰিয়তে ভূমি মুক্ত কৰিব। এই উচ্ছেদ অভিযানৰ বিষয়ে স্থানীয় দল-সংগঠনৰ মাজতো প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। সদৌ অসম ছাত্ৰ সন্থাৰ বিষয়ববীয়া বিকাশ বৰাই মন্তব্য কৰিছে, "উচ্ছেদৰ পিছত এই ভূমিত নগাৰ আগ্ৰাসন ৰোধ কৰিবলৈ চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লগতে, সীমান্ত ত্যাগ কৰা বেদখলকাৰীসকলে পুনৰ উভতি আহি বেদখলৰ চেষ্টা কৰিব পাৰে বুলি কৰা হুংকাৰৰ প্ৰতিও প্ৰশাসনে গুৰুত্ব দিব লাগে। অসমৰ মানচিত্ৰৰ পৰা সীমান্তৰ বনাঞ্চলসমূহ হেৰাই নাযায় আৰু নগা সম্প্ৰদায়ৰ দ্বাৰা কোনো ধৰণৰ আগ্ৰাসন নচলে, তাৰ বাবে চৰকাৰে সতৰ্কতাৰে পদক্ষেপ ল'ব লাগিব।" এই অভিযানৰ জৰিয়তে অসম চৰকাৰে সীমান্তৰ বনাঞ্চলৰ সুৰক্ষা আৰু অবৈধ বেদখলৰ বিৰুদ্ধে কঠোৰ নীতি গ্ৰহণৰ প্ৰতিশ্ৰুতি পুনৰবাৰ প্ৰকাশ কৰিছে। ২৯ জুলাইৰ এই অভিযানে সৰুপথাৰৰ সীমান্ত অঞ্চলৰ পৰিস্থিতি সলনি কৰি এক ঐতিহাসিক পদক্ষেপ হিচাপে চিহ্নিত হোৱাৰ সম্ভাৱনা আছে।

## মই পলোৱা নাছিলো,

লৈ যায়। ইফালে পুৱতি নিশা গুৱাহাটীৰ শিহৰণকাৰী দুৰ্ঘটনা সন্দৰ্ভত অৱশেষত মুখ খুলে জনপ্ৰিয় অভিনেত্ৰী নন্দিনী কাশ্যপে। দিছপুৰ থানাৰ চমনৰ পিছতে আজি পুৱা থানাত হাজিৰ হৈছিল অভিনেত্ৰীগৰাকী। সেইনিশাৰ ঘটনা সন্দৰ্ভত অভিনেত্ৰীগৰাকীৰ মন্তব্য গ্ৰহণ কৰে আৰক্ষীয়ে। দিছপুৰ আৰক্ষীৰ ঘটনা সন্দৰ্ভত মন্তব্য দিয়াৰ পিছতে সকলো কথা ক'লে অভিনেত্ৰী নন্দিনী কাশ্যপে। উল্লেখ্য যে নন্দিনী কাশ্যপ গাড়ীৰ খুন্দাত গুৰুতৰভাৱে আহত হৈছিল ছমিউল হক নামৰ এজন যুৱক। গুৰুতৰভাৱে আহত যুৱকজন এতিয়াও চিকিৎসাধীন হৈ আছে। অভিনেত্ৰী নন্দিনী কাশ্যপে কয় যে "আৰক্ষীয়ে দুৰ্ঘটনা সন্দৰ্ভত মোৰ পৰা গোটেই ঘটনাটো জানিব বিচাৰিছিল। মোৰ ষ্টেটমেণ্ট তেওঁলোকে সুধিলে। এইটো এটা দুৰ্ঘটনা। মই প্লেন কৰি অহা নাছিলো তেওঁৰ লগত যে এঁডিডেণ্ট হ'ব। সেই ল'ৰাটোক মই চিনি নাপাওঁ, সেই ল'ৰাটোৱে মোক চিনি নাপায়। এইটো এটা এক্সিডেণ্ট। এক্সিডেণ্ট কোনেও জানি শুনি নকৰে। মই এগৰাকী অভিনেত্ৰী। ওৰে নিশা কাম কৰো আমি। এনেকুৱা ঘটনা আমাৰ লগত হৈ থাকে। মই ৩দিন ধৰি ইয়াত আহি আছো। মোৰ অনুপস্থিতিত মোৰ দেউতা, খুড়া আহি আছে। মই পলাই যোৱা নাই। পলাই গ'লে মোক বিচাৰি নাপালেহেঁতেন। মই পলোৱা নাই। সেই ঘটনাৰ পিছত প্ৰথম আৰক্ষীক ফোন মই কৰিছো। ঘটনাস্থলীৰ পৰা মই ফোন কৰিছো। তেতিয়া আৰক্ষীয়ে মোক ঘৰলৈ যাবলৈ কৈছিল, পুৱা থানাত আহিব কৈছিল। আৰক্ষীৰ কথা মতে মই থানালৈ আহিলো। গাড়ী মই নিজে থানাত আনি দিছিলো। 'অভিনেত্ৰী নন্দিনী কাশ্যপে আৰু কয় যে "বহুত নিশা হৈছিল। মই দক্ষিণগাঁৱৰ ফালৰ পৰা আহি আছিলো। মাজত এখন ট্ৰাক আছিল, সেই ৰাস্তাটো ঠেক ৰাস্তা। তাত কোনো গাড়ী অভাৰটেক কৰিব নোৱাৰে। মোৰ গাড়ীখন ১০০-১২০ চলাতো অসম্ভৱ। তাকো ট্ৰাকৰ পিছফালে। এয়া সম্পূৰ্ণ ভুল।" অভিনেত্ৰী নন্দিনী কাশ্যপে লগতে কয় যে "আমি সকলো মানুহ। মই সিদিনা থানালৈ আহিলো। আৰক্ষীয়ে গাড়ীখন চাইছিল আৰু কৈছিল এয়া সম্পূৰ্ণ এঁডিডেণ্ট। মই পিছদিনা হাস্পতাললৈ যাম বুলি সিদ্ধান্ত লৈছিলো। কিন্তু ৰাতিপুৱাই সামাজিক মাধ্যমত যি উত্তপ্ত পৰিস্থিতি সৃষ্টি হ'ল, মোৰ ওপৰত যি মিছা অভিযোগ অনা হ'ল, মই থমকি ৰ'লো। মই এগৰাকী ছোৱালী, তাত যদি মই অকলে যাওঁ, মোৰ লগত কি হয়। আজিকালি পৰিস্থিতি কি হয় সকলেলো জানে। মই তেওঁলোকৰ লগত আছো। মই আৰক্ষীক তেওঁলোকক মাতিবলৈ কৈছিলো, আমি একেলগে বহি আলোচনা কৰিম। তেওঁলোকৰ পৰিয়ালৰ সৈতে মোৰ দেউতাই কথা পাতিছে। আমি এটা মীমাংসাত আহিছো। মই সহায়ত তেওঁলোকৰ সৈতে আছো।"

## ব'ল ব'ম-ব'ল ব'ম

ধাৰাবাহিক আৰু নিৰ্দ্ধাৰিত কাৰ্যসূচীলৈ পৰিণত হৈ পৰিছে। এই ব'ল ব'ম সমদলত বিশেষকৈ আমাৰ হিন্দু সমাজৰ বহু ভিন্ন সামাজিক গোট যেনে - বঙালী, বিহাৰী, ভোজপুৰী, উৰিয়া, মুণ্ডা, চাহ জনগোষ্ঠী, আদিবাসী, তথাকথিত অসমীয়া বহু সম্প্ৰদায় বিশেষৰ লোকেও এই মনোৰঞ্জনধৰ্মী সমদলত যোগদান কৰি আহিছে, বহু কষ্ট অধ্যৱসায়ৰ কৰি অনাকাংক্ষিত ফল লাভৰ অৰ্থে অহোপুৰুষাৰ্থ কৰি আহিছে।

স্মতব্য যে, এই গোটেই প্ৰক্ৰিয়াটোৱেই ধৰ্ম আধ্যাত্মিকতাৰ ভেঁটিত সংগঠিত। ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ এই তিনিওজনা ভগৱানৰ ভিতৰত যদিওবা বিষ্ণুৱেই সৰ্বশ্ৰেষ্ঠ আৰু নিয়ন্তা, পালনতা, ত্ৰাণকৰ্তা তথাপি হিন্দুশাস্ত্ৰ মতে বা ধৰ্মানুসৰি মহাদেৱ অৰ্থাৎ সদাশিৱ এইজনা প্ৰভুৰ মহিমা অপাৰ। কৈলাসত যেতিয়া দেৱাদিদেৱ মহাদেৱে পৃথিৱীপৃষ্ঠৰ প্ৰাণীসৱৰ সৰ্বমঙ্গলৰ অৰ্থে তপ, যপ আৰু একাগ্ৰ সাধনা উপাসনা কৰিছিল, তেতিয়া বোলে প্ৰাণীজগতৰ মাজত উদ্ভৱ হোৱা বহুতো অপায়-অমঙ্গল নিৰাকৰণ হৈছিল, মনুষ্যগণে শতকোটি পাপ তাপৰ পৰাও মুক্তিপথ বিচাৰি পাইছিল। কথিত আছে যে, সদাশিৱ অতি খঙাল, উগ্ৰ আৰু খঙৰ প্ৰকোপ চৰা হলে শিৱৰ হেনো কপালত লুপ্তপ্ৰায় অৱস্থাত থকা তৃতীয়টো চকু উজলি উঠে আৰু যাৰ ওপৰত খঙাল আৰু কুপিত হয়, তেতিয়া এই তৃতীয় নয়নৰ তীক্ষ্ণ উত্তাপে থিতাতে তাক ভস্মীভূত কৰি দিব পাৰে। কামদেৱে এবাৰ তপস্যা ভঙ্গ কৰাত সদাশিৱ অতি ক্ৰোধান্বিত হৈ মহাদেৱে এই তৃতীয় চক্ষু নিক্ষেপেৰে কামদেৱক ঠাইতে ভস্মীভূত কৰি দিব পাৰিছিল। এয়াই আছিল সদাশিৱৰ মায়া প্ৰগলভতা। দেৱাদিদেৱ মহাদেৱৰ অতি সোনকালে যেনেকৈ খং উঠে, নিমিষতে শিৱৰ খং প্ৰশমিতও হয়। সেয়ে পৃথিৱীত শিৱ বাবাৰ সাধকৰ সংখ্যা বহুত বেছি। শিৱ গোসাঁইৰ প্ৰতি মানুহৰ ভয়ভাৱ যিমান ভক্তিভাৱো হেনো যথাৰ্থতেই বহু বেছি।

এই আধ্যাত্মিকতাৰ দিশটোৰ বাহিৰেও আমি আৰু এটা অতি উল্লেখনীয় দিশৰ কথা আঙুলিয়াব পাৰোঁ। 'ব'ল ব'ম' - এই সমদলত যোগদান কৰা কাৰ্যত ভক্তসকলে পৰিধান কৰা বস্ত্ৰসমূহ প্ৰায় একেধৰণৰ। বিশেষকৈ মতা মানুহসকলে পৰিধান কৰা বস্ত্ৰসমূহৰ ৰং বগা, হালধীয়া, গেৰুৱা। বগা হাফ পেণ্ট, গেৰুৱা বৰণৰ হাফ পেণ্ট, বগা গেঞ্জি বা স্পৰ্টিং আৰু লগত এখন গামোচা থাকে। কিছুমানে আকৌ মূৰত একোখন গেৰুৱা কাপোৰ মেৰিয়াই লোৱা দেখা পোৱা যায়। গামোচাখন বিশেষত: কঁকালত বা কমৰত বান্ধি লয়। ইয়াৰ বিপৰীতে মাইকী মানুহবোৰে বগা বা গেৰুৱা ৰঙৰ শাৰী, মেখেলা চাদৰ পিন্ধে, বহুতে একোখনকৈ গামোচাও লয়। ছোৱালীবোৰে আকৌ বগা বা পাতল হালধীয়া বৰণৰ চুৰিদাৰ ব্যৱহাৰ কৰে। মতা, মাইকী সকলোৱে একোটা ঘট অথবা মাটিৰ পাত্ৰত ভৰ লুইতৰ পৰা বালি, পানীলৈ সৰ্বশৰীৰ তিতাকৈ পানীত বুৰ মাৰি মুখেৰে ব'ল ব'ম - ব'ল ব'ম উচ্চাৰণ কৰি যাত্ৰা আৰম্ভ কৰে। কিছুমানে আকৌ একোখন ধেনুসদৃশ শিকিয়াৰ দুয়োমূৰে দুটাকৈ বালি-পানী ভৰা ঘট লৈ কান্ধত তুলি কঢ়িয়াই আনে। লগত থাকে মাঙ্গলিক উপকৰণ দুডালমান ধূপ। এই কেইপদ বস্তু বজাৰৰ পৰা ক্ৰয় কৰি লওঁতে কমেও চাৰি পাঁচশ পৰ্যন্ত টকা খৰচ হয়। কিছুমান মহিলাই আকৌ কপালত একোখন কপালীও ব্যৱহাৰ কৰে। ইবোৰৰ মাজতে বজাৰত একোটা ৰমৰমীয়া ব্যৱসায়ো চলিবলৈ ধৰে। ব্যৱসায়ী সমাজৰ লাভ হয় বহুত। ইফালে শিৱস্থানৰ শিৱৰ মূৰত, শিৱলিঙ্গত পানী ঢলাৰ পৰত অৰিহণাও দিয়াৰ নিয়ম। এইসমূহ ধন মন্দিৰ সমিতিৰ পুঁজিত সংগৃহীত হয়।

ইয়াৰ মাজতে পৰিলক্ষিত হয় এক এক ভয়ংকৰ নাচ-নৃত্য, অদ্ভুত ধৰণৰ কোলাহল, ছবি-প্ৰতিচ্ছবি, উৎকট গান বাজনা আৰু তীব্ৰ স্বৰৰ যান্ত্ৰিক উখল-মাখল। মুঠতে আমাৰ পৰিলক্ষিত হয় যে ধৰ্ম আধ্যাত্মিকতাৰ নামত আশ্চৰ্যকৰ অপসংস্কৃতিৰ দেও ঢোপাল। এই এইবোৰ হৈছে আৱেগিক আৰু উত্তেজনাময় উৎপীড়ন, মনোৰঞ্জন। এয়া সঁচাই ধৰ্ম আধ্যাত্মিকতাৰ নামত একপ্ৰকাৰ অপকাৰ্যহে, কলংকৰ অন্য এক নমুনা।

## অসমৰ উচ্ছেদ অভিযানৰ

অভিহিত কৰি দলটোৱে আইনী লৰ্জাৰ লগতে ৰাজনৈতিকভাৱে বিষয়টোক সংসদত উত্থাপনৰ বাবে বিৰোধী দলৰ সাংসদসকলৰ সমৰ্থন বিচাৰিছে। সংসদত নিজৰ প্ৰতিনিধিত্ব হেৰুৱাৰ পিছত এ আই ইউ ডি এফে বিভিন্ন দলৰ সাংসদৰ সৈতে যোগাযোগৰ মাধ্যমেৰে এই বিষয়টো উত্থাপনৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিগত কেইদিনত এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলাম আৰু ৰফিকুল ইছলামৰ নেতৃত্বত এটা প্ৰতিনিধি দলে কেইবাগৰাকী বিৰোধী সাংসদৰ সৈতে সাক্ষাৎ কৰি অসমৰ উচ্ছেদ অভিযানৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে। এই প্ৰতিনিধি দলৰ সৈতে জমিয়ত উলেমা-ই-হিন্দৰ প্ৰতিনিধিসকলেও সহযোগিতা কৰিছে। দলটোৱে উচ্ছেদৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ পুনৰ্বাসনৰ দাবীৰ লগতে বিষয়টো সংসদত উত্থাপনৰ বাবে সাংসদসকলৰ সমৰ্থন বিচাৰিছে। প্ৰতিনিধি দলটোৱে উত্তৰ প্ৰদেশৰ সমাজবাদী পাৰ্টীৰ লোকসভাৰ সাংসদ মৌলানা মহিবুল্লাহৰ সৈতে সাক্ষাৎ কৰি অসমৰ উচ্ছেদ অভিযানৰ ভয়াৱহতাৰ বিষয়ে অৱগত কৰিছে। বিধায়ক আমিনুল ইছলামে জনায় যে মৌলানা মহিবুল্লাহে অসমৰ উচ্ছেদিত অঞ্চলসমূহ পৰিদৰ্শনৰ লগতে বিষয়টো সংসদত উত্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিছে। তেওঁ কয়, "আমি ভুক্তভোগীসকলৰ ন্যায়ৰ বাবে সংগ্ৰাম কৰি আহিছো আৰু যেতিয়ালৈকে ন্যায় নাপাওঁ তেতিয়ালৈকে আমাৰ এই প্ৰচেষ্টা অব্যাহত থাকিব।" ইয়াৰ উপৰি, প্ৰতিনিধি দলটোৱে বিহাৰৰ ৰাষ্ট্ৰীয় জনতা দলৰ (আৰ জে ডি) ৰাজ্যসভাৰ সাংসদ প্ৰফেচাৰ মনোজ কুমাৰ ঝাৰ সৈতে সাক্ষাৎ কৰি অসমৰ বিভিন্ন জিলাত চলি থকা উচ্ছেদৰ বিষয়ে আলোচনা কৰিছে। দলটোৱে সাংসদগৰাকীক উচ্ছেদিত অঞ্চলসমূহ পৰিদৰ্শন কৰি ভুক্তভোগী পৰিয়ালসমূহৰ ন্যায়ৰ বাবে পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। লগতে, বিষয়টো সংসদত উত্থাপনৰ বাবে সাংসদগৰাকীৰ সমৰ্থন বিচাৰিছে। এ আই ইউ ডি এফ আৰু জমিয়তৰ সঁজাতি দলটোৱে আম আদমী পাৰ্টীৰ (আপ) ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙৰ সৈতেও সাক্ষাৎ কৰিছে। এই সাক্ষাতৰ সময়ত অসমৰ উচ্ছেদ অভিযানৰ বিষয়ে বিস্তৃত আলোচনা হৈছে। প্ৰতিনিধি দলটোৱে বিৰোধী সাংসদসকলৰ এক সঁজাতি প্ৰতিনিধি দল গঠন কৰি উচ্ছেদিত অঞ্চলসমূহ পৰিদৰ্শনৰ লগতে বিষয়টো সংসদত উত্থাপনৰ বাবে অনুৰোধ জনায়। আমিনুল ইছলামে জানিবলৈ দিয়ে যে সাংসদ সঞ্জয় সিঙে এই বিষয় সংসদত উত্থাপনৰ আশ্বাস দিছে। গোৱালপাৰা জিলাৰ হাচিলা বিলত চলোৱা উচ্ছেদ অভিযানৰ বিৰুদ্ধে এ আই ইউ ডি এফৰ নেতা বদৰুদ্দিন আজমলৰ নেতৃত্বত অসম ৰাজ্যিক জমিয়ত উলেমাই উচ্চতম ন্যায়ালয়ত গোচৰ দাখিল কৰিছিল। শেহতীয়া শুনানিত উচ্চতম ন্যায়ালয়ে অসম চৰকাৰ, মুখ্য সচিব, গোৱালপাৰাৰ জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, আৰু ৰেভিনিউ এণ্ড ডিজাষ্টাৰ মেনেজমেণ্ট বিভাগক নোটিছ জাৰি কৰিছে। ন্যায়ালয়ে এই বিষয়ত চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা উলংঘন কৰি কেনেকৈ উচ্ছেদ চলাইছে তাৰ জবাব বিচাৰিছে। এ আই ইউ ডি এফৰ এই প্ৰচেষ্টাৰ জৰিয়তে দলটোৱে অসমৰ উচ্ছেদিত পৰিয়ালসমূহৰ ন্যায়ৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিছে। দলটোৰ নেতাসকলে আশা প্ৰকাশ কৰিছে যে সংসদত এই বিষয়ৰ আলোচনাৰ জৰিয়তে ভুক্তভোগীসকলৰ পুনৰ্বাসন আৰু ন্যায়ৰ দাবী পূৰণ হ'ব।

## অসমৰ ভূখণ্ডত NSCNৰ

এই অঞ্চলত বুলড'জাৰ চলোৱাৰ সিদ্ধান্ত লৈছে প্ৰশাসনে। এই অভিযানত জড়িত থাকিব বন বিভাগ, আৰক্ষী তথা অন্যান্য নিৰাপত্তাৰক্ষী বাহিনী। কিন্তু এই উচ্ছেদৰ পৰিকল্পনাৰ মাজতে নাগালেণ্ডৰ সংগঠন এনএছচিএনৰ এক বিবৃতিয়ে সৰুপথাৰ সমজিলাৰ লগতে সীমান্ত অঞ্চলৰ জনসাধাৰণৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। স্থানীয় দল-সংগঠনসমূহে অভিযোগ কৰিছে যে নগা দুৰ্বৃত্তসকল দুষ্টচক্ৰৰ প্ৰৰোচনাত এনে দাবী উত্থাপন কৰিছে। ইতিপূৰ্বে এনএছচিএনৰ সদস্যসকলে অসম-নাগালেণ্ড সীমান্তত উচ্ছেদৰ বিৰোধিতা কৰি অস্ত্ৰ হাতত লৈ সক্ৰিয় হোৱাৰ দৃশ্যও পৰিলক্ষিত হৈছিল। এই পৰিস্থিতিৰ মাজত সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনে এনএছচিএনৰ বিবৃতিৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে অসম-নাগালেণ্ড সীমান্তৰ দৈয়াং নদীৰ এপাৰে অসম আৰু সিপাৰে নাগালেণ্ড। তেওঁৰ মতে, নাগালেণ্ডত এনএছচিএন বা অন্যান্য সামাজিক-ৰাজনৈতিক সংগঠনৰ কাৰ্যকলাপ থাকিব পাৰে, কিন্তু অসমৰ মূল ভূখণ্ডত এনএছচিএনৰ কোনো কাৰ্যকলাপ নাই আৰু ভৱিষ্যতেও হ'ব নোৱাৰে। তেওঁ জোৰ দি কয় যে অসমৰ এই অঞ্চলত খিলঞ্জীয়া আৰু অসমীয়া জনগোষ্ঠীৰ প্ৰভুত্ব অক্ষুণ্ণ থাকিব। বিধায়কগৰাকীয়ে আৰু কয় যে অবৈধ মিঞা আৰু বেদখলকাৰীসকল এই অঞ্চলৰ পৰা ইতিমধ্যে গুচি গৈছে, আৰু বাকী থকাসকলো শীঘ্ৰে গুচি যাব। উচ্ছেদৰ পিছত এই অঞ্চল সুৰক্ষিত আৰু সুন্দৰভাৱে পৰিচালিত হ'ব বুলিও তেওঁ আশ্বাস দিয়ে। বিশ্বজিৎ ফুকনে লগতে উল্লেখ কৰে যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ খিলঞ্জীয়া জনগোষ্ঠী সম্পূৰ্ণৰূপে সুৰক্ষিত। তেওঁৰ মতে, সৰুপথাৰৰ জনসাধাৰণ নিৰ্ভয় আৰু নিশ্চিন্ত। উচ্ছেদৰ পিছত এই অঞ্চলৰ জনগাঁথনি প্ৰত্যাশিত ৰূপ ল'ব।এনএছচিএনৰ বিবৃতিৰ বিষয়ে তেওঁ কয় যে কিছুমান অখিলঞ্জীয়া ব্যক্তি বা দালাল চক্ৰই নাগালেণ্ডত আশ্ৰয় বিচাৰিব পাৰে, কিন্তু নাগালেণ্ডৰ জনসাধাৰণ আৰু চৰকাৰে অসমৰ এই উচ্ছেদ অভিযানক স্বাগত জনাইছে। তেওঁ দাবী কৰে যে এনএছচিএনৰ কিছুমান সদস্যইও এই অভিযানৰ প্ৰতি সমৰ্থন জনাইছে, যাৰ ভিডিঅ' প্ৰমাণ তেওঁৰ হাতত আছে। নিৰাপত্তাৰ দিশত কোনো সুৰুঙা ৰখা নহ'ব বুলি জানোৱা ফুকনে কয় যে উৰিয়ামঘাট সীমান্তত ইতিমধ্যে ২০০০ৰো অধিক সেনা, আৰক্ষী, বন বিভাগৰ বেটেলিয়ান আৰু কমাণ্ডো বাহিনী মোতায়েন কৰা হৈছে। এই বাহিনীয়ে নিৰাপত্তাৰ সকলো দিশ পুংখানুপুংখভাৱে পৰ্যবেক্ষণ কৰি আছে। তেওঁৰ মতে, ইতিমধ্যে ১৪০০ৰো অধিক গাড়ীৰে প্ৰায় ৯০০ পৰিয়াল এই অঞ্চলৰ পৰা সম্পূৰ্ণৰূপে গুচি গৈছে। কিছু পৰিয়ালে ঘৰ-দুৱাৰ ভাঙি বয়-বস্তুৰ সৈতে মহিলা আৰু শিশুসকলক অন্যত্ৰ পঠিয়াই দিছে, যদিও কিছু ব্যক্তি এতিয়াও অঞ্চলত থাকি আছে। এই বাকী থকা ব্যক্তিসকলকো শীঘ্ৰে উচ্ছেদ কৰা হ'ব বুলি বিধায়কগৰাকীয়ে নিশ্চিত কৰিছে।

## লোকসভাত ভাৰতীয় সশস্ত্ৰ

হৈছিল, য'ত ১০০ৰো অধিক সন্ত্ৰাসবাদী, তেওঁলোকৰ প্ৰশিক্ষক আৰু হেণ্ডলাৰক লক্ষ্য কৰা হৈছিল। লোকসভাত বিতৰ্কৰ আৰম্ভণিতে ৰাজনাথ সিং কয়, "অপাৰেশ্যন সেন্দূৰৰ জৰিয়তে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ সন্ত্ৰাসবাদী শিবিৰৰ ওপৰত সফল আৰু সুনিৰ্দিষ্ট আক্ৰমণ চলাইছিল। এই অভিযানত আমাৰ কোনো গুৰুত্বপূৰ্ণ সম্পত্তিৰ ক্ষতি হোৱা নাই।" তেওঁ জোৰ দি কয় যে পাকিস্তানৰ ছাকলালা, সৰগোধা, ৰফিকী, ৰহিম ইয়াৰ খান, জেকোবাবাদৰ দৰে সন্ত্ৰাসবাদী ঘাঁটিৰ ওপৰত নিখুঁত আক্ৰমণ চলোৱা হৈছিল। "৮ মে'ত আমাৰ নিৰ্দেশিত মিছাইলৰ জৰিয়তে পাকিস্তানৰ এয়াৰ ডিফেন্স চিষ্টেম আৰু চেন্সৰ নেটৱৰ্কক লক্ষ্য কৰা হৈছিল, যি সম্পূৰ্ণৰূপে আত্মৰক্ষামূলক আছিল," তেওঁ কয়। তেওঁ লগতে উল্লেখ কৰে যে অভিযানৰ পৰিকল্পনা এনেদৰে কৰা হৈছিল যাতে সন্ত্ৰাসবাদীৰ সৰ্বাধিক ক্ষতি হয়, কিন্তু নিৰীহ নাগৰিকৰ কোনো ক্ষতি নহয়। "আমাৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থা, কাউণ্টাৰ ড্ৰ'ণ ব্যৱস্থা আৰু ইলেক্ট্ৰনিক সঁজুলিৰ জৰিয়তে পাকিস্তানৰ সকলো আক্ৰমণ বিফল কৰা হৈছে। তেওঁলোকে আমাৰ কোনো লক্ষ্যত আঘাত হানিব নোৱাৰিলে," তেওঁ গৌৰৱেৰে কয়। ৰাজনাথ সিং পাকিস্তানৰ শত্ৰুতাপূৰ্ণ প্ৰচেষ্টাৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰি কয়, "৭ মে'ৰ পৰা ১০ মে'ৰ পুৱা ১:৩০ বজালৈ পাকিস্তানে ড্ৰ'ণ, লং ৰেঞ্জ মিছাইল আৰু ইলেক্ট্ৰনিক যুদ্ধ প্ৰযুক্তিৰ জৰিয়তে ভাৰতীয় বিমান ঘাঁটি আৰু সামৰিক প্ৰতিষ্ঠানক লক্ষ্য কৰিছিল। কিন্তু আমাৰ নিৰাপত্তা ব্যৱস্থাৰ জোৰদাৰ প্ৰতিৰক্ষাৰ সন্মুখত তেওঁলোকৰ সকলো পৰিকল্পনা ব্যৰ্থ হৈছে।" তেওঁ ভাৰতীয় সশস্ত্ৰ বাহিনীৰ সাহসিকতাৰ প্ৰশংসা কৰি কয়, "তেওঁলোকে শত্ৰুৰ প্ৰতিটো পৰিকল্পনাক বিফল কৰি দিছে।" বিৰোধীৰ সমালোচনাৰ জবাবত ৰাজনাথ সিং তেওঁলোকক সশস্ত্ৰ বাহিনীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, "বিৰোধীয়ে এই মুহূৰ্তত অন্ততঃ আমাৰ সশস্ত্ৰ বাহিনীৰ সাহসিকতাৰ প্ৰশংসা কৰক।" তেওঁ অপাৰেশ্যন সেন্দূৰৰ পৰিকল্পনাৰ বিষয়ে অৱগত কৰি কয় যে এই অভিযানৰ পূৰ্বে সশস্ত্ৰ বাহিনীয়ে গভীৰ অধ্যয়ন কৰিছিল, যাতে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সৰ্বোচ্চ কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰাৰ লগতে সাধাৰণ নাগৰিকৰ নিৰাপত্তা নিশ্চিত কৰা হৈছিল। যদিও সোমবাৰে লোকসভাত অপাৰেশ্যন সেন্দূৰৰ ওপৰত ১৬ ঘণ্টাৰ বিতৰ্কৰ কাৰ্যসূচী নিৰ্ধাৰিত আছিল, বিৰোধীৰ প্ৰতিবাদ আৰু হুলস্থুলৰ ফলত সদন তিনিবাৰ স্থগিত কৰা হৈছিল। তথাপি ৰাজনাথ সিঙৰ ভাষণে অপাৰেশ্যন সেন্দূৰৰ সফলতা আৰু ভাৰতৰ নিৰাপত্তা ব্যৱস্থাৰ শক্তিৰ ওপৰত স্পষ্ট আলোকপাত কৰিছে। ৰাজনাথ সিঙৰ বক্তব্যই অপাৰেশ্যন সেন্দূৰৰ মাধ্যমেৰে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ কাৰ্যকৰীতা আৰু পাকিস্তানৰ আক্ৰমণ বিফল কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ সফলতাক উজ্জ্বল কৰি তুলিছে। তেওঁৰ ভাষণে জাতীয় নিৰাপত্তাৰ প্ৰতি চৰকাৰৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰ দোহাৰিছে, আৰু বিৰোধীৰ সমালোচনাৰ জবাবত সশস্ত্ৰ বাহিনীৰ সাহসিকতাক সন্মান জনোৱাৰ আহ্বান জনাইছে। এই বিতৰ্কৰ জৰিয়তে ভাৰতৰ নিৰাপত্তা নীতি আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজৰ বিষয়ে গভীৰ আলোচনাৰ পথ মুকলি হৈছে।

## অপাৰেশ্যন মহাদেৱ ঃ

সাধাৰণ অঞ্চলত সন্ত্ৰাসবাদীৰ সৈতে যোগাযোগ স্থাপন কৈছে, আৰু অভিযান এতিয়াও অব্যাহত আছে।" সংবাদ সংস্থা পিটিআইৰ প্ৰতিবেদন অনুসৰি, শ্ৰীনগৰৰ ডাচিগাম ৰাষ্ট্ৰীয় উদ্যানৰ নিকটৱৰ্তী হৰৱানৰ মুলনাৰৰ বনাঞ্চলত এই সংঘৰ্ষ সংঘটিত হৈছে। গোপন তথ্যৰ ভিত্তিত ভাৰতীয় সেনা, আৰক্ষী, আৰু কেন্দ্ৰীয় ৰিজাৰ্ভ আৰক্ষী বাহিনী (চি আৰ পি এফ)ৰ যৌথ দলে এই অঞ্চলত তালাচী অভিযান আৰম্ভ কৰাৰ পিছত সন্ত্ৰাসবাদীৰ সৈতে সংঘৰ্ষৰ সূত্ৰপাত ঘটে। প্ৰাথমিক তথ্য অনুসৰি, নিৰাপত্তা বাহিনীয়ে মুলনাৰৰ বনাঞ্চলত তালাচী চলোৱাৰ সময়ত সন্ত্ৰাসবাদীৰ তৰফৰ পৰা গুলীচালনা আৰম্ভ হয়। বিষয়াসকলৰ মতে, তালাচীৰ সময়ত দূৰৰ পৰা দুটা গুলীৰ শব্দ শুনা গৈছিল, যাৰ পিছত নিৰাপত্তা বাহিনীয়ে অভিযান তীব্ৰতৰ কৰে। অঞ্চলটোত অতিৰিক্ত নিৰাপত্তাৰক্ষী প্ৰেৰণ কৰি সন্ত্ৰাসবাদীৰ অৱস্থান ধ্বংসৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰাথমিক তথ্যৰ ভিত্তিত নিহত সন্ত্ৰাসবাদীসকল পাকিস্তানভিত্তিক সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ (LeT) সৈতে জড়িত বুলি সন্দেহ কৰা হৈছে। তথাপি, বিষয়াসকলে এতিয়াও তেওঁলোকৰ পৰিচয় নিশ্চিত কৰিব পৰা নাই। তদন্ত চলি থকাৰ লগতে নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত তীব্ৰ তালাচী অব্যাহত ৰাখিছে। পটভূএই অভিযান পহলগামৰ ২২ এপ্ৰিলৰ ভয়াৱহ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত চলি থকা সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপৰ এক অংশ। পহলগাম আক্ৰমণৰ পিছত ভাৰতীয় নিৰাপত্তা বাহিনীয়ে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদ দমনৰ বাবে একাধিক অভিযান চলাইছে। অপাৰেশ্যন মহাদেৱ এই প্ৰচেষ্টাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। বিষয়াসকলৰ মতে, চোৰাংচোৱা তথ্যৰ ভিত্তিত এই অঞ্চলত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ কথা জানিব পাৰি নিৰাপত্তা বাহিনীয়ে এই অভিযান আৰম্ভ কৰিছিল। নিৰাপত্তা বাহিনীৰ সৈতে সংঘৰ্ষৰ সময়ত সন্ত্ৰাসবাদীসকল আৱদ্ধ হৈ পৰে, আৰু তিনিজন নিহত হোৱাৰ লগতে অভিযান এতিয়াও চলি আছে। নিৰাপত্তাৰক্ষীয়ে অঞ্চলটোত সম্পূৰ্ণ নিয়ন্ত্ৰণ ৰাখিছে আৰু অতিৰিক্ত বাহিনী মোতায়েন কৰি অভিযানক শক্তিশালী কৰা হৈছে। অপাৰেশ্যন মহাদেৱৰ জৰিয়তে ভাৰতীয় সেনাই জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিজৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰ প্ৰমাণ কৰিছে। শ্ৰীনগৰৰ হৰৱানৰ এই সংঘৰ্ষত তিনি সন্ত্ৰাসবাদী নিহত হোৱাৰ ঘটনাই অঞ্চলটোত নিৰাপত্তা বাহিনীৰ সক্ৰিয় ভূমিকাৰ ইংগিত দিয়ে। অভিযানৰ পৰৱৰ্তী পৰিণতি আৰু নিহত সন্ত্ৰাসবাদীৰ পৰিচয় সম্পৰ্কে অধিক তথ্যৰ বাবে তদন্তৰ ফলাফলৰ অপেক্ষা কৰা হৈছে।

## দুৰ্নীতিৰ কেন্দ্ৰবিন্দুত পৰিণত

আৰু সদৌ অসম বিদ্যুৎ উপভোক্তা সংস্থাৰ উপদেষ্টা বিমল দাসে সংবাদমেলত উপস্থিত থাকি এই বিষয়ে বিস্তৃতভাৱে তথ্য প্ৰকাশ কৰে। বিগত দুটা বছৰ ধৰি কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে ৰাইজৰ সহযোগত প্ৰিপেইড স্মাৰ্ট মিটাৰৰ জৰিয়তে ঘৰুৱা গ্ৰাহকৰ ওপৰত এপিডিচিএলৰ দ্বাৰা চলোৱা আৰ্থিক শোষণ, শক্তি বিভাগৰ কমিচনৰাজ আৰু দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ প্ৰতিবাদ জনাই আহিছে। সংবাদমেলত নেতা দুগৰাকীয়ে জানিবলৈ দিয়ে যে, ভাৰতবৰ্ষত ৰিভাম্পড ডিষ্ট্ৰিবিউচন ছে"ৰ স্কীম (RDSS)ৰ আধাৰত স্মাৰ্ট মিটাৰ সংস্থাপনৰ বাবে মুঠ ২২ কোটি ৩৭ লাখ মিটাৰৰ অনুমোদনৰ বিপৰীতে এতিয়ালৈকে মাত্ৰ ৩ কোটি ৫৪ লাখ মিটাৰ সংস্থাপিত হৈছে, অৰ্থাৎ জাতীয় পৰ্যায়ত লক্ষ্যৰ মাত্ৰ ১৫ শতাংশ কাম সম্পন্ন হৈছে। ইয়াৰ বিপৰীতে, অসমত মুঠ ৬৯ লাখ ২১ হাজাৰ মিটাৰৰ লক্ষ্যৰ বিপৰীতে ৪১ লাখ ৯৩ হাজাৰ স্মাৰ্ট মিটাৰ ইতিমধ্যে সংস্থাপিত হৈছে, যিটো মুঠ কামৰ ৬০ শতাংশ। এই পৰিসংখ্যাই অসমে জাতীয় গড়তকৈ চাৰি গুণ অধিক স্মাৰ্ট মিটাৰ সংস্থাপন কৰি ৰেকৰ্ড গঢ়িছে বুলি প্ৰকাশ কৰে। কিন্তু, এই দ্ৰুত সংস্থাপনে ঘৰুৱা গ্ৰাহকৰ ওপৰত প্ৰিপেইড স্মাৰ্ট মিটাৰৰ জৰিয়তে অতিৰিক্ত আৰ্থিক বোজা চাপিছে, যিটো গ্ৰাহক বিৰোধী নীতিৰ পৰিচায়ক বুলি সংগঠনটোৱে অভিযোগ কৰে। তুলনামূলকভাৱে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গৃহৰাজ্য গুজৰাটত ১ কোটি ৬৫ লাখ মিটাৰৰ অনুমোদনৰ বিপৰীতে মাত্ৰ ১২ শতাংশ, ৰাজস্থানত ১ কোটি ৪৯ লাখ ৫২৭ মিটাৰৰ বিপৰীতে ৬ শতাংশ, উত্তৰ প্ৰদেশত ৩ কোটি ৯ লাখ ৭৮ হাজাৰ ২৮০ মিটাৰৰ বিপৰীতে ১৪ শতাংশ, মহাৰাষ্ট্ৰত ২ কোটি ৩৫ লাখ ৬৪ হাজাৰ ৭৪৭ মিটাৰৰ বিপৰীতে ১৮ শতাংশ আৰু পশ্চিমবংগত ২ কোটি ১২ লাখ মিটাৰৰ বিপৰীতে মাত্ৰ ২ শতাংশ স্মাৰ্ট মিটাৰ সংস্থাপিত হৈছে। উল্লেখযোগ্য যে, পশ্চিমবংগ চৰকাৰে জনতাৰ প্ৰতিবাদৰ সন্মান জনাই ঘৰুৱা গ্ৰাহকৰ ক্ষেত্ৰত প্ৰিপেইড স্মাৰ্ট মিটাৰ বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, কিন্তু অসমত এপিডিচিএলে ১৫ জুলাইত জীৱনধাৰা আৰু ঘৰুৱা (ক) শ্ৰেণীৰ গ্ৰাহকৰ বাবে পোষ্টপেইড ডিজিটেল মিটাৰৰ জৰিয়তে বিদ্যুৎ যোগানৰ ঘোষণা কৰি পিছত সেই সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে সংগঠনটোৱে। সংবাদমেলত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰকাশ কৰে যে, এপিডিচিএলৰ ভিতৰুৱা সূত্ৰৰ তথ্য অনুসৰি, প্ৰায় এলাখৰ ওচৰা-ওচৰি কনভেনচনেল ডিজিটেল মিটাৰ অসমৰ বিভিন্ন উপ-সংমণ্ডলত ব্যৱহাৰ নোহোৱাকৈ পৰি আছে। এই মিটাৰৰ প্ৰতিটোৰ দাম মাত্ৰ ১, ৪৮২ টকা, আনহাতে একক স্মাৰ্ট প্ৰিপেইড মিটাৰৰ দাম ৮, ৬৭৫ টকা। ফলত, জীৱনধাৰা আৰু ঘৰুৱা (ক) শ্ৰেণীৰ গ্ৰাহকে কনভেনচনেল ডিজিটেল মিটাৰৰ জৰিয়তে ৩, ৫০০ টকাত বিদ্যুৎ সংযোগ ল'ব পাৰে, কিন্তু স্মাৰ্ট প্ৰিপেইড মিটাৰৰ ক্ষেত্ৰত খৰচ হয় ৯, ৭৭৫ টকা। এই জনবিৰোধী নীতি অবিলম্বে প্ৰত্যাহাৰ কৰি অব্যৱহৃত কনভেনচনেল ডিজিটেল মিটাৰৰ জৰিয়তে সুলভ মূল্যত বিদ্যুৎ সংযোগ প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰে সংগঠনটোৱে। ইয়াৰ উপৰিও, স্মাৰ্ট মিটাৰ যোগান ধৰা কোম্পানীসমূহৰ বিষয়েও গুৰুতৰ অভিযোগ উত্থাপন কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। সংবাদমেলত তেওঁলোকে উল্লেখ কৰে যে, এন ই স্মাৰ্ট মিটাৰিং, আসাম স্মাৰ্ট মিটাৰিং, হাই প্ৰিণ্ট স্মাৰ্ট মিটাৰিং, আপৰাভা এনাৰ্জি আৰু জেনাচৰ দৰে কোম্পানীৰ পঞ্জীয়ন ২০২২ আৰু ২০২৩ চনত হৈছে, আৰু এই কোম্পানীসমূহৰ মুখ্য কাৰ্যালয় গুৰগাঁও, আহমেদাবাদ আৰু নয়ডাত অৱস্থিত। এই কোম্পানীসমূহ যেন অসমত স্মাৰ্ট প্ৰিপেইড মিটাৰ যোগানৰ বাবেই সৃষ্টি হৈছিল আৰু হাজাৰ হাজাৰ কোটি টকাৰ ঠিকা লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু, দশকৰ পাছত দশক ধৰি মিটাৰ যোগানৰ ক্ষেত্ৰত অভিজ্ঞ এল এণ্ড টি (LগT) আৰু ছিকিউৰ মিটাৰৰ দৰে কোম্পানী এই প্ৰক্ৰিয়াৰ পৰা দূৰত থকাটো ৰহস্যজনক বুলি সংগঠনটোৱে মন্তব্য কৰে। এই পৰিস্থিতিৰ পৰা স্পষ্ট হয় যে বিক্ৰেতা আৰু ক্ৰেতাৰ মাজত শক্তিশালী কমিচনৰ লেনদেনৰ সম্ভাৱনা আছে। সংবাদমেলত সংগঠনটোৱে আৰু অভিযোগ কৰে যে, এপিডিচিএলৰ মুখ্য কাৰ্যালয় বিজুলী ভৱন এতিয়া দুৰ্নীতিৰ কেন্দ্ৰবিন্দুত পৰিণত হৈছে। বিদায় সভাৰ নামত লাখ লাখ টকাৰ খৰচ, যেনে দুশ মানুহৰ বাবে আঢ়ৈ লাখ টকাৰ সুৰা আৰু প্ৰতি পে-ট আহাৰৰ বাবে ২, ০০০ টকা খৰচ কৰাৰ অভিযোগ উত্থাপন কৰা হয়। ইয়াৰ উপৰিও, সংগঠনটোৱে দাবী কৰে যে, এপিডিচিএলৰ এমডি ৰাকেশ কুমাৰ নিজেই এই দুৰ্নীতিৰ মূল কেন্দ্ৰবিন্দু। প্ৰায় ১৬, ০০০ স্থায়ী আৰু অস্থায়ী কৰ্মচাৰীৰে গঠিত এই সংস্থাটোৰ বহুতো কৰ্মচাৰী এই দুৰ্নীতিৰ বিষয়ে অৱগত আৰু বেদনাহত। শেহতীয়াকৈ ১২টা ইউনিয়নে এই দুৰ্নীতিৰ ছিণ্ডিকেটৰ বিৰুদ্ধে ৰাজহুৱাকৈ অভিযোগ উত্থাপন কৰাৰ পিছতো চৰকাৰ বা এপিডিচিএলৰ তৰফৰ পৰা কোনো শাস্তিমূলক বা বিভাগীয় ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ কৰে সংগঠনটোৱে।

## পাকিস্তানক ধিক্কাৰ জনোৱাৰ

তথা বিৰোধীৰ উপ দলপতি গৌৰৱ গগৈয়ে চৰকাৰৰ প্ৰতি একাংশ কঠিন প্ৰশ্ন উত্থাপন কৰে। তেওঁৰ উদাত্ত ভাষণত গগৈয়ে প্ৰশ্ন কৰে যে পহলগাম আক্ৰমণৰ ১০০ দিন অতিক্ৰম হোৱাৰ পিছতো চৰকাৰে সন্ত্ৰাসবাদীক ধৰিব নোৱাৰিলে কিয়। তেওঁ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক লক্ষ্য কৰি কয় যে চৰকাৰে এই আক্ৰমণৰ সন্ত্ৰাসবাদীসকলৰ প্ৰৱেশৰ প্ৰকৃত তথ্য আৰু তেওঁলোকৰ উদ্দেশ্য সদনৰ আগত পৰিষ্কাৰ কৰি কোৱা উচিত। গগৈৰ মতে, সন্ত্ৰাসবাদীৰ মূল উদ্দেশ্য আছিল জম্মু-কাশ্মীৰৰ অৰ্থনীতি ধ্বংস কৰাৰ লগতে দেশৰ সাম্প্ৰদায়িক সম্প্ৰীতি বিভাজিত কৰা। তেওঁ প্ৰশ্ন উত্থাপন কৰে যে পাঁচজন সন্ত্ৰাসবাদী কেনেকৈ বৈসাৰণত প্ৰৱেশ কৰি ২৬জন লোকক হত্যা কৰিলে, আৰু চৰকাৰৰ হাতত এই বিষয়ে কোনো স্পষ্ট উত্তৰ কিয় নাই। তেওঁৰ বক্তব্যত গগৈয়ে জোৰ দি কয় যে দেশবাসীৰ জানিবলৈ অধিকাৰ আছে যে এই সন্ত্ৰাসবাদীসকলক পলাবলৈ কোনে সহায় কৰিছিল আৰু চৰকাৰৰ নিৰাপত্তা ব্যৱস্থাৰ ত্ৰুটি ক'ত হৈছিল। বিতৰ্কৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বহু তথ্য উপস্থাপন কৰিলেও পহলগামৰ বৈসাৰণত সন্ত্ৰাসবাদীৰ প্ৰৱেশৰ বিষয়ে স্পষ্ট উত্তৰ দিয়াত ব্যৰ্থ হয় বুলি গগৈয়ে অভিযোগ উত্থাপন কৰে। তেওঁ প্ৰশ্ন কৰে যে ভাৰতীয় সেনাই পাকিস্তানৰ দখলত থকা কাশ্মীৰ অঞ্চল দখল কৰাৰ কোনো পদক্ষেপ কিয় গ্ৰহণ কৰা নাই। গগৈৰ মতে, ৰাজনাথ সিঙে সদনত কৈছিল যে ভাৰতৰ উদ্দেশ্য যুদ্ধ নহয়, কিন্তু তেওঁ প্ৰশ্ন কৰে যে যদি এতিয়া পাক অধিকৃত কাশ্মীৰ দখল কৰা নহয়, তেন্তে তাৰ সময় কেতিয়া হ'ব। গৌৰৱ গগৈয়ে জোৰ দি কয় যে বিৰোধী হিচাপে তেওঁলোকৰ কৰ্তব্য হৈছে দেশৰ স্বাৰ্থত প্ৰশ্ন উত্থাপন কৰা। তেওঁ দাবী কৰে যে পহলগাম আক্ৰমণ, অপাৰেচন সিন্দুৰ আৰু ভাৰতৰ বৈদেশিক নীতিৰ সত্য সদনৰ আগত পৰিষ্কাৰভাৱে প্ৰকাশ পোৱা উচিত। এই বিতৰ্কই লোকসভাত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰে আৰু জাতীয় নিৰাপত্তাৰ প্ৰশ্নত চৰকাৰৰ ভূমিকাৰ ওপৰত নতুন আলোচনাৰ সূচনা কৰে।

# পূৰ্বপৰিকল্পিতভাৱে এন এছ এত গ্ৰেপ্তাৰ কৰা হৈছিল নেকি উমানন্দক ?

## উমানন্দ মুদৈ মৰাণৰ মুক্তি আসন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৮ জুলাই ঃ** তদানীন্তন কৃষক মুক্তিৰ নেতা উমানন্দ মুদৈ মৰাণৰ ওপৰত জাপি দিয়া ৰাষ্ট্ৰীয় নিৰাপত্তা আইন প্ৰত্যাহাৰৰ খবৰে বহুতকে সন্তুষ্টি প্ৰদান কৰাৰ সমান্তৰালকৈ একাংশৰ বাবে মূৰৰ কামোৰণি হৈ পৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, তিনিচুকীয়াৰ জিলাৰ তালাপৰ বিতৰ্কিত পুঁজিপতি দীনদয়াল বাৰ্মাক ধন দাবী কৰা এটা অডিঅ' ভাইৰেল হোৱাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ঘটনাৰ আঁত ধৰি তদানীন্তন কৃষক মুক্তিৰ নেতা উমানন্দ মুদৈ মৰাণক যোৱা ২০ জুন, ২০২৫ তাৰিখে তিনিচুকীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। আন্দোলনকাৰী নেতাগৰাকীৰ বিৰুদ্ধে প্ৰথমে বিগত ২০১৬ বৰ্ষৰ পৰা ২০২৪ বৰ্ষৰ ভিতৰত তিনিচুকীয়া জিলাৰ বিভিন্ন থানাত ৰুজু হৈ থকা ৪টা গোচৰৰ ভিত্তিত গ্ৰেপ্তাৰ কৰা হৈছিল। উক্ত গোচৰসমূহ আছিল ডুমডুমা থানাৰ গোচৰ নং ৩৯২/২০১৬ (ভাৰতীয় দণ্ডবিধিৰ ৩০৬ ধাৰা), বৰডুমচা থানাৰ গোচৰ নং ৬৪/২০২০ (ভাৰতীয় দণ্ডবিধিৰ ২৯৪ (এ)/ ৫০০/ ৫০৬ ধাৰা), বৰডুমচা থানাৰ গোচৰ নং ৫৫/২০২১ (ভাৰতীয় দণ্ডবিধিৰ ৪৪৭/ ২৯৪/ ৩৫৪/ ৫০৬/ ৩৪ ধাৰা), তিনিচুকীয়া থানাৰ গোচৰ নং ৫০/২০২৪ (ভাৰতীয় দণ্ডবিধিৰ ১৪৩/ ১৪৫/ ১৪৯/ ১৫১/ ১৫২/ ২৬৮/ ৩৪১/৩৫৩ ধাৰা) আৰু তিনিচুকীয়া থানাৰ গোচৰ নং ২৯০/২০২৪, (ভাৰতীয় ন্যায় সংহিতাৰ ১২৬ (২)/ ১৩২/ ১২১(আই)/১৯৬(২)/ ৩(৫)/আৰ ডব্লিউ ছেকচন ৩ ৰ পি ডি পি পি এ")। এই গোচৰসমূহৰ কোনোটো কাহানিবাই এফ্ আৰ হৈ গৈছিল আৰু আনবোৰৰ ক্ষেত্ৰত জামিন মঞ্জুৰ হৈছিল যদিও ডুমডুমা থানাত দীনদয়াল বাৰ্মাই যোৱা ২০ মে' তাৰিখে দাখিল কৰা এজাহাৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ ৩৫১(৩)/৩০৮(৪)/৩০৮(৫)/১৯৬(১)(এ) ধাৰাৰ অধীনত ৰুজু হোৱা ৮৫/২০২৫ নং গোচৰটোৰ জামিনৰ প্ৰস্তুতি চলি থকাৰ সময়তে উমানন্দৰ ওপৰত যোৱা ৩১ মে' তাৰিখে জাপি দিয়া হৈছিল ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (এন এছ এ)ৰ ধাৰা। শেহতীয়াকৈ এন এছ এৰ তিনিজনীয়া পৰামৰ্শদাতা পৰিষদে উমানন্দৰ গোচৰটোত ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত গ্ৰেপ্তাৰৰ কোনো যুক্তিসংগত কাৰণ নথকাৰ হেতু উক্ত গোচৰ প্ৰত্যাহাৰৰ ঘোষণা কৰে। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ উপ-সচিবৰ পি এল এ ৬৫৮৩৪৫/৭৫ তাং ২১-০৭-২০২৫ নং নিৰ্দেশ অনুসৰি তিনিচুকীয়াৰ জিলা দণ্ডাধীশে টি এম জে ১৭/২০২৫/৪১ তাং ৩১-০৫-২০২৫ নং পত্ৰ যোগে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন প্ৰত্যাহাৰৰ জাননী জাৰি কৰিছে। কিন্তু ডুমডুমা থানাৰ গোচৰটোত জামিন লাভ কৰিলেই সম্প্ৰতি ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰতে থকা উমানন্দ মুদৈ মৰাণৰ মুক্তিৰ পথ প্ৰশস্ত হৈ পৰিব। এই সন্দৰ্ভত উমানন্দ মুদৈ মৰাণৰ অধিবক্তাৰ মতে অহা সপ্তাহতে একপ্ৰকাৰ মুকলি আকাশৰ তললৈ অহাৰ সম্ভাৱনা আছে উমানন্দ। উমানন্দৰ মুক্তিৰ পাছত তেওঁৰ স্থিতি কি হ'ব সেয়া এতিয়াই অনুমান কৰিব নোৱাৰি যদিও উমানন্দৰ অনুপস্থিতিক লৈ সৃষ্টি হৈছে কেতবোৰ বিশেষ পৰিস্থিতিৰ। উল্লেখ্য যে, যোৱা ৪ ছেপ্টেম্বৰ, ২০২৪ তাৰিখে তিনিচুকীয়াৰ 'কনভেনচন চেণ্টাৰ'ত মৰাণ জনগোষ্ঠীৰ কেউটা সংগঠনৰ নেতৃবৰ্গৰ উপস্থিতিত জনগোষ্ঠীটোৰ একাধিক জ্বলন্ত সমস্যা সন্দৰ্ভত আলোচনা কৰিবলৈ অনুষ্ঠিত কৰা এক বৈঠকত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তিনিচুকীয়া জিলাৰ মৰাণ জনগোষ্ঠীৰ দুই বিধায়কৰ সন্মুখতে উমানন্দ মুদৈ মৰাণক এক আপত্তিজনক গোচৰত জেল হাজোতলৈ নিক্ষেপ কৰিব লাগে বুলি আৰক্ষী অধীক্ষকক পৰামৰ্শ আগবঢ়াইছিল। এই অভিযোগ তথা উক্ত বাৰ্তালাপৰ সাক্ষী হৈ ৰৈছিল উমানন্দৰ মুদৈ মৰাণৰ বৰদেউতাক লম্বেশ্বৰ মৰাণ। আনকি এনে অভিযোগৰ সত্যতা স্বীকাৰ কৰিছে বৈঠকত উপস্থিত থকা একাধিক নেতায়ো। সামাজিক মাধ্যমত প্ৰচাৰিত উক্ত অভিযোগৰ ভিত্তিত যোৱা কিছুদিন ধৰি জনগোষ্ঠীটোৰ সাংগঠনিক মজিয়াত উত্তপ্ত পৰিৱেশৰ সূচনা হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, যোৱা ৩১ মে' তাৰিখে ধৃত উমানন্দৰ ওপৰত এন এছ এ জাপি দিয়াৰ পাছত উক্ত পৰামৰ্শ আখৰে আখৰে প্ৰমাণিত হ'ল বুলি তিনিচুকীয়া জিলাখনত সৰৱ চৰ্চা চলা পৰিলক্ষিত হৈছিল। আনকি সাংবাদিকৰ সতে হোৱা এক সাক্ষাৎকাৰত তদানীন্তন কৃষক নেতাগৰাকীয়ে তেওঁৰ বিৰুদ্ধে ৰচনা হোৱা ষড়যন্ত্ৰ সন্দৰ্ভত উল্লেখ কৰি তেওঁৰ আসন্ন বিপদৰ সম্ভাৱনাও ব্যক্ত কৰিছিল সামাজিক মাধ্যমত ফটো আৰু ভিডিঅ'যোগে। মুঠৰ ওপৰত এটা কথাত স্পষ্ট হৈ পৰিছে যে উমানন্দৰ বিৰুদ্ধে এন এছ এ লগোৱাটো চৰকাৰৰ এক বৃহৎ ষড়যন্ত্ৰ আছিল। এন এছ এ লগাব পৰাকৈ উমানন্দই তেনেকুৱা কি ৰাষ্ট্ৰদ্ৰোহ কৰিছিল বুলি এতিয়া সৰৱ চৰ্চা চলা পৰিলক্ষিত হৈছে। উমানন্দৰ বিৰুদ্ধে এন এছ এ লগোৱা মূল গোচৰটোৰ ভিত্তি আছিল তিনিচুকীয়া থানাৰ ২৯০/২০২৪ নম্বৰৰ গোচৰ। যিটো গোচৰ ৰুজু হৈছিল এটা মাৰপিটৰ ঘটনাক কেন্দ্ৰ কৰি। ঘটনাৰ স্থান আছিল তিনিচুকীয়া। এজন বিহাৰী যুৱকে ৰিদিপ ডেকা নামৰ অসমীয়া যুৱকজনক আক্ৰমণ কৰাত তিনিচুকীয়াৰ কেইবাটাও জাতীয়-জনগোষ্ঠীয় সংগঠনে উক্ত ঘটনাৰ বিৰুদ্ধে আৰু ঘটনাত অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত যি আন্দোলন গঢ়ি তুলিছিল, তাৰ অন্যতম নেতা আছিল উমানন্দ মুদৈ মৰাণ। "বিহাৰীৰ দপদপনি নচলিব"- বুলি বক্তব্য দিয়া উমানন্দৰ লগতে সতীৰ্থ আন কেইবাজনকো চৰকাৰে গ্ৰেপ্তাৰ কৰিছিল। ঘটনাক লৈ আলফা স্বাধীনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। উমানন্দ আৰু তেওঁৰ সতীৰ্থ কেইগৰাকীক যোৱা ১৮ জুলাইত আদালতে উক্ত গোচৰটোৰ পৰা দোষমুক্ত ঘোষণা কৰিছিল। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে এই গোচৰটোৱেই আছিল উমানন্দৰ বিৰুদ্ধে এন এছ এ লগোৱাৰ মূল কাৰণ। ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰি ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত ৰখা উমানন্দ মুদৈ মৰাণ সম্প্ৰতি এন এছ এ গোচৰৰ পৰা দোষমুক্ত হ'ল। শীঘ্ৰেই মুকলি আকাশৰ তললৈ আহিব উমানন্দ। একপ্ৰকাৰ বিফল হল চৰকাৰৰ ষড়যন্ত্ৰ। উমানন্দৰ মুক্তিৰ লগে লগেই বহুবোৰ কথা উন্মোচিত হোৱাৰ সম্ভাৱনা আছে।

# মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান

অসম বাৰ্তা, মাকু, সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা নীতিৰ আধাৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কীৰ্তিমান ছাত্ৰ- ছাত্ৰী সকলক উৎসাহ আৰু প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যৰে মাকুম আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতি বছৰে বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। বিগত বৰ্ষ সমূহৰ দৰে এই বৰ্ষটো মাকুম আঞ্চলিক ছাত্ৰ সন্থাই শনিবাৰে মাকুম স্থিত আগমন ভৱনত মাকুম অঞ্চলৰ কীৰ্তিমান ছাত্ৰ ছাত্ৰী সকলক উৎসাহ আৰু প্ৰেৰণা যোগোৱাৰ কাৰণে বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে। কোৰাছ আদিৰে আৰম্ভ হোৱা আজিৰ সমৰ্দ্ধনা অনুষ্ঠানৰ সভা খনিৰ সভাপতিত্ব কৰে আছুৰ প্ৰাক্তন ছাত্ৰ নেতা অনন্ত ফুকনে। তাৰ পাছতে অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে ছাত্ৰ- ছাত্ৰী সকলক উদ্দেশ্যি উৎসাহ আৰু প্ৰেৰণা মূলক বক্তব্য প্ৰদান কৰে। আজিৰ অনুষ্ঠানত মুঠ ১৬০ গৰাকী ছাত্ৰ -ছাত্ৰীক একোখনিকৈ অঙ্গ বস্ত্ৰ, সম্বৰ্ধনা পত্ৰ, এটা ফাইল আৰু এটা গছ পুলিৰে সমৰ্দ্ধনা জনোৱা হয়। তদুপৰি মাকুম জ্ঞানোদয় জাতীয় বিদ্যালয়ৰ কৰ্তৃপক্ষই মাকুম কেন্দ্ৰৰ পৰা সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰ প্ৰিয়ানুজ দত্তক বিশেষ ভাৱে বঁটা প্ৰদান কৰে। আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক সমৰ গোহাঁই, কাৰ্যনিৰ্বাহক সদস্য জিতেন্দ্ৰ চুতীয়া, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰতিম নেওগ, সাধাৰণ সম্পাদক কনচেং গগৈ, মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষ্যা ড০ মালবিকা ফুকন ভূএগা, তিনিচুকীয়া অসামৰিক চিকিৎসালয়ৰ পৰামৰ্শদাতা আবুল আলি, মাকুম সাহিত্য সভাৰ সভাপতি, সম্পাদক, আছুৰ বিভিন্ন আঞ্চলিক সমিতিৰ বিষয়ববীয়া সকল, স্থানীয় দল-সংগঠনৰ বিষয়ববীয়া সকল প্ৰমুখ্যে কৰি কৃতীমান ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক-অভিভাবিকা সকল উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থকা সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সমৰ গোহাঁইয়ে সম্বৰ্ধনা জ্ঞাপন কৰা ছাত্ৰ -ছাত্ৰী সকলক ফলাফলৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি শিক্ষাৰ লগতে এখন সুস্থ সমাজ গঢ়ি তোলাত অগ্ৰাধিকাৰ দিব পাৰে তাৰেই আশা প্ৰকাশ কৰে। তদুপৰি ৰাজ্যৰ মহাবিদ্যালয় সমূহত অৱসৰী শিক্ষক নিযুক্তিৰ সিদ্ধান্তৰ বিৰোধিতা কৰি ৰাজ্যত নিবনুৱা সমস্যা সমাধান কৰিবলৈ আজিৰ এই অনুষ্ঠানৰ পৰাই দাবী জনায় ছাত্ৰ নেতা গৰাকীয়ে। প্ৰতিবছৰে মাকুম আঞ্চলিক ছাত্ৰ সন্থাই এনেদৰে ছাত্ৰ -ছাত্ৰী সকলক উৎসাহিত কৰিব পৰা অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ পোৱাত সভাপতি শিৱা দাস আৰু সাধাৰণ সম্পাদক মনোৰম চুতীয়াই সকলোকে কৃতজ্ঞতা জনোৱাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে।

### ৯ গৰাকী ব্যক্তিক সম্বৰ্দ্ধনা জ্ঞাপন

# শদিয়াত 'জুৰা'ৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ছৈখোৱা, ২৮ জুলাই ঃ** জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম (জুৰা) ৰ তিনিচুকীয়া জিলা সমিতিৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি আজি শদিয়াৰ ঐতিহাসিক কুকুৰামৰা গাঁওবাসীৰ আতিথ্যত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে 'জুৰা'ৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি অখিল চন্দ্ৰ বৰুৱাই। সভাৰ আঁত ধৰাৰ লগতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাণাদ্বীপ বৰুৱাই। সভাত 'জুৰা'ৰ ৰাজ্যিক উপ-সভাপতি ৰূপম কাকতি, ৰাজ্যিক সাংগঠনিক সম্পাদক ৰৌচনলাল ভৰদ্বাজ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ উপ-সভাপতি জয়কান্ত চিৰিং, সমাজসেৱক মৃদুল দত্ত, 'জুৰা'ৰ তিনিচুকীয়া জিলা সমিতিৰ উপ-সভাপতি কাজল চৌধুৰী আৰু মনীষ দত্ত, সহ: সম্পাদক কৃষ্ণ নেওগ, সদস্য ক্ৰমে - ৰাজীৱ বৰা, ৰাতুল ডেকা, ঋতুপৰ্ণ ভূঞা, পাপুল গগৈ, খৰ্গেশ্বৰ বৰুৱা, শৈলেন গগৈ, নৰেশ পৰজা আদি উপস্থিত থাকে। উক্ত সভাতেই বহুৱা নৃত্যৰে প্ৰসিদ্ধ কুকুৰামৰা গাঁৱৰ ৭ গৰাকী বয়োজ্যেষ্ঠ লোকৰ উপৰিও শদিয়াৰ বিশিষ্ট সমাজসেৱক যুধিষ্ঠিৰ গগৈ আৰু ধলা হাঁহখাটি বিশিষ্ট শিক্ষাবিদ তথা হাঁহখাটি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, ইণ্ডিয়ান এডুকেশ্বন এৱাৰ্ড -২০২৩ প্ৰাপক টিকাৰাম চেত্ৰীক গামোচা, চেলেং, স্মাৰক আৰু সম্বৰ্দ্ধনা পত্ৰৰে সম্বৰ্দ্ধনা জনোৱা হয়। সভাত অনুষ্ঠানটিৰ মুখ্য আহ্বায়ক কুল বুঢ়াগোহাঁই, দিবাকৰ বৰুৱা, মুনিন্দ্ৰ দৈচাং, মনোজ কোঁৱৰ আৰু সদাগৰ বৰুৱাক এখনি চেলেং চাদৰেৰে সম্বৰ্দ্ধনা জনোৱা হয়। সভাত ঐতিহাসিক কুকুৰামৰা গাঁৱৰ বিভিন্ন অভাৱ তথা অসুবিধাসমূহৰ ওপৰত ভবানন্দ গগৈ, মনোজ কোঁৱৰ, সদাগৰ বৰুৱা, দিবাকৰ বৰুৱা, কুল বুঢ়াগোহাঁই, পৰীক্ষিত বৰুৱা, প্ৰবীন নেওঁগ, বিচিত্ৰ বুঢ়াগোহাঁই, যোগেশ্বৰ গগৈ আৰু সৰ্বানন্দ গগৈয়ে যুগুতোৱা এক দীঘলীয়া প্ৰতিবেদন পাঠ কৰাৰ লগতে সংবাদ মাধ্যমৰ জৰিয়তে চৰকাৰক দৃষ্টিগোচৰ কৰাবলৈ সাংবাদিকসকলক আহবান জনায়। সভাত কুকুৰামৰা গাঁৱৰ শতাধিক ৰাইজ উপস্থিত থাকে। আজিৰ সভাতেই কেইবাগৰাকী সাংবাদিকে 'জুৰা'ত যোগদান কৰে।

## ছৈখোৱা দুষ্প্ৰাপ্য লক্ষ্মী ফেচাঁ উদ্ধাৰ

**অসম বাৰ্তা, ছৈখোৱা, ২৮ জুলাই ঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ছৈখোৱাৰ ধলা বজাৰত এটা আঘাতপ্ৰাপ্ত লক্ষ্মী ফেচাঁ (Barn Owl) উদ্ধাৰ কৰি বনাঞ্চলিক বিষয়া ন-বৰমূৰা বন্যপ্ৰাণী সংমণ্ডল কাৰ্যালয়ত গতাই দিয়ে। সন্ধিয়া সময়ত বজাৰৰ মাজভাগত লক্ষ্মী ফেচাঁটোৱে ঘূৰি ফুৰা ৰাইজে প্ৰত্যক্ষ কৰে। ঠিক তাৰ পিছতে সদ্যপ্ৰাক্তন তিনিচুকীয়া জিলা সমিতিৰ আছুৰ উপদেষ্টা দীক্ষিত বেজবৰুৱা, গোৰ্খা ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সহঃ কাৰী সাধাৰণ সম্পাদক পৱন ছেত্ৰী, যুৱ ব্যৱসায়ী জিন্তু দাসে সুৰক্ষিত ভাৱে ফেচাঁটোক আবদ্ধ কৰি ন-বৰমুৰা বাইল্ডলাইফৰ হাতত গতাই দিয়ে। পৰৱৰ্তী সময়ত তেওঁলোকে উন্নত চিকিৎসাৰ বাবে ম'বাইল ভেটেনাৰী চাৰ্ভিছ ইউনিট গুইজানলৈ প্ৰেৰণ কৰে।

## হাৰোপাৰাৰ ৰামেশ্বৰ দাসৰ দেহাৱসান

**অসম বাৰ্তা, মিৰ্জা, ২৮ জুলাই ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত হাৰোপাৰা ৩য় খণ্ডৰ নিবাসী ও হাৰোপাৰা ৩য় খণ্ড ৰাইজ গয়ৰহৰ প্ৰাক্তন সম্পাদক, হাৰোপাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য, ধৰ্মপ্ৰাণ সামাজিক ব্যক্তি ৰামেশ্বৰ দাসৰ বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। গাঁওখনৰ বিভিন্ন সামাজিক অনুষ্ঠানক সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰা তথা সামাজিক সকলোবোৰ ক্ষেত্ৰত আগৰণুৱা ৰামেশ্বৰ দাসৰ মৃত্যুৰ সময়ত বয়স আছিল ৮২ বছৰ। ৰামেশ্বৰ দাসৰ মৃত্যুত সমগ্ৰ হাৰোপাৰা অঞ্চলত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত হাৰোপাৰা ৩য় খণ্ড ৰাইজ গয়ৰহ, নৱজ্যোতি সংঘ, হাৰোপাৰা গাঁও পঞ্চায়ত তথা আন আন অনুষ্ঠানৰ প্ৰতিনিধিয়ে শোক প্ৰকাশ কৰে। দাসে এই সংসাৰত পত্নী, পুত্ৰ-বোৱাৰী, নাতি আৰু ইষ্ট কুটুম্বক এৰি থৈ যায়।

# 'আছা' উজ্জ্বলপুৰ-কয়লামাৰী আঞ্চলিক সমিতিৰ ১২ দিনীয়া 'গ্ৰীষ্মকালীন পাঠদান'ৰ সামৰণি

**অসম বাৰ্তা, লীলাবাৰী, ২৮ জুলাই ঃ** আদিবাসী বসতিপ্ৰধান অঞ্চলবিলাকত শৈক্ষিক ক্ষেত্ৰত সজাগতা অনাৰ প্ৰয়াসৰ অংশস্বৰূপ সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ উজ্জ্বলপুৰ-কয়লামাৰী আঞ্চলিক সমিতিৰ উদ্যোগত ১২ দিনীয়াকৈ অনুষ্ঠিত 'গ্ৰীষ্মকালীন পাঠদান শিবিৰ' আজি অন্ত পৰে। লখিমপুৰ জিলাৰ লীলাবাৰী বিমানবন্দৰ সমীপৰ উজ্জ্বলপুৰ উচ্চ-উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১২ দিনীয়াকৈ অনুষ্ঠিত পাঠদান শিবিৰত ২০২৬ বৰ্ষত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগা ছাত্ৰ-ছাত্ৰীক অসমীয়া, ইংৰাজী, সাধাৰণ বিজ্ঞান আৰু গণিতৰ পাঠদান কৰে। অঞ্চলটোৰ যোল্লজন অভিজ্ঞ বিষয় শিক্ষকে পাঠদান কৰা শিবিৰত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে ভাগ লয়। উল্লেখ্য যে, যোল্লজন বিষয় শিক্ষকে চাৰিটা বিষয়ৰ বিভিন্ন অধ্যায় পাঠদান কৰিছে বুলি আঞ্চলিক সমিতিখনৰ শিক্ষা বিভাগৰ সম্পাদিকা এলিজাবেথ এক্কাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে। তেখেতে কয়, শিক্ষকসকলে অসমীয়া বিষয়ৰ বৰ্ণমালা, যুক্তাক্ষৰ, সন্ধি, বাক্য, সমাস, কাল আদি বিষয়ত পাঠদান কৰাৰ লগতে ইংৰাজী ব্যাকৰণৰ ভাৱেল, কনছনেণ্টৰ পৰা আৰম্ভ কৰি পাৰ্টছ অৱ স্পিছ, টেনচ, আৰ্টিক'ল, ডিটাৰমাইনাৰ, লেটাৰ আৰু ৰিপৰ্ট লিখা সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীক ভালদৰে বুজাই দিয়ে। ঠিক তেনেকৈ বিজ্ঞান বিষয়ত জীৱন প্ৰক্ৰিয়া, বংশগতি, ৰাসায়নিক বিক্ৰিয়া, এচিড, ক্ষাৰ, মৌল, বিদ্যুত, শক্তি, গতি সন্দৰ্ভত পাঠদান কৰাৰ লগতে গণিত বিষয়ৰ বীজগণিত, ত্ৰিভুজ, ত্ৰিকোণমিতি, বৃত্ত, পৃষ্ঠ, কালি আদি সন্দৰ্ভত শিক্ষকসকলে পাঠদান কৰে। উল্লেখ্য যে, ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক-মানসিক বিকাশৰ লগতে কথনশৈলী, লিখাৰ গতি বৃদ্ধিৰ বাবে তিনিটাকৈ বিশেষ পৰীক্ষা অনুষ্ঠিত কৰে। আজি অন্তিম দিনৰ পাঠদান আৰু সামৰণি অনুষ্ঠানত আঞ্চলিক সমিতিখনৰ উপদেষ্টা তথা কাকৈ ৰাজগড় ঢেকিয়াজুলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকজন চাণ্ডিগুৰীয়াই মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক 'মানুহ' হ'বলৈ পৰামৰ্শ আগবঢ়ায় আৰু আগন্তুক বৰ্ষৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ভাল নম্বৰ আনিবলৈ আহ্বান জনায়। তেখেতে ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণতে কৰা ভুলবিলাক, বিশেষকৈ যতি চিহ্নৰ ব্যৱহাৰ আৰু লিখাৰ গতি বৃদ্ধি কৰাৰ লগতে চৌবিশ ঘণ্টাত ছয়টা বিষয়ৰ এটা বিষয় ত্ৰিশ মিনিটকৈ হ'লেও পঢ়িবলৈ আহ্বান জনায়। সামৰণি অনুষ্ঠানত সংগঠনটোৰ আঞ্চলিক সমিতিৰ সভাপতি মাইকেল চৰেং আৰু সম্পাদক চিলাছ টপ্পই আঁত ধৰি পাঠদান শিবিৰত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ সৈতে ১২ দিনীয়া পাঠদানৰ অভিজ্ঞতা বুজ লয়। অনুষ্ঠানটিত আঞ্চলিক সমিতিৰ উপ-সভাপতিদ্বয় ধীৰাজ হ'ৰ' আৰু কৰিশ্মা লাকড়া, সহকাৰী সম্পাদকদ্বয় নমিতা চৰেং আৰু খ্ৰীষ্টফাৰ টেটে, সাংগঠনিক সম্পাদক এলে' টপ্প, ক্ৰীড়া সম্পাদক কপিল পয়াৰ লগতে শিক্ষকসকলে অংশগ্ৰহণ কৰে। আদিবাসী ছাত্ৰ সন্থাৰ আঞ্চলিক সমিতিৰ বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ লগতে পাঠদান প্ৰণালীক অঞ্চলটিৰ ৰাইজে উচ্চ প্ৰশংসা কৰিছে।

### শিৱসাগৰত ১৫ জাতীয়-জনগোষ্ঠীয় সংগঠনৰ সংবাদমেল- ৰাজ্যত চলি থকা উচ্ছেদৰ সমৰ্থন

# কেৱল নামনি নহয় উজনিতো চলিব লাগিব উচ্ছেদ অভিযান

**অসম বাৰ্তা, জয়সাগৰ, ২৮ জুলাই ঃ** ৰাজ্যত চলি থকা উচ্ছেদ অভিযানক আদৰণি জনাই শিৱসাগৰ ১৫ টাকৈ জাতীয় জনগোষ্ঠীয় সংগঠনে। চৰকাৰৰ এই উচ্ছেদক সাহসী আৰু বলিষ্ঠ পদক্ষেপ হিচাপে অভিহীত সংগঠন কেইটাৰ। অসমৰ পৰা সকলো বিদেশী নাগৰিকক বহিষ্কাৰ কৰাৰ দাবী সংগঠন কেইটাই। নামনি সমান্তৰালকৈ উজনি অসমতো হ'ব লাগিব উচ্ছেদ। সাম্প্ৰতিক অসম চৰকাৰে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সন্দেহযুক্ত বিদেশী নাগৰিকে অবাধে দখল কৰি থকা বনাঞ্চল সমূহ উচ্ছেদ কৰি থকা বলিষ্ঠ অভিযানক ১৫ জাতীয়-জনগোষ্ঠীয় সংগঠনৰ আদৰণি। শিৱসাগৰত এক সংবাদমেল সম্বোধন কৰি চৰকাৰৰ উচ্ছেদ অভিযানক পূৰ্ণ সমৰ্থন সদৌ টাই আহোম ছাত্ৰ সন্থা, আহোম জাতীয় গণমঞ্চ, টাই আহোম যুৱ পৰিষদ, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, গৰীয়া-মৰীয়া দেশী জাতীয় পৰিষদকে ধৰি ১৫ সংগঠনৰ। শনিবাৰৰ পৰা ইটা ভাটা, লোহাৰ ডেম্পত মিঞাৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব বুলি হুংকাৰ সংবাদমেলত। অসম ভূখণ্ডলৈ হোৱা অবাধ বিদেশীৰ প্ৰব্ৰজনে অসম তথা অসমীয়া জাতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি আহিছে বুলি মন্তব্য। লাখ লাখ বিদেশীয়ে অসমৰ চৰ অঞ্চল আৰু বনাঞ্চল সমূহ অবাধে বে-দখল কৰি ৰাজ্যখনৰ ভৌগোলিক পৰিবেশ বিনষ্ট কৰিছে। গতিকে, অসম ভূখণ্ডৰ দীৰ্ঘদিনীয়া বিদেশীৰ সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা এনে পদক্ষেপক এক বলিষ্ঠ আৰু সাহসী পদক্ষেপ বুলি অভিহিত কৰিছে সংগঠনকেইটাই। এই উচ্ছেদক লৈ কিছুমান ধৰ্মীয় সংগঠন, আৰু জাতীয়তাবাদৰ ফটা ঢোল বজাই কেৱল নিজ স্বাৰ্থৰ বাবে ৰাজনীতি কৰা কিছুমান ধুৰন্ধৰ ৰাজনৈতিক নেতাই ধৰ্মীয় আবেগ সৃষ্টি কৰি চৰকাৰৰ এনে বলিষ্ঠ পদক্ষেপক বিপথে পৰিচালিত কৰিবলৈ উঠি পৰি লগাটো অতি দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰি এনেধৰণৰ জাতিক লৈ প্ৰতাৰণা কৰা ৰাজনৈতিক নেতাক জাতিদ্ৰোহি ঘোষণা সংগঠনকেইটাৰ। ধৰ্মীয় বিভেদ, ধৰ্মীয় উন্মাদনা সৃষ্টি কৰি কেৱল মাত্ৰ নিজ ৰাজনৈতিক মুনাফা আদায় কৰাৰ স্বাৰ্থত এক বিশেষ সম্প্ৰদায়ক উচতাই জুল খাই অসমৰ পৰিবেশ পৰিস্থিতি অশান্তময় কৰিবলৈ অহৰহ চেষ্টা কৰি আহিছে এনেবোৰ তথাকথিত জাতীয়তাবাদী নেতাই। গতিকে, এনেবোৰ মানুহৰ কথাৰ ফুলজাৰি আৰু প্ৰৰোচনাত ভুল নাযাবলৈ অসমবাসী ৰাইজলৈ বিনম্ৰতাৰে অনুৰোধ জনাইছে সংবাদমেলযোগে। আমি কোনো বিদেশীৰ পক্ষত নাই, আজিয়েই হওক বা কালিলৈয়ে হওক বিদেশী বহিস্কাৰ হব লাগিব। একাংশ বাংলাদেশীৰ অভিভাৱকৰ ভাও দিয়া আৰু ৰক্ষকৰ ভূমিকা লোৱা সকলে কোৱাৰ দৰে আমি মুছলমান বিৰোধী নহওঁ, হিন্দুৰ ত্ৰাণকৰ্তাও নহওঁ। বিদেশী যিকোনো ধৰ্মৰ হ'ব পাৰে। আমাৰ এটাই কথা, অসমৰ পৰা সকলো বিদেশী বহিষ্কাৰ হ'ব লাগিব, কোনো বিদেশীক ধৰ্মৰ নামত ভাৰত বা অসমত প্ৰশ্ৰয় দিয়া নহ'ব। আনহাতে বৰ্তমান চৰকাৰখনে কেৱল মাত্ৰ বেদখল হোৱা বনাঞ্চন সমূহতহে উচ্ছেদ অভিযান চলাই আছে, গতিকে সেই স্থান সমূহত যিয়েই নাথাকক কিয় উচ্ছেদ কৰাতো অতি দৰকাৰী বুলি গণ্য কৰিছে ১৫ সংগঠনে। উচ্ছেদ কেৱল নামনি অসমত হ'লে নহ'ব এই উচ্ছেদ সমগ্ৰ অসমতে হ'ব লাগিব, অৰ্থাৎ উজনি অসমতো হ'ব লাগিব। কাৰণ উজনি অসমতো বহু স্থানত চৰকাৰী ভূমিয়েই হওক বনাঞ্চলেই হওক ভূমি বেদখল হোৱাতো পৰিলক্ষিত হৈছে। বিশেষকৈ বহু চৰকাৰী ভূমি, দেবোত্তৰ ভূমি আৰু প্ৰাচীন কৃতীচিহ্ন সমূহৰ বৃহৎ বৃহৎ ভূমি বেদখল কৰি থকা দেখা গৈছে। এইক্ষেত্ৰত ঐতিহাসিক শিৱসাগৰৰ ঐতিহ্যমণ্ডিত সম্পদ সমূহ -ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, শিৱসাগৰ নগৰৰ যমুনা, চৰাইদেউ মৈডাম স্থলী, আহোম যুগৰ পুখুৰীৰ পাৰ সমূহ, জলাশয় সমূহত হোৱা অবাধ বেদখল বিলাক শীঘ্ৰে উচ্ছেদ কৰি উচিত সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈও দাবী। সাম্প্ৰতিক এই পৰিস্থিতিত সংবাদমেল যোগে উজনি অসমৰ মুছলমান ৰাইজৰ প্ৰতি এক বিশেষ অনুৰোধ জনাই কয় যে, নামনি অসমত চলি থকা উচ্ছেদৰ আলম লৈ যাতে কোনো সন্দেহজনক লোকে উজনি অসমত থিতাপি ল'ব নোৱাৰে তাৰ প্ৰতি কঠোৰ দৃষ্টি ৰাখিব লাগিব। এখন বিদেশী মুক্ত অসম গঢ়িবলৈ আপোলোকৰ সহায়-সহযোগিতা বাঞ্ছনীয়। অসমৰ পৰা বিদেশী বাংলাদেশী লোকক চিনাক্ত কৰি শীঘ্ৰে বিতাড়নৰ ব্যৱস্থা কৰক আমাৰ পূৰ্ণ সমৰ্থন থাকিব কিন্তু একেটা সময়তে আমি ক'ব খোজো যাতে এই উচ্ছেদৰ নামত কোনো খিলঞ্জীয়া মুছলমান গৰীয়া, মৰীয়া, দেশী জুলা চৈয়দ আদিয়ে যাতে অসুবিধা নাপায় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। কাৰণ আমি সকলো খিলঞ্জীয়া সুৰক্ষিত হোৱাটো বিচাৰো তাক আমি ধৰ্মীয় দৃষ্টিকোণেৰে গ্ৰহণ নকৰো। আমি ভাৰতীয়, আমি অসমীয়া আমি খিলঞ্জীয়া এই নীতিত আজি বিশ্বাসী। ইয়াৰ লগতে এই উচ্ছেদ অভিযানত যিসকল ভাৰতীয় লোকক উচ্ছেদিত হৈছে তেখেত লোকক শীঘ্ৰে মানবীয় দৃষ্টিৰে চৰকাৰে নিম্নতম সুবিধাখিনি প্ৰদান কৰিবলৈ আজিৰ এই সংবাদমেল যোগে চৰকাৰলৈ দাবী জনাইছে ১৫ সংগঠনে।

# মাকুমৰ শিশুগৃহত কেশৱ বাহেতীৰ আবক্ষ মূৰ্তি উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ জুলাই ঃ** আজি তিনিচুকীয়া জিলাৰ গংগাবাৰীত অৱস্থিত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত শিশুগৃহ(ছোৱালীৰ), কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহত প্ৰয়াত কেশৱ বাহেতীৰ এটা আবক্ষ মূৰ্তি উন্মোচন কৰা হয়। ১৯৭৯ চনত জন্ম গ্ৰহণ কৰা কেশৱ বাহেতী নামৰ উদ্যমী যুৱক জনে অতি কম বয়সতে ২০০৬ চনৰ ১ আগষ্টত ইহলীলা সম্বৰন কৰে। বিশিষ্ট সমাজ কৰ্মী নাৰায়ণ বাহেতী আৰু সৰোজ বালা বাহেতীৰ পুত্ৰ কেশৱ বাহেতীৰ স্মৃতি যুগমীয়া কৰিবৰ বাবে বেচৰকাৰী সংগঠন সূৰ্যোদয়ে। ২০১৭ চনৰ ১৮ ফেব্ৰুৱাৰীত কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহ প্ৰতিষ্ঠা কৰে। আজি এই কেশৱ বাহেতীৰ আবক্ষ মূৰ্তি উন্মোচন কৰি জেষ্ঠ সাংবাদিক তথা কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহৰ সভাপতি অৰ্জুন বৰুৱাই কয় যে কেশৱ বাহেতীৰ আবক্ষ মূৰ্তি স্থাপনে এটি যুগৰ ইতিহাসৰ স্বাক্ষৰ বহন কৰি যাব। আনহাতে তিনিচুকীয়াস্থিত কেশৱ বাহেতী মুক্ত শিশু গৃহটো আন এটা আবক্ষ মূৰ্তি উন্মোচন কৰি বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক পুলক গোঁহায়ে সূৰ্যোদয়ে সমাজ জীৱনৰ প্ৰতি আগবঢ়াই অহা নিৰবিচ্ছিন্ন সেৱা অতি প্ৰশংসনীয় বুলি অভিহিত কৰে। জিলা শিশু সুৰক্ষা বিভাগৰ সত্য নাৰায়ণ বৰুৱাই ২০১৭ চনৰ পৰা সূৰ্যোদয় শিশু গৃহই কেইবাশ শিশুৰ জীৱনক সুৰক্ষা আৰু নিৰাপত্তা দিয়াত সফল হৈছে বুলি অভিহিত কৰে। তেওঁ কেশৱ বাহেতীৰ পিতৃ নাৰায়ণ বাহেতীয়ে পুত্ৰৰ স্মৃতি যুগমীয়া কৰাৰ এই পদক্ষেপত ৰাইজৰ সহায় সহযোগ আৰু সূৰ্যোদয়ৰ পদক্ষেপক আদৰণী জনায়। তিনিচুকীয়া জিলা সাহিত্য সভাৰ উপ সভাপতি চন্দ্ৰ কুমাৰ বৰুৱাই অনাথ শিশু সকলক পোহৰৰ বাট দেখুওৱা শিশু গৃহৰ কৰ্মীসকলৰ ত্যাগক প্ৰশংসা কৰে। নাট্যকৰ্মী মনজিৎ ঠাকুৰ, মানসী বৰুৱা, কৰ্ণেল ৰাজনিশ ভাণ্ডাৰী আদিয়ে শিশুগৃহৰ সন্দৰ্ভত বক্তব্য আগবঢ়াই। আজিৰ অনুষ্ঠানত চি এল পাৰিক, সতীশ লাহতী, প্ৰদিপ লাহতী, শৈলেস বাহেতী, গৌতম বাহেতী, ললিত গগৈ, বিনোদ বাজাজ, ঘনশ্যাম লাহতী, সপোন সুৰভী আইদেউ, ডলি গগৈ চেতিয়া, জয়ন্ত অধিকাৰী, দুৰ্লভ নাৰায়ন দাস, পাৰ্থ প্ৰতীম ডেকা, মিথিলেশ কুমাৰ সিং, অমিত গুপ্তা আদি বিশিষ্ট ব্যক্তি সকলে অংশগ্ৰহণ কৰে। শিশুগৃহৰ সম্পাদক অখিল চন্দ্ৰ বৰুৱাই শিশুগৃহৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমাক দাঙি ধৰে। আজিৰ অনুষ্ঠানসূচী পৰিচালনা কৰে শিশুগৃহৰ তৃষ্ণা বৰা, জিনামণি ফুকন, ত্ৰিদীশা মহন্ত, গৰিমা দত্ত আৰু চৈয়দ হিফজুৰ ৰহমানে।

# অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ বাৰ্ষিক সাধাৰণ সভা

**অসম বাৰ্তা, যোৰহাট, ২৮ জুলাই ঃ** অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ বাৰ্ষিক সাধাৰণ সভাখন আজি অসম শৈক্ষিক কেন্দ্ৰৰ শিক্ষাবিদ নিত্য ভট্টাচাৰ্য সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সমিতিৰ সভাপতি ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰমেন গগৈয়ে। সভাত বিজ্ঞান সমিতিৰ ড° যোগেন্দ্ৰ নাথ বৰুৱা ন্যাসৰ প্ৰতিবেদন পাঠ কৰে সচিব ড° লক্ষ্মী শইকীয়াই, দুয়োটা অনুষ্ঠানৰ আয় - ব্যয়ৰ প্ৰতিবেদন দাখিল কৰে ড° ৰাজীৱ লোচন গোস্বামীয়ে আৰু শাখাৰ প্ৰতিবেদন পাঠ কৰে সহকাৰী সম্পাদক ড° দণ্ডেশ্বৰ দত্তই। সভাত লাহদৈগড়ত অৱস্থিত এৰি - মুগা গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক ড° কাৰ্তিক নেওগ, অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি ড° প্ৰমোদ চন্দ্ৰ নেওগ, উপদেষ্টা মহেন্দ্ৰ গগৈ, কাৰ্যকৰী সভাপতি ড° বিমলা প্ৰসাদ বৰুৱা প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। যোৰহাট শাখাই ৰাজ্যৰ শ্ৰেষ্ঠ শাখাৰ পুৰস্কাৰ লাভ কৰা, শাখাৰ সম্পাদক কেন্দ্ৰীয় সমিতিৰ উপসভাপতি মনোনীত হোৱা আৰু যোৰহাট জাতীয় বিদ্যালয়ে শাখাৰ কৰ্মৰাজিৰ বাবে শলাগণি-পত্ৰ প্ৰদান কৰাত সভাই সন্তুষ্টি প্ৰকাশ কৰে। আজিৰ সভাই যোৰহাট শাখাৰ বৰভেটা চৌহদত বেদখল হোৱাত ক্ষোভ প্ৰকাশ কৰে আৰু বিষয়টোৰ নিষ্পত্তিৰ কাৰণে এখন সমিতি গঠন কৰি দিয়ে। সভাত নতুন সদস্য ভৰ্তি অভিযান ত্বৰান্বিত কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰে।

## নামতি বামুণপুখুৰীৰ এগৰাকী বোৱাৰী নিৰুদ্দেশ

**অসম বাৰ্তা, আমগুৰি, ২৬ জুলাই ঃ** শিৱসাগৰ জিলাৰ নামতি বামুণপুখুৰীস্থিত দুই নং গায়নবাৰীৰ দীপাংকৰ ফুকনৰ পত্নী পল্লৱীকা নাথ ফুকন ২১ জুলাইৰ পৰা নিৰুদ্দেশ হৈ আছে। কাপোৰৰ ব্যৱসায়ৰ লগত জড়িত বিবাহিতা মহিলাই কাপোৰ ক্ৰয় কৰাৰ বাবে উক্ত দিনা সোণাৰিলৈ যোৱাৰ পিছৰে পৰা নিৰুদ্দেশ হৈ আছে। স্বামীয়ে পত্নীক বিভিন্ন ঠাইত বিচাৰ খুচাৰ কৰিও কোনো সম্ভেদ নোপোৱাত নামতি আৰক্ষী থানাত নিৰুদ্দেশ সম্পৰ্কীয় এখন জাননী দাখিল কৰিছে। মহিলা গৰাকীয়ে স্বামীৰ লগতে এগৰাকী কন্যা সন্তানক এৰি থৈ গৈছে। সদাশয় কোনো ব্যক্তিয়ে মহিলা গৰাকীক কৰবাত দেখা পালে ৮৬৩৮৩১৭৯৯৮ নম্বৰত স্বামী দীপাংকৰ ফুকনৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

